# আমাৰ সপোনৰ অসমখন

## অসমবাসীৰ জাতীয় কৰ্মসূচী
## ২০২১-২০৩০

## A National Plan for Assam
## 2021-2030

**ৰাইজৰ দল**
Website : www.raijordal.org
e-mail. : asomorraijordal@gmail.com

**AAMAR SAPONAR ASOMKHAN**– ASOMBASEER JATIA KARMASUCHEE, 2021-2030 is an extended Vision Document of Raijor Dal written by its State President Akhil Gogoi and published by Debanga Sourav Gogoi, Publicity Secretary, on behalf of the State Committee of Raijor Dal.

1st Edition : February, 2021 Price : Rs. 200/-

**প্ৰকাশক ঃ** **ৰাইজৰ দল**

**মুখ্য কাৰ্যালয় ঃ ঘৰ নং-১, মডাৰ্ণ হাইস্কুলৰ ওচৰত,**

**মঠঘৰীয়া, জু-নাৰেংগী ৰোড, গুৱাহাটী-২০, অসম**

**ই-মেইল ঃ** asomorraijordal@gmail.com

**ৱেবছাইট ঃ** www.raijordal.org

**ভ্ৰাম্যভাষ ঃ** +91 70990-99009

**মূল্য ঃ ২০০.০০ টকা**

**ডিটিপি ঃ** সুব্ৰত বৰ্মন

**অলংকৰণ ঃ** ৰূপম ঠাকুৰীয়া

**প্ৰকাশ কাল ঃ** ফেব্ৰুৱাৰী, ২০২১

**মুদ্ৰক ঃ** অম্বা প্ৰচেছিং, হেদায়েৎপুৰ, গুৱাহাটী-০৩

# অসমবাসীৰ জাতীয় কৰ্মসূচী

## সূচী


| অধ্যায় | বিষয় | পৃষ্ঠা নং |
|---|---|---|
| | ভাৰতৰ সংবিধানৰ প্ৰস্তাৱনা | VI |
| | 'ৰাইজৰ দল'ৰ লক্ষ্য-উদ্দেশ্য | VII-VIII |
| | পাতনি | IX |
| | সভাপতিৰ বক্তব্য | X |
| অধ্যায় ১ | অসমক আমি কেনেকৈ পৰিৱৰ্তন কৰিম | ১-২ |
| অধ্যায় ২ | অসমৰ বাবে সাংবিধানিক ৰক্ষা কৱচ ঃ এটা প্ৰস্তাৱ | ২-৫ |
| অধ্যায় ৩ | বিদেশী সমস্যাৰ সমাধান আৰু অসম চুক্তি ৰূপায়ন | ৫ |
| অধ্যায় ৪ | অনুসূচীত জাতি, জনজাতিসকল তথা পাহাৰীয়া জনজাতিসকলৰ সমস্যাৰ সমাধান আৰু ছয় জনগোষ্ঠীৰ জনজাতিকৰণ | ৬-৭ |
| অধ্যায় ৫ | সু শাসন | ৮-৯ |
| অধ্যায় ৬ | আইন শৃংখলা ৰক্ষা | ৯ |
| অধ্যায় ৭ | দৰিদ্ৰতা নিৰ্মূল | ১০ |
| অধ্যায় ৮ | দুৰ্নীতি নিৰ্মূল | ১০-১১ |
| অধ্যায় ৯ | আমি যিবোৰ কাম কৰিব খোজো | ১১-১৪ |
| অধ্যায় ১০ | অসমক পৰৱৰ্তী স্তৰলৈ আগুৱাই নিয়া | ১৪-১৬ |
| অধ্যায় ১১ | প্ৰতিখন গাঁও এটা উৎপাদন কেন্দ্ৰ | ১৬-১৯ |
| অধ্যায় ১২ | আমাৰ কৰ্ম আঁচনি ঃ কৃষি, বাণিজ্য, উদ্যোগ ঃ কৃষি আৰু উদ্যান শস্য | ২০-২৩ |
| অধ্যায় ১৩ | উদ্যোগ | ২৩-২৬ |
| অধ্যায় ১৪ | বাণিজ্য | ২৬-২৭ |
| অধ্যায় ১৫ | পৰ্যটন | ২৭-৩১ |
| অধ্যায় ১৬ | সেৱা আৰু আতিথ্য খণ্ড | ৩১-৩২ |

| | | |
|---|---|---|
| অধ্যায় ১৭ | ভূমি আৰু ৰাজহ ব্যৱস্থা | ৩২-৩৩ |
| অধ্যায় ১৮ | বিত্ত বিভাগ | ৩৩-৩৫ |
| অধ্যায় ১৯ | শিক্ষা | ৩৫-৩৯ |
| অধ্যায় ২০ | স্বাস্থ্য | ৩৯-৪২ |
| অধ্যায় ২১ | গড়কাপ্তানি বিভাগ | ৪২ |
| অধ্যায় ২২ | পশু পালন | ৪৩-৪৪ |
| অধ্যায় ২৩ | মৎস্য পালন | ৪৪-৪৫ |
| অধ্যায় ২৪ | হস্ততাঁত, বস্ত্ৰ শিল্প, ৰেচম | ৪৫ |
| অধ্যায় ২৫ | ভূমি সংৰক্ষণ বিভাগ | ৪৬ |
| অধ্যায় ২৬ | পৰিবহন ঃ স্থল, জল, ৰে'লপথ আৰু আকাশীপথ | ৪৬-৪৭ |
| অধ্যায় ২৭ | সমবায় বিভাগ | ৪৮ |
| অধ্যায় ২৮ | ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান | ৪৮ |
| অধ্যায় ২৯ | মানৱ সম্পদ উন্নয়ন | ৪৮-৪৯ |
| অধ্যায় ৩০ | ন্যায় ব্যৱস্থাৰ সংস্কাৰ | ৪৯-৫০ |
| অধ্যায় ৩১ | ঐতিহ্য আৰু পুৰাতাত্ত্বিক সমলৰ সংৰক্ষণ | ৫০-৫১ |
| অধ্যায় ৩২ | নিবনুৱাৰ সংস্থাপন আৰু যুৱ নীতি | ৫১-৫২ |
| অধ্যায় ৩৩ | মূল্যবৃদ্ধি ৰোধ | ৫৩ |
| অধ্যায় ৩৪ | বান-গৰাখহনীয়া সমস্যাৰ স্থায়ী ব্যৱস্থাপনা | ৫৩-৫৫ |
| অধ্যায় ৩৫ | বিদ্যুৎ খণ্ডৰ সবলীকৰণ | ৫৫-৫৬ |
| অধ্যায় ৩৬ | আন্তঃগাঁথনি নিৰ্মাণ | ৫৬-৫৭ |
| অধ্যায় ৩৭ | গুৱাহাটী মহানগৰ আৰু অন্যান্য নগৰ-চহৰৰ সমস্যাৰ সমাধান | ৫৭-৫৯ |
| অধ্যায় ৩৮ | এপিএছচিৰ সংস্কাৰ | ৬০ |
| অধ্যায় ৩৯ | জনসংখ্যা নীতি | ৬০-৬১ |
| অধ্যায় ৪০ | বনজ সম্পদৰ সুব্যৱহাৰ আৰু পৰিৱেশ সুৰক্ষা | ৬১-৬২ |
| অধ্যায় ৪১ | খনিজ সম্পদৰ সুব্যৱহাৰ | ৬৩ |
| অধ্যায় ৪২ | কাৰাগাৰ সংস্কাৰ | ৬৩-৬৪ |
| অধ্যায় ৪৩ | ক্ৰীড়া | ৬৪-৬৫ |
| অধ্যায় ৪৪ | ভাষা-সংস্কৃতি-কলা | ৬৫-৬৬ |
| অধ্যায় ৪৫ | নিযুক্তি | ৬৭ |
| অধ্যায় ৪৬ | জনস্বাস্থ্য কাৰিকৰী বিভাগ | ৬৭ |

| | | |
|---|---|---|
| অধ্যায় ৪৭ | চাহ  শ্ৰমিকসকলৰ আৰু চাহ উদ্যোগৰ সমস্যাৰ সমাধান | ৬৭-৬৯ |
| অধ্যায় ৪৮ | সংখ্যালঘুসকলৰ সমস্যাৰ সমাধান | ৬৯-৭০ |
| অধ্যায় ৪৯ | গোৰ্খাসকলৰ সমস্যাৰ সমাধান | ৭০ |
| অধ্যায় ৫০ | বৰাক উপত্যকাৰ জনগণৰ সমস্যা সমাধানৰ বিশেষ উদ্যোগ | ৭১-৭২ |
| অধ্যায় ৫১ | বিশেষভাৱে সক্ষম নাগৰিকসকলৰ সমস্যাসমূহ সমাধান | ৭২ |
| অধ্যায় ৫২ | নাৰীৰ প্ৰতি ন্যায় | ৭২-৭৩ |
| অধ্যায় ৫৩ | ব্যৱসায়ী, বৃত্তিজীৱী, গাড়ীচালক, ৰিক্সাৱালা, ঠেলাৱালা, মিস্ত্ৰি আদিৰ কল্যাণ | ৭৩-৭৪ |
| অধ্যায় ৫৪ | আন্তঃৰাজ্যিক সীমা সমস্যাৰ সমাধান | ৭৪ |
| অধ্যায় ৫৫ | কেন্দ্ৰীয় চৰকাৰৰ বিভাগ/প্ৰতিষ্ঠান/কোম্পানী আৰু ব্যক্তিখণ্ডৰ দায়বদ্ধতা | ৭৪-৭৫ |
| অধ্যায় ৫৬ | তথ্য প্ৰযুক্তি | ৭৫ |
| অধ্যায় ৫৭ | অন্ধবিশ্বাস নিৰ্মূল আৰু বিজ্ঞান মনষ্কতা গঢ়ি তোলা | ৭৫-৭৬ |
| অধ্যায় ৫৮ | জাবৰ নিষ্কাষণ | ৭৬ |
| অধ্যায় ৫৯ | নতুন নীতি আৰু আইন প্ৰণয়ন | ৭৬-৭৭ |
| অধ্যায় ৬০ | আমি নকৰিবলগীয়া কিছুমান বিশেষ কাম | ৭৭-৭৮ |

# ভাৰতৰ সংবিধান

## প্ৰস্তাৱনা

আমি ভাৰতৰ জনগণে ভাৰতক এখন
সাৰ্বভৌম সমাজবাদী ধৰ্মনিৰপেক্ষ
গণতান্ত্ৰিক গণৰাজ্য ৰূপে গঠন
কৰিবলৈ, তথা ইয়াৰ সকলো নাগৰিকৰ
বাবে ঃ
সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক
ন্যায়;
চিন্তা, অভিব্যক্তি, বিশ্বাস, ধৰ্ম আৰু
উপাসনাৰ স্বাধীনতা;
প্ৰতিষ্ঠা আৰু সুযোগৰ সমতা
লাভ কৰিবলৈ;
আৰু তেওঁলোকৰ সকলোৰে মাজত-
ব্যক্তিৰ মৰ্যাদা তথা জাতীয় ঐক্য আৰু
সংহতি সুনিশ্চিতকাৰী ভাতৃভাৱ
বৃদ্ধি কৰিবলৈ
নিষ্ঠা সহকাৰে সংকল্প কৰি-
আমাৰ এই সংবিধান সভাত
আজি ১৯৪৯ চনৰ নৱেম্বৰ মাহৰ
ষষ্ঠবিংশ দিৱসত ইয়াৰ দ্বাৰা
এই সংবিধান গ্ৰহণ কৰিছোঁ,
অধিনিয়মিত কৰিছোঁ আৰু
নিজতে অৰ্পণ কৰিছোঁ।

# ‘ৰাইজৰ দল’ৰ লক্ষ্য-উদ্দেশ্য

**উদ্দেশ্য ঃ**

১) ‘ৰাইজৰ দল’এ আইনৰ দ্বাৰা প্ৰতিস্থাপিত ভাৰতৰ সংবিধানৰ প্ৰতি প্ৰকৃত বিশ্বাস আৰু আনুগত্য বহন কৰিব আৰু সংবিধানৰ সমাজবাদী, ধৰ্মনিৰপেক্ষ আৰু গণতান্ত্ৰিক আদৰ্শক মানি চলিব আৰু ভাৰতবৰ্ষৰ সাৰ্বভৌমত্ব, ঐক্য আৰু অখণ্ডতাক ঊৰ্দ্ধত তুলি ধৰিব।

২) ভাৰতৰ সংবিধানৰ যুক্তৰাষ্ট্ৰীয় আৰ্হিক অধিক কাৰ্যক্ষম ধৰণে প্ৰয়োগ কৰা আৰু দেশখনক অধিক ফেডাৰেল ভিত্তিত গঠন কৰি ক্ষমতা বিকেন্দ্ৰীকৰণৰ দিশে অধিক আগবঢ়াই নিয়াৰ বাবে সংগ্ৰাম গঢ়ি তোলা।

৩) ৰাজ্যসমূহৰ সাংবিধানিক ক্ষমতাক বিলুপ্ত কৰিবলৈ আৰু হ্ৰাস কৰিবলৈ কৰা সকলো প্ৰচেষ্টাক প্ৰতিৰোধ কৰা আৰু তাৰ বাবে অন্যান্য ৰাজ্যসমূহৰ লগত ঐক্যবদ্ধভাৱে কাম কৰা।

৪) বিভিন্ন ৰাষ্ট্ৰীয় ৰাজনৈতিক দলৰ কাৰ্যৰ দ্বাৰা দ্ৰুতগতিত আগ্ৰাসী ৰূপ লোৱা অতিকেন্দ্ৰিক ৰাষ্ট্ৰ ব্যৱস্থা তথা সাম্প্ৰদায়িক ফেচিবাদৰ হাতত বিপন্ন হোৱা অসমবাসীৰ পৰিচয় আৰু স্বাৰ্থক সুৰক্ষা দিয়া।

৫) অসমবাসীৰ আত্মনিয়ন্ত্ৰণৰ আশা-আকাংক্ষাক আগবঢ়াই নিয়া। অসমৰ বাবে সাংবিধানিক বিশেষ ৰাজ্যৰ মৰ্যাদা লাভৰ বাবে সংগ্ৰাম কৰা। ভাৰতৰ সংবিধানৰ ৩৭১ক অনুচ্ছেদ অনুসৰি অসমৰ বাবে বিশেষ ৰাজ্যৰ মৰ্যাদা কাঢ়ি আনিবলৈ অংগীকাৰবদ্ধ হোৱা।

৬) অসম চুক্তি অনুসৰি বিদেশীমুক্ত অসম গঢ়ি তোলা।

৭) অসমবাসীৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক, ভাষিক, ঐতিহ্যৰ সুৰক্ষাৰ বাবে সাংবিধানিক, বিধায়িনী আৰু প্ৰশাসনিক সুৰক্ষা কৱচ নিশ্চিত কৰা।

৮) সামগ্ৰিক জাতীয় স্বাৰ্থ অক্ষুণ্ণ ৰাখি অসমৰ বিভিন্ন জনজাতি আৰু জনগোষ্ঠীসমূহৰ স্বাধিকাৰৰ আকাংক্ষাক যথাযোগ্যভাৱে আগবঢ়াই নিবলৈ ক্ষমতাৰ সৰ্বোচ্চ বিকেন্দ্ৰীকৰণ কৰা।

৯) অসমৰ সমাজ জীৱনৰ জাতীয়, জনগোষ্ঠীয়, ভাষিক, ধৰ্মীয় আৰু সাংস্কৃতিক বৈচিত্ৰ্যক উপযুক্ত মৰ্যাদা দি সকলোৰে মাজত যথোপযুক্ত ভাতৃত্ববোধেৰে ৰাজ্যখনৰ সকলো জাতি-জনগোষ্ঠী-বৰ্ণ-ভাষা-ধৰ্মৰ মানুহৰ সমমৰ্যাদা, সমঅধিকাৰ, সমউন্নয়ন তথা সমবিকাশৰ বাবে কাম কৰা।

১০) অসমৰ সম্পদসমূহ সুব্যৱহাৰ কৰি, জৈৱ-বৈচিত্ৰ্য তথা পৰিৱেশতন্ত্ৰক সুৰক্ষিত কৰি, আমাৰ মাটি, পানী আৰু অন্যান্য অৰ্থনৈতিক-সামাজিক-সাংস্কৃতিক সম্পদক লৈ উন্নয়নৰ এক বিকল্প আৰ্হিৰে অসমীয়া জাতিক বিশ্বৰ ভিতৰতে এক সমৃদ্ধিশালী জাতিত পৰিণত কৰাৰ সপোন বাস্তৱায়িত কৰা আৰু অসমৰ প্ৰতিজন নাগৰিকৰ মৌলিক প্ৰয়োজনসমূহ পূৰণ কৰি, দৰিদ্ৰতা নিৰ্মূল কৰি আগুৱাই নিয়া।

১১) সামন্তীয় উৎপাদন ব্যৱস্থাৰ পৰিৱৰ্তন ঘটাই অসমৰ পথাৰসমূহ বছৰৰ সকলো সময়তে খেতি কৰা পথাৰলৈ পৰিণত কৰি, তাৰ বাবে আন্তঃগাঁথনি তৈয়াৰ কৰি, ব্যৱসায়িক আৰু পেচাদাৰী উৎপাদন কৰি, অসমৰ কৃষি ব্যৱস্থাৰ বৈপ্লৱিক পৰিৱৰ্তন কৰা। থলুৱা উৎপাদনৰ ওপৰত ভিত্তি কৰি, স্থানীয় পুঁজি আৰু চৰকাৰী পুঁজিৰ সঠিক ব্যৱহাৰ কৰি উন্নয়নৰ এক বিকল্প আৰ্হিৰে এক জাতীয় উদ্যোগমালা গঢ়ি তোলা। অসমত এক সবল জাতীয় অৰ্থনীতিৰ বুনিয়াদ গঢ়ি তোলা।

১২) কৃষি, শিক্ষা তথা স্বাস্থ্য খণ্ডত সৰ্বাধিক মনোযোগ দিয়া আৰু সৰ্বাধিক ধন ব্যয় কৰি এক সমৃদ্ধ, শিক্ষিত আৰু সুস্বাস্থ্যবান জাতি হিচাপে অসমবাসীক গঢ়ি তোলা।

১৩) গ্ৰাম স্বৰাজ প্ৰতিষ্ঠা কৰা।

১৪) থলুৱা অসমবাসীৰ নেতৃত্বত বিকশিত অসম, যিখন অসমত ইয়াৰ সকলো নাগৰিকৰ বাবে সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ন্যায় প্ৰদান কৰা হ'ব।

১৫) অন্ধবিশ্বাসমুক্ত, কুসংস্কাৰমুক্ত, সাম্প্ৰদায়িকতামুক্ত, বিজ্ঞানমনষ্ক চিন্তাৰে এক সমৃদ্ধ, শিক্ষিত আৰু সুস্বাস্থ্যবান অসমীয়া জাতি গঢ়ি তোলা।

ৰাজনৈতিকভাৱে ফেডাৰেল, অৰ্থনৈতিকভাৱে আত্মনিৰ্ভৰ, সামাজিকভাৱে সকলোকে সামৰি লোৱা (inclusive) আৰু মানসিকভাৱে বিজ্ঞানসন্মত— এই পথেৰে দৃঢ়তাৰে আগুৱাই যোৱাটোৱে আমাৰ জাতীয় স্বপ্ন।

**লক্ষ্য ঃ** আমাৰ লক্ষ্য হ'ল, সাৰ্বভৌম, সমাজবাদী, ধৰ্মনিৰপেক্ষ, গণতান্ত্ৰিক, ফেডাৰেল ভাৰতৰ ভিতৰত ক্ষমতাৰ পূৰ্ণ পৰ্যায়ৰ বিকেন্দ্ৰীকৰণৰ জৰিয়তে থলুৱা জনজাতি-জনগোষ্ঠীসমূহলৈ প্ৰকৃত স্বশাসনৰ অধিকাৰ প্ৰদান কৰা, গাঁও পৰ্যন্ত ক্ষমতাৰ বিকেন্দ্ৰীকৰণেৰে অসমৰ প্ৰতিজন নাগৰিকৰ প্ৰতিভাৰ পূৰ্ণ বিকাশ হ'ব পৰা সমৃদ্ধিশালী অসম এখন গঢ়ি তোলা।

**কৰ্মপন্থা ঃ**

'ৰাইজৰ দল' অসমৰ ৰাইজৰ স্বাৰ্থ ৰক্ষাকাৰী এটা প্ৰগতিশীল জাতীয়তাবাদী আঞ্চলিক ৰাজনৈতিক দল। আমাৰ দলে নিৰ্বাচনত অংশগ্ৰহণ কৰি চৰকাৰ গঠন কৰি অথবা গঠনমূলক বিৰোধীৰ ভূমিকাৰে অসমৰ দীৰ্ঘদিনীয়া সমস্যাসমূহ সমাধান কৰিবলৈ যত্নবান হ'ব। তদুপৰি অসমৰ পৰিচয় আৰু স্বাৰ্থ ৰক্ষাৰ বাবে প্ৰয়োজন সাপেক্ষে ঐক্যবদ্ধ, শান্তিপূৰ্ণ, গণতান্ত্ৰিক, জাতীয় ৰাজনৈতিক সংগ্ৰাম গঢ়ি তুলিব। এই জাতীয় ৰাজনৈতিক সংগ্ৰামখনত যাতে অসমৰ সকলো জাতি-ধৰ্ম-বৰ্ণ-ভাষাৰ জনগণে অংশগ্ৰহণ কৰিব পাৰে তাৰ বাবে সকলোকে ঐক্যবদ্ধ কৰাৰ উদ্যোগ লোৱা হ'ব। আমাৰ দলে অসম আৰু অসমবাসীৰ স্বাৰ্থৰ বিপৰীতে কেন্দ্ৰীয় চৰকাৰে জাপি দিয়া সকলোবোৰ অগণতান্ত্ৰিক সিদ্ধান্তৰ বিৰোধিতা কৰি সেইবোৰৰ প্ৰত্যাহাৰৰ বাবে সংগ্ৰাম চলাই যাব। 'ৰাইজৰ দল'এ যিকোনো পৰিস্থিতিতে কোনো ধৰণৰ হিংসাত্মক কাৰ্যত উচতনি নিদিয়ে, পৃষ্ঠপোষকতা নকৰে বা অংশগ্ৰহণ নকৰে।

# পাতনি

এক নিজস্ব গৌৰৱময় ইতিহাস লৈ অসম ভাৰতৰ অংগৰাজ্য। ভাৰতৰ স্বাধীনতা সংগ্ৰামে সকলো ভাৰতীয়কে একেলগ কৰিলে। নিজস্ব সকলো বৈশিষ্ট্য লগত লৈও আমি বৈচিত্ৰ্যৰ মাজত একতাৰে এক ভাৰতীয় জাতিত পৰিণত হ'লো। সেইবাবে ভাৰতীয় সংবিধানৰ এক একক যুক্তৰাষ্ট্ৰীয় চৰিত্ৰ আছে। সংবিধানৰ সেই যুক্তৰাষ্ট্ৰীয় প্ৰতিশ্ৰুতিয়ে ভাৰতৰ জাতিসমূহক একত্ৰিত কৰি ৰাখিছে। কিন্তু দিনে দিনে ভাৰতীয় সংবিধানৰ ফেডাৰেল গাঁথনিলৈ আহিছে প্ৰত্যাহ্বান, শাসকৰ একাংশই আমাৰ সংবিধানৰ মূল সুৰটোকে বিনষ্ট কৰি পেলাব খুজিছে। সেইবাবে বিভিন্ন জাতি আৰু জাতিসত্তাবিলাকৰ মাজত অসন্তুষ্টিয়ে দেখা দিছে। সৰ্বভাৰতীয় দলবোৰে সেই অসন্তুষ্টিক মুঠেও গুৰুত্ব দিয়া নাই। তেওঁলোকে বৰং দিনে দিনে ৰাষ্ট্ৰক অধিক এককেন্দ্ৰিক, স্বৈৰতান্ত্ৰিক, বৰ্ণবাদী, সাম্প্ৰদায়িক আৰু মৌলবাদী প্ৰৱণতাৰ পিনে আগবঢ়াই নিছে। জনগণ দিনে দিনে ক্ষোভিত হৈ পৰিছে। এনেকুৱা পৰিস্থিতিত এক সাৰ্বভৌম, সমাজবাদী, ধৰ্মনিৰপেক্ষ, গণতান্ত্ৰিক প্ৰজাতন্ত্ৰৰ আদৰ্শক অধিক সাকাৰ কৰিবলৈ, ভাৰতৰ গণতান্ত্ৰিক ব্যৱস্থাটোৰ ভিতৰতে অসমীয়া জাতিৰ আৰু জনগণৰ সৰ্বোচ্চ বিকাশৰ সংকল্প লৈ আমি এই দল গঠন কৰিছো আৰু তলৰ কৰ্মসূচীখন গ্ৰহণ কৰিছো।

আমাৰ জাতীয় গীতিকাৰ আৰু কণ্ঠশিল্পী ড° ভূপেন হাজৰিকাই গাই গৈছে —

নানা জাতি-উপজাতি
ৰহণীয়া কৃষ্টি
আকোঁৱালি লৈ হৈছিল সৃষ্টি
এই মোৰ অসম দেশ
বিভেদ পৰিহৰি, নিজ হাতে শ্ৰম কৰি
দেশক নগঢ়িলে
এই দেশ হ'ব নিঃশেষ
আৰু মনবোৰো ভাগি-ছিঙি যাব
আজিৰ অসমীয়াই নিজক নবচালে
অসমতে মগনীয়া হ'ব।

নিজৰ মাতৃভূমিতে মগনীয়াত পৰিণত নহ'বলৈ বিভেদ পৰিহৰি নিজহাতে শ্ৰম কৰি ৰাজ্যখনক গঢ়াৰ সংকল্পৰে আমাৰ এই যাত্ৰা। আমি অসমক নতুন আৰু একক ৰূপত গঢ়িবলৈ সংকল্পবদ্ধ হৈছো। অসমবাসী প্ৰতিজন নাগৰিকক জীৱন জীৱিকাৰ নিৰাপত্তাৰ নিশ্চয়তা প্ৰদান আৰু সকলো মানৱীয় প্ৰতিভাৰ পূৰ্ণ বিকাশৰ বাবে কাম কৰিবলৈকে এই দলৰ জন্ম দিয়া হৈছে। আমাৰ কৰ্মভূমি হ'ব অসম। আমি এক আঞ্চলিক দল ৰূপে নিজকে ঘোষণা কৰো আৰু অসমৰ পৰিচয় তথা অসমবাসীৰ স্বাৰ্থ ৰক্ষাৰ ক্ষেত্ৰত এক আপোচবিহীন আঞ্চলিক দল ৰূপে কাম কৰি যাবলৈ সংকল্পবদ্ধ হওঁ।

# সভাপতিৰ বক্তব্য

'আমাৰ সপোনৰ অসমখন' লিখি উলিয়াইছো কাৰাগাৰৰ ভিতৰত। ২০১৯ চনৰ ১২ ডিচেম্বৰত মোক 'নাগৰিকত্ব (সংশোধনী) আইন, ২০১৯' বা 'কা'ৰ বিৰুদ্ধে কৰা আন্দোলনৰ বাবে যোৰহাটত পুলিচে গ্ৰেপ্তাৰ কৰিছিল। যোৰহাট কাৰাগাৰৰ পৰা ৰাষ্ট্ৰীয় অনুসন্ধানকাৰী সংস্থা (NIA)ই গ্ৰেপ্তাৰ কৰে। ১০ দিন 'এনআইএ'ৰ জিম্মাত থকাৰ পাছত পুনৰ ন্যায়িক জিম্মাত দিয়া হ'ল। গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰ, শিৱসাগৰ জিলা কাৰাগাৰ, ডিব্ৰুগড় কেন্দ্ৰীয় কাৰাগাৰ, পুনৰ গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰৰ আবাসী হ'লো। ইউএ (পি)এ নামৰ ক'লা আইনখনৰ অধীনত বন্দী হোৱা বাবে, এনআইএৰ দ্বাৰা গ্ৰেপ্তাৰ হোৱা বাবে আৰু চৰকাৰে ইটোৰ পাছত সিটো গোচৰ জাপি দিয়া বাবে মোৰ বন্দিত্ব অতি দীঘলীয়া হৈ পৰিল। 'কেব' বা 'কা'ৰ বিৰুদ্ধে অসমত যি অভূতপূৰ্ব জাতীয় জাগৰণ হৈছিল, সেই জাগৰণক সম্পূৰ্ণ নিৰ্মূল কৰাৰ উদ্দেশ্যেই মোক আৰু অনেক আন্দোলনকাৰীক গ্ৰেপ্তাৰ কৰা হৈছিল। অৱশ্যে মোকহে এনেকৈ অন্যায়ভাৱে দীৰ্ঘদিন বন্দী কৰি ৰখা হৈছে। সি যি কি নহওক, কাৰাগাৰৰ ভিতৰত দীঘলীয়া সময় অতিবাহিত কৰিবলগীয়া হোৱা বাবে কিছুমান কাম কৰাৰ সিদ্ধান্ত ল'লো। সেই সিদ্ধান্তৰে পৰিণতি হ'ল 'আমাৰ সপোনৰ অসমখন' বা 'অসমবাসীৰ জাতীয় কৰ্মসূচী'।

'আমাৰ সপোনৰ অসমখন' মূলতঃ আমাৰ দীৰ্ঘদিনীয়া সংগ্ৰামী জীৱনৰ অভিজ্ঞতাখিনিৰ সাৰ সংকলন। ১৯৭৩ চন মানৰ পৰা ৰাজহুৱা বা সামাজিক কামৰ প্ৰতি আকৰ্ষিত হৈছো। ২০০২ চনৰ পৰা জনতাৰ মহাবাহুত সাঁতুৰি-নাদুৰি ডাঙৰ হৈছো। অসমৰ প্ৰতিটো কোণলৈ গৈ ৰাইজৰ দুখ-দুৰ্দশাৰ ভাগী হৈছো। ৰাইজৰ সমস্যাবোৰ গভীৰভাৱে উপলব্ধি কৰিবলৈ আৰু জনতাৰ দুৰ্দশাক হৃদয়ংগম কৰিবলৈ অনেক কিতাপ-পত্ৰৰ আশ্ৰয় লৈছো। বিভিন্ন দৰ্শনৰ গ্ৰন্থৰো সোৱাদ লৈছো। দেশৰ প্ৰখ্যাত সংগ্ৰামীসকলৰ অনেক আলোচনা সভাৰ শ্ৰোতা হৈছো বা বক্তা হৈছো। সেই আটাইবোৰ অভিজ্ঞতা আৰু পঢ়া-শুনাৰ মাধ্যমেৰে লিখি উলিয়াইছো 'অসমবাসীৰ জাতীয় কৰ্মসূচী'। এইবোৰ কথাই প্ৰমাণ কৰে যে যদিও মই লিখি উলিয়াইছো, এয়া হ'ল জাতীয় জীৱনৰ দীঘলীয়া সংগ্ৰামৰ ফচল। ইয়াত মোৰ কোনো কৃতিত্ব নাই, কেৱল সংগ্ৰামী জীৱনৰ অভিজ্ঞতাখিনিকহে লিখি উলিয়াইছো। কাৰাগাৰৰ ভিতৰত থকা অৱস্থাতে যোৱা ৯ জানুৱাৰী তাৰিখে মৰাণত অনুষ্ঠিত প্ৰথমখন অধিৱেশনত মোক 'ৰাইজৰ দল'ৰ সভাপতি ঘোষণা কৰে। সেইদিনা মোৰ জেলত থকা ১ বছৰ ৩০ দিন হৈছিল। গতিকে মই লিখি উলিওৱা 'আমাৰ সপোনৰ অসমখন' বা 'অসমবাসীৰ জাতীয় কৰ্মসূচী'খন দলৰ সম্পত্তিত পৰিণত হ'ল। যোৱা ১৮ জানুৱাৰী তাৰিখৰ 'ৰাইজৰ দল'ৰ মূল বিষয়ববীয়াসকলৰ সভাত আৰু ২৩ জানুৱাৰী, ২০২১ তাৰিখৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সভাত ইয়াক দলৰ অন্যতম দলিলৰূপে গ্ৰহণ কৰিবলৈ সিদ্ধান্ত লয়। গতিকে এতিয়া এইখন দলৰ দলিলত পৰিণত হ'ল। সেয়েহে স্পষ্ট কৰি দিওঁ— এই জাতীয় কৰ্মসূচীৰ সীমাবদ্ধতাখিনিৰ বাবে মই জগৰীয়া। যদি কোনো বিষয়ত ভুল কৰ্মসূচী প্ৰস্তুত হৈছে, তাৰ বাবে ৰাইজৰ ওচৰত মই ক্ষমাপ্ৰাৰ্থী। লগতে এইটোও কওঁ— দলৰ কৰ্মসূচীৰূপে প্ৰস্তুত কৰা বাবে স্বাভাৱিকতে সীমাবদ্ধতা ইয়াত আছে ; কাৰণ চৰকাৰ এখনে নিৰ্দিষ্ট সময়ৰ ভিতৰত কৰিব পৰা কামবোৰহে ইয়াত সন্নিৱিষ্ট হৈছে।

'অসমবাসীৰ জাতীয় কৰ্মসূচী'খন প্ৰস্তুত কৰোতে অনেকৰ পৰামৰ্শ গ্ৰহণ কৰা হৈছিল। সকলোকে কৃতজ্ঞতা জনালো। আকৌ কওঁ আচলতে এয়া সমূহীয়া জ্ঞান আৰু অভিজ্ঞতাৰ ফচল। এইখিনিতে শ্ৰীমতী প্ৰেৰণা নন্দিতা বৈষ্ণৱ নামৰ গৱেষিকা ছাত্ৰীগৰাকীৰ শলাগ ল'লো— তেওঁৰ দুটা সম্পূৰ্ণ পেৰাগ্ৰাফ— এই জাতীয় কৰ্মসূচীৰ অন্তৰ্ভুক্ত হৈছে।

অসমবাসী ৰাইজৰ হাতত 'অসমবাসীৰ জাতীয় কৰ্মসূচী'খন তুলি দিলো। আশাকৰো 'ৰাইজৰ দল'ৰ প্ৰতিজন সদস্যই দলিলখন পঢ়ি চাব আৰু নতুন অসম গঢ়াৰ কামত মনোনিৱেশ কৰিব।

**তাৰিখ ঃ** ২৬ জানুৱাৰী, ২০২১

ধন্যবাদেৰে—

**অখিল গগৈ**

সভাপতি, 'ৰাইজৰ দল'

## অধ্যায় ১

# অসমক আমি কেনেকৈ পৰিৱৰ্তন কৰিম

আমি অসমক ভাৰতৰ ভিতৰতে এখন উন্নত ৰাজ্য হিচাপে গঢ়ি তুলিব খোজো। অসমক দেশৰ ভিতৰতে এখন সন্মানীয় ৰাজ্য কৰিব খোজো। অসমক ভাৰতৰ এখন শক্তিশালী আৰু সবাতোকৈ জাকত জিলিকা ৰাজ্য কৰিব খোজো। অসমীয়া জাতিৰ এই উন্নয়নৰ যাত্ৰা ছয়টা ঘাই খুঁটাৰ ওপৰত প্ৰতিষ্ঠিত হ'ব—

**এক, অসমক বছৰটোৰ বাৰ মাহে খেতি কৰা ৰাজ্যৰূপে গঢ়ি তোলা।**

**দুই, জীৱিকাৰ নিশ্চয়তাৰে প্ৰতিজন নাগৰিকক সংস্থাপিত কৰা, য'ত নাথাকিব নিবনুৱা।**

**তিনি, এক শক্তিশালী বজাৰ ব্যৱস্থা গঢ়ি তোলা, য'ত বজাৰ সম্প্ৰসাৰিত হ'ব নিজ ৰাজ্যৰ পৰা বিদেশলৈ।**

**চাৰি, স্থানীয় সম্পদৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠিব জাতীয় উদ্যোগমালা।**

**পাঁচ, পূবৰ দুৱাৰ মেলি সমগ্ৰ দক্ষিণ পূব এছিয়াৰ বাণিজ্যৰ দুৱাৰমুখ হ'ব অসম।**

**ছয়, নানা জাতি উপজাতিৰ বিচিত্ৰ জীৱনধাৰা, ৰহনীয়া কৃষ্টি আৰু বৰ্ণাঢ্য প্ৰকৃতিৰে অসম হ'ব দেশৰ এখন অগ্ৰণী পৰ্যটন ৰাজ্য।**

আমি প্ৰতিখন গাঁও আৰু বস্তি এলেকাক একো একোটা উৎপাদন কেন্দ্ৰত পৰিণত কৰিব খোজো। কৃষি উৎপাদিত সামগ্ৰীৰ এখন নিশ্চিত আৰু নিৰ্ভৰযোগ্য বজাৰ গঢ়ি তুলিব খোজো। বাৰ মাহে কৰা কৃষি কাৰ্য, ব্যৱসায়-বাণিজ্য, থলুৱা সম্পদৰ ওপৰত ভিত্তি কৰি গঢ়ি তোলা জাতীয় উদ্যোগমালাত প্ৰতিজন নাগৰিকক সংস্থাপিত কৰিব খোজো। অসমত ওলোৱা সকলো চৰকাৰী-বেচৰকাৰী চাকৰি অসমবাসীৰ বাবে সংৰক্ষণ কৰিব খোজো। অসমৰ প্ৰতি টুকুৰা ভূমি বান আৰু খহনীয়াৰ পৰা মুক্ত কৰিব খোজো। প্ৰতিখন পথাৰত জলসিঞ্চনৰ ব্যৱস্থা কৰিব খোজো। প্ৰতিখন গাঁৱত বিশুদ্ধ খোৱাপানী যোগান ধৰিব খোজো। প্ৰতিটো পৰিয়ালৰ অনাময় ব্যৱস্থা বিচাৰো। প্ৰতিজন অসমবাসীক অন্ধবিশ্বাস, কু-সংস্কাৰমুক্ত, বিজ্ঞান মনস্ক হোৱাটো বিচাৰো। প্ৰতিজন থলুৱা অসমবাসীৰ হাতত ভূমিৰ অধিকাৰ তুলি দিব খোজো। অসমৰ ভূমি বিদেশী আৰু বহিৰাগতৰ পৰা মুক্ত হোৱাটো বিচাৰো। বিদেশীমুক্ত অসম এখন আমাক লাগিবই। এয়া আমাৰ জাতীয় সপোন। অসম পৰিচালিত হ'ব থলুৱা অসমবাসীৰ নেতৃত্বত। অসমৰ এজন বাসিন্দা একে সময়তে তিনিটা পৰিচয়েৰে গৌৰৱান্বিত হ'ব ঃ- জনগোষ্ঠীয় পৰিচয়, অসমীয়া আৰু সমান্তৰালভাৱে ভাৰতীয়। এই বৈচিত্ৰ্যক সকলোৰে মানি লোৱা, স্বীকৃতি দিয়া এক উদাৰ গণতান্ত্ৰিক সমাজ

আমাক লাগে। গোষ্ঠীসংঘাত, সাম্প্ৰদায়িক বিভেদ নহয়; জাতীয় ঐক্য আৰু সংহতিৰে ভাতৃত্ববোধ হ'ব আমাৰ পাথেয়। অসমত বসবাস কৰা কোনো নাগৰিকৰ চিন্তা, অভিব্যক্তি, বিশ্বাস, ধৰ্ম আৰু উপাসনাৰ স্বাধীনতা খৰ্ব নহ'ব। আমি স্বচ্ছ, নিকা, দুৰ্নীতিমুক্ত, পক্ষপাতমুক্ত আৰু দায়বদ্ধ প্ৰশাসন ব্যৱস্থা গঢ়ি তুলিব খোজো, যিয়ে একবিংশ শতিকাত আমাক গৰ্বিত জাতি হিচাপে আগবাঢ়ি যোৱাত অৰিহণা যোগাব। সুষম খাদ্য, প্ৰয়োজনীয় বস্ত্ৰ আৰু নিৰাপদ তথা পৰিচ্ছন্ন বাসস্থান সকলোৰে বাবে, প্ৰতিজন অসমবাসীৰ বাবে আমি নিশ্চিত কৰিব খোজো। কৃষি, শিক্ষা আৰু স্বাস্থ্য খণ্ডত সৰ্বাধিক মনোযোগ দি, সৰ্বাধিক ধন বিনিয়োগ কৰি এক সমৃদ্ধ, শিক্ষিত আৰু সুস্বাস্থ্যবান অসমীয়া জাতি আমি গঢ়ি তুলিব খোজো। উদ্যোগ, বাণিজ্য আৰু পৰ্যটন হ'ব আন তিনিটা অতি গুৰুত্বপূৰ্ণ খণ্ড। প্ৰতিজন নাগৰিকৰ আমি যতন ল'ব খোজো। প্ৰতিজনক একো একোজন মানৱ সম্পদৰূপে গঢ়িব খোজো। মানুহ হ'ব আমাৰ সৰ্বাধিক অগ্ৰগণ্য বিষয়। এখন উমাল মানৱীয় সমাজ গঢ়ি তোলাই হ'ব আমাৰ লক্ষ্য।

## অধ্যায় ২

# অসমৰ বাবে সাংবিধানিক ৰক্ষা কৱচ ঃ এটা প্ৰস্তাৱ

*অসমৰ বাবে সাংবিধানিক ৰক্ষা কৱচ প্ৰদানৰ বাবে আমি তলৰ প্ৰস্তাৱসমূহ উত্থাপন কৰো আৰু এইবোৰক কাৰ্যকৰী কৰিবলৈ আলোচনাৰ মজিয়াত চেষ্টা কৰা, ৰাজনৈতিকভাৱে সৈমান কৰোৱাৰ উপৰিও এক গণ আন্দোলন গঢ়ি তোলা, তথা হেঁচা প্ৰদানৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰক সংবিধান সংশোধনীৰ জৰিয়তে সংবিধানত অন্তৰ্ভুক্ত কৰিবলৈ দাবী জনাওঁ। এই সন্দৰ্ভত সংবিধানৰ কোন অনুচ্ছেদ সংশোধনীৰ জৰিয়তে অসমবাসীৰ মূল আৰু দীৰ্ঘদিনীয়া সমস্যাবোৰ সমাধান কৰিব পাৰি তাৰ সুনিৰ্দিষ্ট প্ৰস্তাৱ তলত দাঙি ধৰা হ'ল ঃ -*

২.১ **নাগৰিকত্ব ঃ** 'নাগৰিকত্ব' অসমীয়া জাতি আৰু অসমৰ ৰাজনীতিৰ এটা কেন্দ্ৰীয় বিষয়। ভাৰতৰ সংবিধানৰ ১১নং অনুচ্ছেদে সংসদক আইনৰ দ্বাৰা নাগৰিকত্বৰ অধিকাৰ নিয়ন্ত্ৰণৰ অনুমতি প্ৰদান কৰিছে। ভাৰতৰ সংবিধানৰ ১১নং অনুচ্ছেদত প্ৰয়োজনীয় ধাৰা অন্তৰ্ভুক্ত কৰাৰ বাবে সংশোধন কৰা হওক, যাতে অসম বিধানসভাৰ পূৰ্ব অনুমতি অবিহনে, 'আইন অনুসৰি নাগৰিকত্বৰ অধিকাৰ নিয়ন্ত্ৰণ কৰাত', নাগৰিকত্বৰ অধিগ্ৰহণ আৰু সমাপ্তিৰ বিষয়ত আৰু অসমৰ নাগৰিকত্ব সম্পৰ্কীয় অন্যান্য সকলো বিষয়ত কোনো পদক্ষেপ গ্ৰহণ কৰিব নোৱাৰে। আনহাতে বিধানসভাই সিদ্ধান্ত লোৱাৰ পূৰ্বে জনগণৰ পৰা আনুষ্ঠানিক মত গ্ৰহণ কৰাৰ ব্যৱস্থা ৰখা হওক।

২.২ **প্ৰাদেশিক সীমা (Territorial Boundary)** ঃ অসম বিধান সভাৰ পূৰ্ব অনুমোদন অবিহনে, অসমক খণ্ডিত আৰু অসমৰ ভূ-খণ্ড সালসলনি কৰি নতুন ৰাজ্য গঠন কৰা; প্ৰচলিত সীমা বা নাম,

অসমৰ পৰা ভূ-খণ্ড পৃথক কৰি নতুন ৰাজ্য গঠন; অসমৰ ভূ-খণ্ড হ্ৰাস আৰু অসমৰ সীমাৰ সালসলনি কৰাত যাতে ভাৰতৰ সংসদে কোনো পদক্ষেপ গ্ৰহণ কৰিব নোৱাৰে তাক নিশ্চিত কৰিবৰ কাৰণে ভাৰতৰ সংবিধানৰ ৩ নং অনুচ্ছেদৰ সংশোধন কৰা হওক। অসম বিধানসভাই এই সিদ্ধান্ত লোৱাৰ পূৰ্বে অসমবাসীৰ পৰা আনুষ্ঠানিক মত গ্ৰহণ কৰা হওক।

২.৩ **স্থায়ী আৱাসীৰ প্ৰমাণপত্ৰৰ বাবে বিশেষ বিধান/ব্যৱস্থা (Special Provision for Permenant Residential Certificate)** ঃ বিশেষ ব্যৱস্থা/বিধান অন্তৰ্ভূক্ত কৰিবলৈ ভাৰতৰ সংবিধানৰ অনুচ্ছেদ ১৬ (৩) সংশোধন কৰা যাতে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী (২০১৯ চনত উচ্চতম ন্যায়ালয়ৰ তত্বাৱধানত প্ৰকাশ হোৱা)ত অন্তৰ্ভূক্ত হোৱা ব্যক্তিসকল আৰু তেওঁলোকৰ উত্তৰ পুৰুষেহে কেৱল অসমত স্থায়ী আৱাসীৰ প্ৰমাণ পত্ৰ লাভ কৰিবলৈ যোগ্যতা অৰ্জন কৰে।

২.৪ **অসমৰ ৰাজ্যিক ভাষাৰ বাবে সাংবিধানিক ৰক্ষাকবচ** ঃ ভাৰতীয় সংবিধানৰ অনুচ্ছেদ ৩৪৭ত যিয়ে সন্নিবিষ্ট নহওক লাগিলে, (ৰাজ্যৰ জনগণৰ এটা অংশৰ দ্বাৰা যি ভাষা কোৱা হৈছে আৰু দাবী কৰা হৈছে, সেই ভাষাৰ সম্পৰ্কত, ৰাষ্ট্ৰপতি, তেওঁ সন্তুষ্ট হ'লে যিকোনো ৰাজ্যৰ সৰহসংখ্যক জনসংখ্যাৰ দ্বাৰা কথিত কোনো ভাষা ব্যৱহাৰৰ ইচ্ছা পোষণ কৰিব পাৰে; সমগ্ৰ ৰাজ্য বা ইয়াৰ কোনো নিৰ্দিষ্ট অংশত এইধৰণৰ উদ্দেশ্যৰ কাৰণে তেওঁ নিৰ্দিষ্ট কৰিব পাৰে।) অসম বিধানসভাৰ পূৰ্ব অনুমোদন অবিহনে ভাৰতৰ ৰাষ্ট্ৰপতিয়ে অসমৰ ৰাজ্যিক ভাষাৰ সালসলনিৰ কোনো পদক্ষেপ গ্ৰহণ নকৰাৰ প্ৰস্তাৱ লোৱা হওক। অসম বিধানসভাই অনুমোদনৰ পূৰ্বে ৰাজ্যখনৰ জনগণৰ মতামত ল'ব।

২.৫ **অসমৰ বাবে বিশেষ ব্যৱস্থা ঃ**

ক) ভূমি।

খ) প্ৰাকৃতিক সম্পদসমূহ।

গ) বিধানসভা আৰু সংসদৰ আসন সংৰক্ষণ।

ঘ) অসমৰ চাকৰি সংৰক্ষণ (সকলো চৰকাৰী, অৰ্ধচৰকাৰী আৰু বেচৰকাৰী চাকৰি)।

এই বিষয়সমূহত সাংবিধানিক ৰক্ষাকৱচ নিশ্চিত কৰিবলৈ ভাৰতৰ সংবিধানৰ অনুচ্ছেদ ৩৭১Bত তলত উল্লেখ কৰা ব্যৱস্থাসমূহ সন্নিৱিষ্ট কৰা হওক ঃ —

২.৫.১ **অনুচ্ছেদ ৩৭১B ঃ অসমৰ কাৰণে বিশেষ ব্যৱস্থা/মৰ্যাদা ঃ** এই সংবিধানত যি কথাই নাথাকক লাগিলে, অন্তৰ্ভূক্তি স্বত্বেও,

২.৫.১.১ অসম বিধান সভাৰ প্ৰস্তাৱ অবিহনে ভূমিৰ মালিকীস্বত্ব আৰু হস্তান্তৰকৰণ আৰু ইয়াৰ সম্পদসমূহ (খনিজ সম্পদ, জলসম্পদ আৰু অন্যান্য সম্পদ) সম্পৰ্কীয় সংসদৰ কোনো আইন অসমত প্ৰযোজ্য নহ'ব। **[প্ৰসংগ ঃ যথাক্ৰমে নাগালেণ্ড আৰু মিজোৰামৰ বাবে প্ৰযোজ্য অনুচ্ছেদ ৩৭১A আৰু ৩৭১G]**

২.৫.১.২ অসমৰ ৰাজ্যপালে ভূমিৰ মালিকীস্বত্ব আৰু হস্তান্তৰকৰণ সন্দৰ্ভত বিশেষ আইন তৈয়াৰ কৰিব, যি মালিকীস্বত্ব আৰু হস্তান্তৰকৰণ সেইসকলৰ বাবে সীমাবদ্ধ হ'ব, যাৰ নাম ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত (উচ্চতম ন্যায়ালয়ৰ তত্বাৱধানত ২০১৯ত প্ৰকাশিত) অন্তৰ্ভুক্ত হৈছে আৰু এই সুবিধা তেওঁলোকৰ উত্তৰ পুৰুষেও পাব।

২.৫.১.৩ অসমৰ থলুৱা মানুহৰ, যাৰ নাম ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী (১৯৫১ চনত প্ৰকাশিত)ত অথবা ১৯৫১ চনৰ লোকপিয়ল অথবা ১৯৫১ চনৰ ভোটাৰ তালিকাত অথবা যাৰ ১৯৫১ চনৰ পূৰ্বৰ যিকোনো বৈধ নথি আছে; তেওঁলোকৰ উত্তৰ পুৰুষসকলৰ অধিকাৰ আৰু স্বাৰ্থ ৰক্ষা কৰাৰ উদ্দেশ্যে, সংসদে অসমৰ বিধানসভা আৰু সংসদৰ নিৰ্দিষ্ট পৰিমাণৰ আসন আৱণ্টন কৰিবৰ কাৰণে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব পাৰে আৰু যিটো অসমৰ সেইসকল উল্লিখিত নাগৰিকৰ কাৰণে সংৰক্ষিত হ'ব আৰু বিধান সভাৰ আৰু সংসদীয় সমষ্টিসমূহৰ সীমা পুনৰ নিৰ্ধাৰণৰ ব্যৱস্থা কৰা, য'ৰ পৰা এনে বৈধ নথি থকা প্ৰাৰ্থীয়েহে কেৱল অসম বিধানসভাৰ বা সংসদীয় নিৰ্বাচনত থিয় হ'ব পাৰিব।

**[প্ৰসংগ ঃ ছিকিমৰ বাবে প্ৰযোজ্য অনুচ্ছেদ ৩৭১F ৰ ধাৰা (f)]**

২.৫.১.৪ ৰাষ্ট্ৰপতিয়ে, অসম সম্বন্ধীয় নিৰ্দেশনাৰ যোগেদি ৰাজ্যপালক বিশেষ দায়িত্ব অৰ্পণ কৰিব পাৰিব পাৰে— এটা নিৰ্দেশনা দিব পাৰে— (ক) অসমৰ ছাত্ৰ-ছাত্ৰীসকল, যি জন্মসূত্ৰে বা বাসস্থানসূত্ৰে অসমৰ, তেওঁলোকৰ বাবে অসমৰ সকলো কেন্দ্ৰীয় আৰু ৰাজ্যিক শৈক্ষিক, বৃত্তিমূলক প্ৰশিক্ষণ প্ৰতিষ্ঠানসমূহত গৰিষ্ঠ সংখ্যক পদ সংৰক্ষণ কৰা। (খ) কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ আৰু ভাৰত চৰকাৰ আৰু অসমৰ ৰাজ্যিক চৰকাৰৰ অধীনষ্ঠ সংগঠন বা প্ৰতিষ্ঠানত, পদ আৰু কিছু শ্ৰেণীৰ পদ চিনাক্ত কৰা আৰু জন্মসূত্ৰে বা বাসস্থানসূত্ৰে অসমত বাস কৰা লোকৰ বাবে এই পদসমূহৰ গৰিষ্ঠ সংখ্যক সংৰক্ষণ কৰা আৰু প্ৰত্যেক নিয়োগ অথবা পদোন্নতিৰ অথবা 'নিৰ্দেশনা'ত নিৰ্দিষ্ট কৰি দিয়া যিকোনো অন্যান্য উপায়েৰে সেইসমূহত নিয়োগৰ ব্যৱস্থা কৰা।

**[প্ৰসংগ ঃ কৰ্ণাটকৰ বাবে প্ৰযোজ্য অনুচ্ছেদ ৩৭১J ৰ ধাৰা (২)]**

২.৫.১.৫ সকলো নৃগোষ্ঠীয় সম্প্ৰদায়ৰ প্ৰতিনিধিত্বৰ বাবে ঃ ভাৰত চৰকাৰে —

(ক) ভাৰতীয় সংবিধানৰ অনুচ্ছেদ ১৬৯ অনুসৰি অসমত এখন উচ্চ সদন স্থাপন কৰিব। য'ত প্ৰতিটো জনগোষ্ঠীৰ সমান প্ৰতিনিধিত্ব থাকিব।

(খ) অসম আৰু অসমৰ নৃগোষ্ঠীসমূহৰ ভাষা, সংস্কৃতি, সাহিত্য আৰু ঐতিহ্য সংৰক্ষণ কৰিবলৈ এখন আইন প্ৰণয়ন কৰাৰ দিহা কৰিব।

*আমি ভাবো, ওপৰৰ প্ৰস্তাৱসমূহ কাৰ্যকৰীকৰণৰ দ্বাৰাহে অৰ্থাৎ ভাৰতীয় সংবিধানত এই ধাৰাবোৰ*

*(Clauses) অন্তৰ্ভুক্তিৰ জৰিয়তেহে অসমৰ বাবে ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক আৰু ভাষিক সাংবিধানিক, বিধায়িনী আৰু প্ৰশাসনিক ৰক্ষা কৱচ প্ৰদান কৰা সম্ভৱ। অসমীয়া জাতিৰ আত্মনিয়ন্ত্ৰণৰ আকাংক্ষাক সাকাৰ ৰূপ দিবলৈ ভাৰতীয় সংবিধানৰ এই সংশোধনীসমূহ অপৰিহাৰ্য।*

## অধ্যায় ৩
# বিদেশী সমস্যাৰ সমাধান আৰু অসম চুক্তি ৰূপায়ন

বিদেশী সমস্যাৰ সমাধান আৰু অসম চুক্তি ৰূপায়ন আমাৰ এক সৰ্বোচ্চ অগ্ৰাধিকাৰ ভিত্তিক কৰ্মসূচী।

৩.১ অসম চুক্তি নিৰ্দিষ্ট সময়ৰ ভিতৰত সম্পূৰ্ণ কাৰ্যকৰী কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক হেঁচা দিয়া।

৩.২ অসম চুক্তিৰ মূল আত্মাক (Spirit) সন্মান জনাই ১৯৭১ চনৰ ২৪ মাৰ্চৰ পাছৰ কোনো ধৰ্মৰ অবৈধ বিদেশীক আশ্ৰয়, প্ৰশ্ৰয়, অৱস্থান আৰু নাগৰিকত্ব ল'বলৈ দিয়া নহ'ব।

৩.৩ অসম চুক্তি অনুসৰি বিদেশী সমস্যাৰ স্থায়ী সমাধানৰ বাবে প্ৰচেষ্টা কৰা।

৩.৪ অবৈধ বিদেশীসকলক বহিষ্কাৰৰ ক্ষেত্ৰত আগভাগ লোৱা। এই ক্ষেত্ৰত ভাৰত চৰকাৰক বাংলাদেশৰ লগত প্ৰত্যৰ্পণ চুক্তি কৰিবলৈ হেঁচা দিয়া।

৩.৫ অবৈধ বিদেশী চিনাক্তকৰণৰ বাবে উচ্চতম ন্যায়ালয়ৰ প্ৰত্যক্ষ তত্ত্বাৱধানত প্ৰস্তুত কৰা ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীক আধাৰ হিচাপে গ্ৰহণ কৰা। তাৰ বাবে এন আৰ চিখন সম্পূৰ্ণ কৰা। তাৰ পাছতে ভোটাৰ তালিকাৰ পৰা বিদেশীৰ নাম কৰ্তন কৰা আৰু বহিষ্কাৰ কৰা।

৩.৬ সংবিধান বিৰোধী, সাম্প্ৰদায়িক আৰু অসম চুক্তি বিৰোধী নাগৰিকত্ব (সংশোধনী) আইন, ২০১৯ বা 'কা' ৰ বিৰোধিতা কৰা আৰু অসমত প্ৰয়োগত বাধা দিয়া।

৩.৭ অসমত ইনাৰ লাইন পাৰ্মিট ব্যৱস্থা প্ৰৱৰ্তন কৰি 'কা' কাৰ্যকৰী কৰিব নোৱাৰাৰ বাবে যত্ন কৰা।

৩.৮ অসমৰ ভাৰত-বাংলাদেশ সীমান্ত সম্পূৰ্ণৰূপে আৰু অত্যাধুনিক প্ৰযুক্তিৰে ছীল কৰিবলৈ সকলো ধৰণৰ উদ্যোগ লোৱা আৰু কেন্দ্ৰক হেঁচা দিয়া।

৩.৯ সীমান্তইদি অবৈধভাৱে যাতে কোনো নতুন বিদেশী প্ৰৱেশ কৰিব নোৱাৰে তাৰ বাবে কঠোৰতম ব্যৱস্থা কৰা। সীমান্ত নিৰাপত্তা বাহিনী (BSF) ৰ নিৰীক্ষণ কঠোৰৰ পৰা কঠোৰতম কৰাত গুৰুত্ব আৰোপ। তাৰোপৰি অসম পুলিচৰ (সীমান্ত) শাখাক সক্ৰিয় কৰা।

৩.১০ বাংলাদেশৰ লগত বিদেশী প্ৰত্যপৰ্ণ চুক্তি (Repatriation Treaty) সাধনৰ বাবে উদ্যোগ লোৱা।

## অধ্যায় ৪
# অনুসূচীত জাতি, জনজাতিসকল তথা পাহাৰীয়া জনজাতিসকলৰ সমস্যাৰ সমাধান আৰু ছয় জনগোষ্ঠীৰ জনজাতিকৰণ

৪.১ কাৰ্বি আংলং, ডিমা হাচাও আৰু বি টি এ ডিৰ সংবিধানৰ ষষ্ঠ অনুসূচীৰ অধীনৰ স্বায়ত্ত শাসিত ব্যৱস্থাক অধিক জনগণৰ কাষলৈ চপাই নিয়া। এই তিনিখন স্বায়ত্ত শাসিত পৰিষদ সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰে হোৱা চুক্তিসমূহ ৰূপায়ন কৰা।

৪.২ ষষ্ঠ অনুসূচীৰ স্বায়ত্ত শাসিত পৰিষদসমূহক সংবিধানিকভাৱে দিয়া সকলো ক্ষমতা প্ৰকৃত অৰ্থত উপভোগ কৰাৰ অধিকাৰ প্ৰদান কৰা।

৪.৩ বিত্তীয় বিশৃংখলতা দূৰ কৰি স্বায়ত্ত শাসিত পৰিষদসমূহক বিত্তীয় ক্ষমতা পূৰ্ণ ৰূপত প্ৰদান কৰা আৰু স্বচ্ছভাৱে বিত্তীয় সুবিধা লাভ কৰাৰ ব্যৱস্থা কৰা। পৰিষদসমূহৰ যোগ্যতা আৰু দায়বদ্ধতা নিশ্চিত কৰা।

৪.৪ স্বায়ত্ত শাসিত পৰিষদসমূহৰ ভিচিডিচিসমূহৰ নিৰ্বাচন অনুষ্ঠিত কৰা যাতে ক্ষমতাৰ পূৰ্ণ বিকেন্দ্ৰীকৰণ হ'ব পাৰে।

৪.৫ বিটিএডি, কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদ আৰু ডিমা হাচাও স্বায়ত্ত শাসিত পৰিষদ এলেকাত থকা অন্যান্য জনজাতি আৰু অজনজাতি লোকসকলৰ সমমৰ্যাদা অক্ষুণ্ণ ৰখা আৰু তাৰ থলুৱা বাসিন্দাসকলক ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক, ভাষিক ন্যায় প্ৰদান কৰা।

৪.৬ স্বায়ত্ত শাসিত এলেকাসমূহত থকা অজনজাতি স্থায়ী বাসিন্দাসকলৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা বিঘ্নিত হ'ব নোৱাৰা সাংবিধানিক আৰু আইনী ব্যৱস্থা গ্ৰহণ কৰা। আইন অনুসৰি ভূমিৰ ওপৰত অধিকাৰ নিশ্চিত কৰা।

৪.৭ ৰাভা, তিৱা, মিচিং, দেউৰী, ঠেঙাল কছাৰী আৰু সোণোৱাল কছাৰীসকলৰ স্বায়ত্ত শাসিত পৰিষদসমূহক অধিক ক্ষমতা প্ৰদান কৰা আৰু সেইবোৰক প্ৰকৃত স্বায়ত্ত শাসিত পৰিষদ ৰূপে কাম কৰাৰ সুযোগ দিয়া।

৪.৮ সকলো স্বায়ত্ত শাসিত পৰিষদৰ সকলো পৰ্যায়ৰ দুৰ্নীতি শেষ কৰাৰ ব্যৱস্থা কৰা। এইসমূহ পৰিষদৰো যোগ্যতা আৰু দায়বদ্ধতা নিশ্চিত কৰা।

৪.৯ জনজাতি এলেকাত অধিক বেদখল ৰোধ কৰাৰ ব্যৱস্থা কৰা।

৪.১০ গাৰো, কুকী, বেইটে, ৰাংখাল, মান, চিংফো, খামটি, মণিপুৰী, নগা, খাচী, মিজো, হাজং, ৰিয়াং, চাক্মা, মাৰ আদি জনজাতি-জনগোষ্ঠীসমূহৰ সমস্যাসমূহৰ সমাধান কৰা।

৪.১১ সকলো জনজাতিৰ ভাষা, কৃষ্টি, স্বকীয় জীৱন যাত্ৰা, পৰম্পৰা আৰু ঐতিহ্যপূৰ্ণ সম্পদৰ সুৰক্ষাৰ আইনী আৰু সাংবিধানিক সুৰক্ষা কৰচৰ ব্যৱস্থা কৰা।

৪.১২ স্বায়ত্ত শাসিত পৰিষদ এলেকা আৰু জনজাতীয় ৰাইজে বসবাস কৰা অন্যান্য এলেকাবোৰত অগ্ৰাধিকাৰ ভিত্তিত ক্ষিপ্ৰ উন্নয়ন কৰা যাতে তেওঁলোকৰ মাজত বঞ্চনাৰ অনুভৱ নাইকিয়া হয়। জনজাতিসকলৰ আন আন জাতি-জনগোষ্ঠীৰ সমাজৰ লগত সংহতকৰণ বৃদ্ধিৰ বাবে নীতি গ্ৰহণ কৰা।

৪.১৩ বৰ্তমান স্বীকৃত জনজাতিসকলৰ ক্ষতি নোহোৱাকৈ ছয় জনগোষ্ঠী, ক্ৰমে, মৰাণ, মটক, চুতীয়া, আহোম, কোচ ৰাজবংশী, আদিবাসী চাহ জনগোষ্ঠীৰ জনজাতিকৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত সঠিকভাৱে উত্থাপন কৰা আৰু কাৰ্যকৰী কৰিবলৈ সমন্বয়ৰক্ষীৰূপে নিয়োগ হোৱা। একেদৰে নাথ যোগী, মদাহীকে ধৰি অন্যান্য জনগোষ্ঠীসমূহক জনজাতিকৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰা। কলিতা জাতিৰ দাবীকো সঠিকভাৱে উপলব্ধি কৰি সমাধান কৰাৰ ব্যৱস্থা কৰা।

৪.১৪ অনুসূচীত জাতিৰ ভূমিহীন লোকসকলক ভূমি প্ৰদান কৰা।

৪.১৫ অনুসূচীত জাতি আৰু জনজাতিৰ বাবে সংৰক্ষণ ব্যৱস্থাক কঠোৰভাৱে বলবৎ কৰা। অনুসূচীত জাতিৰ লোকসকল বসবাস কৰা এলেকাবোৰ ক্ষিপ্ৰতাৰে উন্নয়ন কৰা যাতে অনুসূচীত জাতি আৰু জনজাতিৰ লোকসকলে বৈষম্য অনুভৱ নকৰে।

৪.১৬ বিভিন্ন জনগোষ্ঠীৰ বাবে গঠিত উন্নয়ন পৰিষদসমূহক আইনগতভাৱে অধিকাৰ প্ৰদান কৰি পূৰ্ণাংগ ৰূপত কাম-কাজ কৰাৰ সুযোগ দিয়া।

৪.১৭ অসমৰ সকলো জনগোষ্ঠীৰ সম প্ৰতিনিধিত্বৰে অসমত উচ্চ সদন গঠনৰ বাবে ভাৰত চৰকাৰক হেঁচা দিয়া।

৪.১৮ অসমত ইনাৰ লাইন পাৰ্মিট ব্যৱস্থা প্ৰৱৰ্তনৰ বাবে কেন্দ্ৰীয় চৰকাৰক হেঁচা দিয়া।

৪.১৯ অসমৰ সৰু-বৰ সকলো জাতি-জনগোষ্ঠী-জনজাতিৰ সামাজিক, ৰাজনৈতিক নেতৃবৃন্দৰ লগত আলোচনাৰ মাধ্যমেৰে প্ৰতিটো জাতি-জনগোষ্ঠীৰ জাতীয় সমস্যাসমূহৰ সমাধান কৰা।

৪.২০ বৰ্তমানৰ সংৰক্ষণ ব্যৱস্থাই সামৰি নোলোৱা উচ্চ বৰ্ণৰ লোকসকলৰ আৰ্থিকভাৱে দুৰ্বল জনগণৰ বাবে বিশেষ আঁচনি গ্ৰহণ কৰা।

আমাৰ লক্ষ্য হ'ল, সাৰ্বভৌম, সমাজবাদী, ধৰ্মনিৰপেক্ষ, গণতান্ত্ৰিক, ফেডাৰেল ভাৰতৰ ভিতৰত ক্ষমতাৰ পূৰ্ণ পৰ্যায়ৰ বিকেন্দ্ৰীকৰণৰ জৰিয়তে থলুৱা জনজাতি-জনগোষ্ঠীসমূহলৈ প্ৰকৃত স্বশাসনৰ অধিকাৰ প্ৰদান কৰা, গাঁও পৰ্যন্ত ক্ষমতাৰ বিকেন্দ্ৰীকৰণেৰে অসমৰ প্ৰতিজন নাগৰিকৰ প্ৰতিভাৰ পূৰ্ণ বিকাশ হ'ব পৰা সমৃদ্ধিশালী অসম এখন গঢ়ি তোলা।

## অধ্যায় ৫
# সু শাসন (Good Governance)

৫.১ অসমত বাস কৰা প্ৰতিজন নাগৰিকৰ বাবে সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ন্যায় প্ৰদান কৰা।

৫.২ নাগৰিকসকলক অসমৰ সকলো কাৰ্যালয়ত স্বচ্ছ-নিকা আৰু ক্ষিপ্ৰ সেৱা প্ৰদান কৰা। এক অভূতপূৰ্ব স্বচ্ছ আৰু ক্ষিপ্ৰ প্ৰশাসন সেৱা গঢ়ি তোলা।

৫.৩ সকলো চৰকাৰী কাৰ্যালয় দুৰ্নীতিমুক্ত কৰা।

৫.৪ সকলো নাগৰিককে প্ৰতিটো চৰকাৰী বিভাগে যথাসময়ত সেৱা আগবঢ়োৱা। তাৰ বাবে প্ৰতিজন চৰকাৰী বিষয়া কৰ্মচাৰীক দায়বদ্ধ কৰি এটা নীতি (policy) তৈয়াৰ কৰা। Quick Service Delivery Policy নামৰ এই নীতিয়ে নাগৰিক আৰু চাকৰিয়াল সকলোকে দায়বদ্ধ কৰিব। প্ৰতিটো বিভাগতে সময় নিৰ্দ্ধাৰিত সেৱা নিশ্চিত কৰা।

৫.৫ স্বচ্ছ-নিকা ভূমি ৰাজহ ব্যৱস্থা গঢ়ি তোলা। মাটিৰ পট্টাৰ বাবে কোনেও ঘোচ দিব নালাগিব।

৫.৬ পুলিচ সেৱা ক্ষিপ্ৰ, দুৰ্নীতিমুক্ত আৰু নিৰপেক্ষ কৰা। পুলিচৰ সকলো পৰ্যায়ৰ বিষয়া কৰ্মচাৰীৰ দৰমহা আৰু অন্যান্য সা-সুবিধাসমূহ বৃদ্ধি কৰা। যথাসময়ত পদোন্নতিৰ ব্যৱস্থা কৰা। হোমগাৰ্ডসকলক আধুনিক প্ৰশিক্ষণেৰে উপযুক্ত কৰি গঢ়ি তুলি পুলিচৰ দৰে মৰ্যাদা দিয়া। পুলিচৰ আবাসগৃহসমূহ সঠিকভাৱে নিৰ্মাণ কৰা।

৫.৭ নিকা, দুৰ্নীতিমুক্ত আৰু ক্ষিপ্ৰ পেঞ্চন সেৱাৰ ব্যৱস্থা কৰা। এবছৰৰ ভিতৰত পুৰণি সকলো পেঞ্চনৰ পৰি থকা কাম শেষ কৰা আৰু নতুন পেঞ্চনাৰসকলক সময়মতে পেঞ্চন দিয়াৰ ব্যৱস্থা কৰা।

৫.৮ জন্মৰ প্ৰমাণপত্ৰ, স্থায়ী বাসিন্দাৰ প্ৰমাণপত্ৰ (PRC), মৃত্যুৰ প্ৰমাণপত্ৰ, ড্ৰাইভিং লাইচেন্স, গাড়ীৰ পঞ্জীয়ন, ব্যৱসায়িক গাড়ীৰ পথ অনুমোদন, নগৰ পৌৰসভা, পৌৰনিগমৰ নাগৰিকৰ কামসমূহ, মাটিৰ পট্টা আদি সুনিৰ্দিষ্ট সময়ৰ ভিতৰত দিয়াৰ ব্যৱস্থা কৰা।

৫.৯ প্ৰতিখন গাঁও, পঞ্চায়ত আৰু উন্নয়ন খণ্ডত উন্নয়ন বিষয়া নিয়োগ কৰা যাতে প্ৰতিটো এলেকাৰ উন্নয়ন ক্ষিপ্ৰভাৱে হয়।

৫.১০ চৰকাৰী আঁচনি নিৰ্দিষ্ট সময়ৰ ভিতৰত ৰূপায়ন কৰা।

৫.১১ ৰাজহুৱা ধনৰ অপব্যয় ৰোধ কৰা। সকলো চৰকাৰী আঁচনিৰ সামাজিক হিচাপ পৰীক্ষা 'Social Auditing'ৰ ব্যৱস্থা কৰা।

৫.১২ জাতি-ধৰ্ম-বৰ্ণ-ভাষা নিৰ্বিশেষে প্ৰতিজন নাগৰিকে মৰ্যাদা সহকাৰে জীয়াই থকাৰ পৰিবেশ সৃষ্টি কৰা।

৫.১৩ জাতি, ধৰ্ম, বৰ্ণ, লিংগ বৈষম্যৰ প্ৰভাৱৰ পৰা পুলিচ সেৱা, প্ৰশাসনিক ব্যৱস্থা আৰু চৰকাৰ পৰিচালনা আঁতৰাই ৰখা।

৫.১৪ প্ৰতিজন নাগৰিকৰ প্ৰতি প্ৰশাসন আৰু চৰকাৰৰ গভীৰ মানৱীয় সংবেদনশীলতা গঢ়ি তোলা।

৫.১৫ সংকীৰ্ণ দলীয় ৰাজনীতিৰ পৰা প্ৰশাসন আৰু চৰকাৰক আঁতৰাই ৰখা।

৫.১৬ সকলো সাম্প্ৰদায়িক আৰু মৌলবাদী শক্তিৰ বিৰুদ্ধে শূন্য সহনশীলতা।

৫.১৭ সকলোবোৰ চৰকাৰী বিভাগৰ বাবে নিৰ্ভৰযোগ্য তথ্য সংগ্ৰহ আৰু বিশ্লেষণ কৰাৰ ব্যৱস্থা যাতে নীতি সঠিকৰূপে নিৰ্ধাৰণ কৰিব পাৰি।

৫.১৮ ৰাজ্যখনৰ জটিল বিষয়সমূহ অধ্যয়নৰ বাবে এটা স্বতন্ত্ৰ গৱেষণা সংস্থা স্থাপন কৰা।

## অধ্যায় ৬
# আইন-শৃংখলা ৰক্ষা

৬.১ সাধাৰণ আইন-শৃংখলা সংবেদনশীলতাৰে অটুত ৰাখি জনজীৱন শংকামুক্ত কৰা।

৬.২ দুৰ্নীতিমুক্ত, জন-দৰদী, সংবেদনশীল, দায়বদ্ধ আৰু আধুনিক পুলিচ সেৱা।

৬.৩ সকলো ক'লা আইনৰ প্ৰয়োগ বন্ধ কৰা, জনতাৰ ওপৰত পুলিচ আৰু সামৰিক বাহিনীৰ নিৰ্যাতন সম্পূৰ্ণ বন্ধ কৰা। জনতাৰ ওপৰত নিৰ্যাতন নহয়, গভীৰ সংবেদনশীলতা হ'ব নিৰাপত্তা বাহিনীৰ নীতি। অথচ জনবিৰোধী শক্তিবোৰক অতি ক্ষিপ্ৰ আৰু পাৰদৰ্শিতাৰে দমন কৰা।

৬.৪ সকলো সাম্প্ৰদায়িক বিষবাষ্প বিয়পোৱা কাৰ্য বন্ধ কৰা, সাম্প্ৰদায়িক সংঘাত, জনগণৰ মাজত ঐক্য-সম্প্ৰীতি বিনষ্ট কৰা কাৰ্য আৰু গোষ্ঠী-দ্বন্দ্ব কঠোৰ হাতেৰে দমন কৰা।

৬.৫ সকলো ধৰণৰ সাম্প্ৰদায়িক মৌলবাদী শক্তিৰ বিৰুদ্ধে শূন্য সহনশীলতা। হিংসা বিয়পোৱা সকলো সাম্প্ৰদায়িক, মৌলবাদী শক্তিকে নিষিদ্ধ কৰি ধৰ্মনিৰপেক্ষ বাতাবৰণ অটুত ৰখা।

৬.৬ ৰাজ্যত চলি থকা সকলো অবৈধ ছিণ্ডিকেট বন্ধ কৰি ছিণ্ডিকেট দুষ্কৃতি নিঃশেষ কৰা।

৬.৭ ৰাজ্যখনত থকা সকলো ড্ৰাগছৰ ঘাটি উৎখাত কৰি, ড্ৰাগছৰ ব্যৱসায় বন্ধ কৰি ড্ৰাগছ মুক্ত ৰাজ্যৰ বাবে প্ৰচেষ্টা কৰা।

৬.৮ মন্দিৰ-মছজিদত চুৰিকাণ্ড কঠোৰভাৱে শেষ কৰা।

## অধ্যায় ৭
# দৰিদ্ৰতা নিৰ্মূল

দৰিদ্ৰতা নিৰ্মূল কেৱল এটা শ্লোগান নহ'ব, দৰিদ্ৰতা নিৰ্মূলক আমি আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বানৰূপে গ্ৰহণ কৰিম। এই ক্ষেত্ৰত তলৰ ব্যৱস্থাসমূহ লোৱা হ'ব ঃ —

৭.১ পৰ্যায়ক্ৰমে অসমৰ প্ৰতিটো পৰিয়ালত একোটাকৈ নিয়মীয়া কৰ্মসংস্থাপন প্ৰদানৰ আঁচনি লোৱা।

৭.২ প্ৰতিটো পৰিয়ালক মূল প্ৰয়োজনসমূহ — সুষম খাদ্য, প্ৰয়োজনীয় বস্ত্ৰ, নিৰাপদ বাসস্থান, নিয়োগৰ নিশ্চয়তা বা কাম দিয়াৰ নিশ্চয়তা, বিশুদ্ধ খোৱাপানী, শিক্ষা আৰু স্বাস্থ্যৰ সুব্যৱস্থা আৰু ন্যূনতম অৱসৰ-বিনোদনৰ ব্যৱস্থা দিয়াৰ বাবে পাৰ্যমানে প্ৰচেষ্টা কৰা।

৭.৩ কৃষি, ব্যৱসায়-বাণিজ্য, থলুৱা উদ্যোগ, পৰ্যটন, সেৱা খণ্ড তথা আতিথ্য আৰু অন্যান্য কাম-কাজত অসমবাসীক জড়িত হ'বলৈ উৎসাহিত কৰি দৰিদ্ৰতা নিৰ্মূলৰ প্ৰচেষ্টা কৰা। ইয়াক এটা অভিযানৰূপে আগবঢ়াই নিয়া।

৭.৪ এম জি এন্‌ৰেগাক ব্যাপক ৰূপত কাৰ্যকৰী কৰা আৰু এন্‌ৰেগাৰ কামৰ পৰিসৰ বৃদ্ধি কৰি বিভিন্ন আন্তঃগাঁথনি তৈয়াৰ কৰা। কেন্দ্ৰীয় আঁচনিসমূহ সঠিক ৰূপত প্ৰয়োগ কৰা।

৭.৫ ৰাজ্যখনৰ শেষৰজন মানুহৰ দৰিদ্ৰতা নিৰ্মূল নোহোৱা পৰ্যন্ত দৰিদ্ৰতা নিৰ্মূল অভিযান অব্যাহত ৰখা। মুঠতে অসমক দেশৰ এখন ধনী ৰাজ্যৰূপে প্ৰতিষ্ঠা কৰা আৰু প্ৰতিজন নাগৰিকক অৱস্থাপন্ন নাগৰিকৰূপে গঢ়ি তোলা।

## অধ্যায় ৮
# দুৰ্নীতি নিৰ্মূল

৮.১ সকলো ধৰণৰ দুৰ্নীতিৰ বিৰুদ্ধে শূন্য সহনশীলতা নীতি গ্ৰহণ কৰা। অসম চৰকাৰৰ প্ৰতিটো বিভাগ, প্ৰশাসনক দুৰ্নীতিমুক্ত কৰিবলৈ অহোপুৰুষাৰ্থ কৰা। এক বিজ্ঞানসন্মত অভিযান গঢ়ি তোলা।

৮.২ সকলো ক'লা ব্যৱসায়, ছিণ্ডিকেট বন্ধৰ ব্যৱস্থা কৰা।

৮.৩ তথ্যৰ অধিকাৰ আইন, ২০০৫ আখৰে আখৰে পালন কৰা। তথ্য আয়োগক শক্তিশালী কৰা আৰু পৰি থকা আপীল আবেদনসমূহ ক্ষিপ্ৰতাৰে মীমাংসা কৰা।

৮.৪ চি আই ডি, দুৰ্নীতি আৰু তদাৰকী শাখা আদিকো তথ্যৰ অধিকাৰ আইনৰ আওতাৰ অন্তৰ্ভুক্ত কৰা।

৮.৫ অসমৰ সকলো বিভাগৰ কাম-কাজ ক্ষিপ্ৰ কৰা আৰু বিভাগবোৰ জনগণৰ প্ৰতি দায়বদ্ধ কৰা। অসমবাসীৰ ওচৰত প্ৰতিটো বিভাগ আৰু প্ৰতিজন কৰ্মচাৰী, বিষয়া, ৰাজনীতিক আৰু অন্যান্য জনসেৱকক দায়বদ্ধ আৰু জবাবদিহি কৰা। তাৰ বাবে অসম জনসেৱা অধিকাৰ আইন, ২০১২

ৰূপায়ন কৰা আৰু প্ৰয়োজনত ইয়াক সংশোধন কৰি অধিক জনপ্ৰিয় কৰা। অসমক দেশৰ আটাইতকৈ দুৰ্নীতিমুক্ত ৰাজ্যৰূপে গঢ়িবলৈ প্ৰত্যাহ্বান গ্ৰহণ কৰা।

৮.৬ অসমৰ প্ৰতিটো বিভাগ সম্পূৰ্ণ দুৰ্নীতিমুক্ত কৰাৰ অহৰহ প্ৰচেষ্টা, 'লোকপাল আইন' প্ৰয়োগ কৰা। প্ৰতিটো কাৰ্যালয়ত এজনকৈ "এণ্টি-কৰাপচন" বিষয়া নিযুক্তি দিয়া।

৮.৭ দুৰ্নীতিমুক্ত, ৰাজনৈতিক প্ৰভাৱমুক্ত পুলিচ বিভাগ গঢ়ি তোলা।

৮.৮ পঞ্চায়ত গ্ৰামোন্নয়ন, ৰাজহ বিভাগ, খাদ্য আৰু অসামৰিক যোগান বিভাগ আদিৰ দৰে জনগণৰ লগত অনবৰতে সম্পৰ্ক থকা বিভাগৰ দুৰ্নীতি তৃণমূল পৰ্যায়লৈকে নিৰ্মূল কৰাৰ বাবে বিশেষ উদ্যোগ লোৱা।

৮.৯ সকলো বিভাগক দায়বদ্ধ কৰিবলৈ বিভাগে গ্ৰহণ কৰা সকলো আঁচনিৰ সামাজিক হিচাপ পৰীক্ষণ (Social-Audit) কৰা।

৮.১০ চৰকাৰী আঁচনিসমূহ সম্পৰ্কে আৰু জনগণৰ অধিকাৰ সম্পৰ্কে ব্যাপক সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰা। মুঠতে দুৰ্নীতিমুক্ত প্ৰশাসন আৰু চৰকাৰ গঢ়ি তোলা।

### অধ্যায় ৯

## আমি যিবোৰ কাম কৰিব খোজো

৯.১ অসমক বছৰৰ বাৰ মাহে খেতিৰ ৰাজ্য ৰূপে গঢ়ি তোলা।

৯.২ ভূমি সংস্কাৰ ঃ —

(ক) যুগ যুগ ধৰি ভোগ দখলত থকা লোকসকলৰ মাটিৰ পট্টা ৫ বছৰৰ নিৰ্দিষ্ট সময় সীমাৰ ভিতৰত প্ৰদান কৰা।

(খ) ভূমিহীন থলুৱা কৃষকৰ হাতত মাটি প্ৰদান কৰা।

(গ) থলুৱা জাতি-জনগোষ্ঠীসমূহৰ মাটিৰ ওপৰত থকা অধিকাৰ অক্ষুণ্ণ ৰখাৰ ব্যৱস্থা কৰা।

(ঘ) পতিত মাটি উদ্ধাৰ কৰি কৃষি উপযোগী কৰা।

(ঙ) চৰ-চাপৰিৰ মাটিৰ জৰীপ কৰি যোগ্যসকলক পট্টা প্ৰদান কৰা। চন পৰি থকা চৰ-চাপৰিত স্থানীয় যুৱক-যুৱতীৰ দ্বাৰা ব্যাপক কৃষিকাৰ্য কৰা। নতুন নতুন চৰসমূহ বিচাৰি উলিয়াই বান-খহনীয়াপীড়িত ৰাইজক সংস্থাপিত কৰা।

(চ) ক্ষুদ্ৰ চাহ খেতিয়ক আৰু ৰবৰ খেতিয়কসকলক পট্টা প্ৰদান কৰা।

(ছ) কৃষিভূমি অন্য ক্ষেত্ৰলৈ হস্তান্তৰ বন্ধ কৰা।

(জ) অসমৰ সকলো গ্ৰাম্য ভূমিৰ খাজনা হ্ৰাস কৰা।

৯.৩ প্ৰতিডৰা পথাৰত জলসিঞ্চনৰ ব্যৱস্থা কৰা।

৯.৪ উদ্যান শস্যৰ বিশেষ খেতিৰ অভিযান আৰু সেইসমূহ উৎপাদনৰ ভিত্তিত ব্যাপক ৰূপত বজাৰ দখল, ৰপ্তানি কৰা আৰু থলুৱা উদ্যোগ স্থাপন কৰা।

৯.৫ ক্ষুদ্ৰ চাহ খেতি আৰু ৰবৰ খেতিক পৃষ্ঠপোষকতা কৰা।

৯.৬ মৎস্য উৎপাদনৰ বিশেষ ব্যৱস্থা গ্ৰহণ। থলুৱা মাছৰ ব্যাপক খেতিৰ অভিযান। একেদৰে উত্তৰ-পূৰ্বাঞ্চলৰ বজাৰ দখল কৰিব পৰাকৈ উন্নত প্ৰজাতিৰ মাছ বৈজ্ঞানিক পদ্ধতিৰে পালন কৰা। কৃষিৰ সমানে মৎস্য উৎপাদনত গুৰুত্ব প্ৰদান কৰা।

৯.৭ পশুপালনত গুৰুত্ব দিয়া আৰু গাখীৰ উৎপাদনৰ বাবে দুগ্ধ বিপ্লৱ গঢ়ি তোলা।

৯.৮ অসমৰ উৎপাদিত সামগ্ৰীৰ বজাৰৰ আন্তঃগাঁথনি গঢ়ি তোলা ঃ

(ক) অসমৰ কৃষি উৎপাদিত সামগ্ৰী এফ চি আই আৰু জেচিআই-এ ক্ৰয় কৰাটো নিশ্চিত কৰা।

(খ) কৃষি উৎপাদিত সামগ্ৰীৰ চৰকাৰী ক্ৰয় ব্যৱস্থা গঢ়ি তোলা।

(গ) চৰকাৰৰ সহযোগত স্থানীয় সংস্থা, সংগঠন, উদ্যোগী ব্যক্তিৰ দ্বাৰা বজাৰ দখল কৰা।

(ঘ) অসমৰ উৎপাদিত সামগ্ৰীৰে সৰ্বভাৰতীয় বজাৰ দখল আৰু ৰপ্তানি কৰা। ই-কৰ্মাচৰ প্লেটফৰ্ম সঠিকভাৱে ব্যৱহাৰ কৰা।

(ঙ) অসমৰ সকলো খুচুৰা বজাৰ পৰিষ্কাৰ-পৰিচ্ছন্নকৈ গঢ়ি তোলা।

(চ) উৎপাদিত কৃষি শস্যৰ সঠিক মূল্য লাভৰ বাবে সৰ্বভাৰতীয় 'মাণ্ডি'বোৰৰ দৰে পাইকাৰী বজাৰ গঢ়ি তোলা।

(ছ) কৃষি উৎপাদিত সামগ্ৰীৰ ন্যূনতম সমৰ্থন মূল্য প্ৰদানৰ ব্যৱস্থা কৰা। অসমৰ খেতিয়কৰ প্ৰতি কুইণ্টল ধান, মৰাপাট আৰু সৰিয়হত ভাৰত চৰকাৰে নিৰ্ধাৰণ কৰা ন্যূনতম সমৰ্থন মূল্য প্ৰদান কৰা।

(জ) ৰাসায়নিক সাৰ কৃষকে বজাৰৰ পৰা সৰ্বোচ্চ খুচুৰা মূল্য (MRP)ত ক্ৰয় কৰাৰ ব্যৱস্থা গঢ়ি তোলা। অতিৰিক্ত মূল্য লোৱাত কঠোৰভাৱে বাধা দিয়া।

(ঝ) হাট-বজাৰৰ মাচুল হ্ৰাস কৰা আৰু বজাৰৰ পৰা সকলো ধৰণৰ 'গুণ্ডা টেক্স' নাইকিয়া কৰা।

৯.৯ স্থানীয় উৎপাদনৰ ওপৰত ভিত্তি কৰি অসমত এলানি জাতীয় উদ্যোগ মালা গঢ়ি তোলা। চৰকাৰী আৰু স্থানীয় পুঁজিৰ ওপৰত ভিত্তি কৰি সমবায় ভিত্তিক আৰু স্থানীয় উদ্যোগীৰ দ্বাৰা কুটীৰ উদ্যোগ, অতি ক্ষুদ্ৰ উদ্যোগ, ক্ষুদ্ৰ উদ্যোগ আৰু মজলীয়া উদ্যোগ স্থাপন, সুপৰিচালনা আৰু সুপ্ৰতিষ্ঠিত হোৱাৰ বাবে বিশেষ উদ্যোগ গ্ৰহণ কৰা।

৯.১০ পথাৰ আৰু বজাৰ দখলৰ বিশেষ অভিযান ঃ

(ক) অসমক দক্ষিণ-পূব-এছিয়াৰ বাণিজ্যৰ দুৱাৰমুখ ৰূপে প্ৰতিষ্ঠাৰ আন্তৰিক প্ৰয়াস কৰা।

(খ) উত্তৰ-পূৰ্বাঞ্চলৰ শাক-পাচলি, মাছ, মাংস, কণীৰ বজাৰখন দখলৰ বাবে বিজ্ঞানসন্মতভাৱে প্ৰচুৰ উৎপাদনৰ ব্যৱস্থা কৰা তথা অসমৰ থলুৱা ব্যৱসায়ী, উদ্যোগীক যথাসাধ্য সহায় কৰা আৰু উৎপাদন আৰু বজাৰ দখলৰ চৰকাৰী প্ৰচেষ্টা চলোৱা।

(গ) এৰী, মুগা, পাট কাপোৰ উৎপাদন কৰি, উৎপাদনক উৎসাহিত কৰি, এইবোৰ অসমৰ পৰিচয় ৰূপে চিহ্নিত কৰি 'ব্ৰেণ্ড' ৰূপে প্ৰতিষ্ঠা কৰা আৰু দেশী-বিদেশী বজাৰ দখল কৰা। হস্ত-তাঁত, বস্ত্ৰ শিল্প আৰু ৰেচম উদ্যোগক নিয়োগৰ এটা সুবৃহৎ ক্ষেত্ৰৰূপে গঢ়ি তোলা। এই খণ্ডটোত প্ৰয়োজনীয় পুঁজি যোগান আৰু আন্তঃগাঁথনি নিৰ্মাণত সহযোগিতা কৰি সমৃদ্ধ কৰা।

৯.১১ পৰ্যটন উদ্যোগক অভূতপূৰ্ব ধৰণে পৃষ্ঠপোষকতাৰে পুঁজি বিনিয়োগ, আন্তঃগাঁথনি নিৰ্মাণ, ন ন পৰ্যটন ক্ষেত্ৰ মুকলিৰে দেশৰ এখন গুৰুত্বপূৰ্ণ পৰ্যটন ৰাজ্যৰূপে অসমক গঢ়িবলৈ যথাসাধ্য প্ৰচেষ্টা কৰা।

৯.১২ সেৱাখণ্ড আৰু আতিথ্য খণ্ডক বিশেষ গুৰুত্ব প্ৰদান কৰি, অসমৰ মানুহৰ সুসাংস্কৃতিক আচাৰ-আচৰণ, আতিথ্য, জনজাতীয় সৰলতাক সুব্যৱহাৰেৰে পেচাদাৰী খণ্ড এটা সাজু কৰা। এই খণ্ডত নিযুক্তিৰ এক বিপ্লৱ আনিবলৈ আৰু এই খণ্ড দুটাক প্ৰাতিষ্ঠানিক ৰূপ দিবলৈ অহোপুৰুষাৰ্থ কৰা।

৯.১৩ অসমৰ প্ৰতিটো পৰিয়ালত পৰ্যায়ক্ৰমে একোটা নিয়মীয়া কৰ্মসংস্থাপনৰ ব্যৱস্থা কৰা। অসমক নিবনুৱামুক্ত কৰাৰ বাবে সুপৰিকল্পিত অভিযান চলোৱা।

৯.১৪ শিক্ষা আৰু স্বাস্থ্য খণ্ডক সৰ্বোচ্চ অগ্ৰাধিকাৰ খণ্ড ৰূপে বিবেচনা কৰি অসমৰ শিক্ষা আৰু স্বাস্থ্য খণ্ড দুটা উন্নয়নৰ শিখৰলৈ আগবঢ়াই নিয়া। বিনামূলীয়া আৰু উৎকৃষ্ট শিক্ষা, শিক্ষাত অধিক পুঁজি ব্যয়, আন্তঃগাঁথনি নিৰ্মাণ আৰু সকলোৰে বাবে মানসম্পন্ন শিক্ষা প্ৰাপ্তি অধিকাৰত পৰিণত কৰা। চৰকাৰী বিদ্যালয়ক জনগণৰ প্ৰথম পচন্দৰ শাৰীলৈ উন্নীত কৰা। একেদৰে, স্বাস্থ্যখণ্ডতো অধিক পুঁজি ব্যয়েৰে উন্নত আন্তঃগাঁথনি নিৰ্মাণ, উন্নত সেৱা প্ৰদানৰ জৰিয়তে ৰাষ্ট্ৰীয় মানৰ স্বাস্থ্যসেৱা সুনিশ্চিত কৰা। দৰিদ্ৰতম মানুহজন পৰ্যন্ত চিকিৎসাৰ সুব্যৱস্থা কৰা।

৯.১৫ অসমত বিদ্যুৎ যোগানৰ আন্তঃগাঁথনি মজবুত কৰা। বিদ্যুৎ উৎপাদনত আত্মনিৰ্ভৰশীল হ'বলৈ দীৰ্ঘম্যাদী আঁচনি গ্ৰহণ কৰা। বিদ্যুতৰ অভাৱ আৰু নিয়মীয়া যোগানৰ অব্যৱস্থাই ৰাজ্য এখনক উন্নত ৰাজ্যলৈ উন্নীতকৰণত এটা প্ৰধান বাধাৰূপে দেখা দিয়ে। গতিকে, বিদ্যুৎ উৎপাদন আৰু বিতৰণৰ সকলো আসোঁৱাহ আঁতৰ কৰা। বিদ্যুতখণ্ডৰ দুৰ্নীতি নিৰ্মূল কৰা। প্ৰতিটো পৰিয়ালক ২৪ ঘণ্টাৰ বিজুলী যোগান নিশ্চিত কৰা আৰু বিদ্যুৎ সুলভ মূল্যত যোগান ধৰা যাতে শেষৰজন অসমবাসীয়েও বিদ্যুৎ ব্যৱহাৰ কৰিব পাৰে।

৯.১৬ ক্ৰীড়া আৰু সাংস্কৃতিক ক্ষেত্ৰখনত নতুন জোৱাৰ অনা। চৰকাৰী-বেচৰকাৰী প্ৰতিখন বিদ্যালয়ত খেল-ধেমালি আৰু শৰীৰ চৰ্চাক পাঠ্যক্ৰমৰ ভিতৰুৱা কৰা আৰু প্ৰতিখন গাঁও, প্ৰতিখন চাহ বাগিচা, প্ৰতিখন বস্তি আৰু চৰ চাপৰিত ক্ৰীড়াৰ আন্তঃগাঁথনি নিৰ্মাণৰ ব্যৱস্থা কৰা। প্ৰতিখন বিদ্যালয়তে গুৰুত্বপূৰ্ণ খেলসমূহত আৰু থলুৱা গীত-মাত-বাদ্য লোককৃষ্টিৰ চৰ্চাৰ বাবে (অস্থায়ী হ'লেও) প্ৰশিক্ষক নিয়োগ কৰা। একেদৰে ক্ৰীড়া আৰু সাংস্কৃতিক ক্ষেত্ৰত নিয়োগৰ প্ৰাতিষ্ঠানিক ৰূপ প্ৰদান কৰা।

৯.১৭ গাঁও আৰু নগৰ এলেকাত যথেষ্ট পৰিমাণে খাদ্য শস্য আৰু অন্যান্য উৎপাদিত সামগ্ৰী মজুত কৰিব পৰাকৈ ভৰাঁল ঘৰ আৰু ক'ল্ড ষ্টৰেজ নিৰ্মাণ কৰা আৰু সঠিক পৰিচালনা কৰা। প্ৰয়োজন সাপেক্ষে ক'ল্ড ষ্টৰেজত সুলভ মূল্যত বিজুলী যোগান ধৰা।

৯.১৮ প্ৰতিখন গাঁও, চাহ বাগানৰ লাইন, বস্তি, চহৰ-নগৰ, পাহাৰীয়া অঞ্চল, চৰ চাপৰিৰ প্ৰতিটো পৰিয়ালৰ বাবে পৰ্যায়ক্ৰমে বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা কৰা।

৯.১৯ অসমৰ বান আৰু খহনীয়া সমস্যাৰ এটা স্থায়ী আৰু দীৰ্ঘম্যাদী ব্যৱস্থাপনাৰ বাবে ৰাষ্ট্ৰীয় নীতি নিৰ্ধাৰকসকলৰ মনোযোগ পাবলৈ, প্ৰয়োজনীয় পুঁজি লাভ কৰিবলৈ আৰু সঠিক আঁচনি ল'বলৈ বান আৰু খহনীয়া সমস্যাক ৰাষ্ট্ৰীয় সমস্যাৰূপে ঘোষণা কৰিবলৈ উদ্যোগ গ্ৰহণ কৰা।

৯.২০ অসম-নাগালেণ্ড, অসম-অৰুণাচল, অসম-মেঘালয় আৰু অসম-মিজোৰামৰ সীমা সমস্যাৰ স্থায়ী সমাধানৰ বাবে সৰ্বতোপ্ৰকাৰে চেষ্টা কৰা, সীমান্তৰ অসমীয়াৰ জীৱন-জীৱিকাৰ নিৰাপত্তা নিশ্চিত কৰা আৰু অসমৰ দখলী ভূমি বেদখলমুক্ত কৰা।

৯.২১ অসমক ভাৰতৰ সবাতোকৈ চাফ-চিকুণ ৰাজ্যৰূপে গঢ়ি তোলা আৰু বৃক্ষ ৰোপনেৰে অসমখনক সম্পূৰ্ণ সেউজীয়া কৰি তোলা। পৰিবেশৰ প্ৰশ্নটোক এক সৰ্বাধিক গুৰুত্ব দিবলগীয়া বিষয়ত পৰিণত কৰা।

৯.২২ খেতিয়কসকলক বনৰীয়া হাতী আৰু বান্দৰৰ পৰা সুৰক্ষা প্ৰদান কৰা।

## অধ্যায় ১০
# অসমক পৰৱৰ্তী স্তৰলৈ আগুৱাই নিয়া

১০.১ কৃষি, বাণিজ্য, উদ্যোগ সকলো ক্ষেত্ৰতে অসম আৰু অসমবাসীৰ এক নতুন যাত্ৰা আৰম্ভ কৰা।

১০.২ কেৱল ঘৰৰ বাবে কৰা খেতিক উত্তৰণ ঘটাই বজাৰ দখলৰ বাবে ব্যৱসায়িক, পেচাদাৰী উৎপাদন কৰা।

১০.৩ সামন্তীয় উৎপাদন ব্যৱস্থাক ৰূপান্তৰ ঘটাই অসমৰ কৃষি ব্যৱস্থাৰ বৈপ্লৱিক পৰিৱৰ্তন কৰা। কৃষি সমবায় ব্যৱস্থা, কৃষি সঁজুলিৰ যান্ত্ৰিকীকৰণ, ক্ষুদ্ৰাতিক্ষুদ্ৰ পথাৰৰ পৰিৱৰ্তে আহল- বহল পথাৰ

ব্যৱস্থা, জলসিঞ্চনৰ ব্যৱস্থা, নদী খহনীয়া তথা বানপানীৰ বিজ্ঞানসন্মত ব্যৱস্থাপনা আৰু বিজ্ঞানসন্মত কৃষি পদ্ধতি প্ৰয়োগ কৰি অসমক বছৰৰ বাৰ মাহে খেতি কৰা ৰাজ্যলৈ উন্নীত কৰা।

১০.৪ একে সময়তে, আমাৰ বৰাক-ব্ৰহ্মপুত্ৰ উপত্যকা, পাহাৰ-ভৈয়ামৰ স্বাভাৱিক জৈৱিক কৃষি উৎপাদিত সামগ্ৰীসমূহৰ সঠিক মাৰ্কেটিং কৰি বিশ্বৰ বজাৰত সেইবোৰক জনপ্ৰিয় কৰি তোলা আৰু আমাৰ বহনক্ষম উৎপাদন পদ্ধতিকো উৎসাহিত কৰি আগুৱাই নিয়া।

১০.৫ সুসংগঠিত বজাৰ ব্যৱস্থা গঢ়ি তোলা ঃ

(ক) পাচলিৰ দৈনিক বজাৰৰ পৰা সকলো সামগ্ৰীৰ পাইকাৰী বজাৰলৈ সকলোতে স্থানীয় অসমবাসীৰ দখল সাব্যস্ত কৰা।

(খ) ফুটপাথৰ পৰা বিশাল বিশাল 'মল'লৈ থলুৱাৰ আধিপত্য প্ৰতিষ্ঠা কৰা।

(গ) ঘৰে ঘৰে ফেৰী কৰাৰ পৰা ই-কমাৰ্চলৈ অসমীয়া যুৱক-যুৱতীৰ পাৰদৰ্শিতা প্ৰদৰ্শন কৰা।

(ঘ) গ্ৰাম্য আৰু চহৰ এলেকাৰ সাপ্তাহিক বজাৰৰ পৰা ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় বজাৰলৈ আমাৰ উপস্থিতি মজবুত কৰা।

(ঙ) লাই-লফাৰ বেপাৰৰ পৰা চাহপাতৰ ৰপ্তানিলৈ— এক নতুন যুগৰ সূচনা কৰা।

(চ) উৎপাদিত সামগ্ৰীৰ সঠিক মূল্য লাভৰ ব্যৱস্থা গঢ়ি তোলা।

১০.৬ উদ্যোগীকৰণৰ এক নতুন যুগ আৰম্ভ কৰা ঃ

(ক) কুটীৰ শিল্পৰ পৰা গুৰু উদ্যোগলৈ,

(খ) পৰম্পৰাগত ঐতিহ্যমণ্ডিত শিল্প উদ্যোগৰ পৰা অত্যাধুনিক প্ৰযুক্তিলৈকে,

(গ) থলুৱা কৃষিজাত উৎপাদিত সামগ্ৰী ব্যৱহাৰ কৰা এলানি উদ্যোগৰ পৰা প'লিমাৰ উদ্যোগলৈ সকলোতে ধৈৰ্য সহকাৰে, পৰ্যায়ক্ৰমে অথচ দৃঢ়তাৰে পদক্ষেপ গ্ৰহণ কৰি অসমত জাতীয় উদ্যোগমালা গঢ়ি তোলা।

(ঘ) শক্তিখণ্ডত আত্মনিৰ্ভৰশীল হোৱাৰ পৰা ক'ল্ড ষ্টৰেজ স্থাপন কৰালৈকে উদ্যোগীকৰণৰ এক নতুন যুগৰ পাতনি মেলা।

১০.৭ বাগাড়ম্বৰ নহয়, আন্তৰিক দৃঢ়তাৰে; ওপৰুৱা প্ৰচাৰৰ বাবে নহয়, সঁচাসঁচি ৰূপান্তৰ সাধনৰ বাবে; এৰাধৰা স্বভাৱৰ পৰা পেচাদাৰিত্বলৈ; সামন্তীয় চিন্তাৰ পৰা পুঁজিবাদী নিপুণতালৈ আগবাঢ়ি যোৱাৰ এক জাতীয় চেতনা, জাতীয় জাগৰণ, এক জাতীয় উদ্যোগ গ্ৰহণ কৰা।

১০.৮ কৃষি, বাণিজ্য, উদ্যোগ, পৰ্যটন, সেৱা আৰু আতিথ্য খণ্ড সকলোতে অসমবাসীৰ এক নতুন যাত্ৰা আৰম্ভ কৰা আৰু সুপ্ৰতিষ্ঠিত হোৱা।

১০.৯ স্থলপথৰ পৰা ৰেলপথলৈ, জলপথৰ পৰা আকাশীপথলৈ, সকলোকে ব্যৱহাৰ কৰি জাতিটোৱে প্ৰগতিৰ পথত এক দৃঢ় খোজ দিবলৈ যত্নবান হোৱা।

১০.১০ গাঁৱলীয়া বাটেৰে, লুইতৰ ঘাটেৰে ......... জগত সভালৈ যোৱা।

১০.০.১ ৰাজনৈতিকভাৱে ফেডাৰেল, অৰ্থনৈতিকভাৱে আত্মনিৰ্ভৰ, সামাজিকভাৱে সকলোকে সামৰি লোৱা আৰু মানসিকভাৱে বিজ্ঞানসন্মত— এই পথেৰে দৃঢ়তাৰে আগুৱাই যোৱাটোৱে আমাৰ জাতীয় স্বপ্ন।

## অধ্যায় ১১
# প্ৰতিখন গাঁও এটা উৎপাদন কেন্দ্ৰ

১১.১ বছৰৰ সকলো সময়তে খেতি— আগতীয়া আহু আৰু বড়ো খেতিৰ গ্ৰীষ্মকালিন ধান; শালি, বাও, আহুৰ শীতকালিন খেতি; শৰৎ কালৰ নিয়মীয়া আহু; শাক-পাচলি, মাকৈ, গোমধান, মৰাপাট, কুঁহিয়াৰ, ফল-মূল, তেল জাতীয় শস্য, মাহ জাতীয় শস্য, মচলা জাতীয় শস্যৰ খেতি আদি।

১১.২ কোনো পথাৰ পৰি নাথাকিব।

১১.৩ পথাৰ পেলাই ৰাখিলে শাস্তিমূলক মাচুল বা ফাইন আৰোপ কৰা।

১১.৪ মালিকীস্বত্বৰ কোনো পৰিৱৰ্তন নোহোৱাকৈ পৰি থকা মাটিত নিজৰ গাঁৰৰ ৰাইজে খেতি কৰাৰ ব্যৱস্থা কৰা।

১১.৫ বছৰৰ বাৰ মাহে খেতিৰ বাবে গাঁৰৰ সকলো পৰিয়ালক অন্তৰ্ভুক্ত কৰি গাঁওভিত্তিক সমিতি গঠন কৰা।

১১.৬ প্ৰতিখন পথাৰত জলসিঞ্চনৰ ব্যৱস্থা কৰা।

১১.৭ প্ৰতিখন গাঁৱত ট্ৰেক্টৰ, পাৱাৰ টিলাৰ আৰু অন্যান্য কৃষি সঁজুলি যোগান ধৰা।

১১.৮ বিশেষ বিশেষ ধান, যেনে- জহা, ক'লা ধান, বৰা ধান, বাও ধানৰ খেতিৰ মণ্ডল গঢ়ি তোলা।

১১.৯ অসমৰ গাঁওবিলাকৰ উৎপাদিত শস্য জমা ৰাখিবলৈ গুদাম ঘৰ আৰু নষ্ট নোহোৱাৰ বাবে পৰ্যাপ্ত শীতল ঘৰ (Cold Storage) নিৰ্মাণ কৰা। গাঁৱত আধুনিক ধান মিল আদি স্থাপন কৰা।

১১.১০ সৰু সৰু উৎপাদন কেন্দ্ৰ স্থাপন কৰা য'ত আচাৰ, চৰবত, শুকান ফলৰ পেকেট আদি তৈয়াৰ কৰিব পাৰি।

১১.১১ হাঁহ, পাৰ, স্থানীয় কুকুৰা, গৰু, ম'হ, ছাগলী, ভেৰা আৰু স্থানীয় গাহৰি আদি পশু পালন কৰা। গাখীৰ উৎপাদনৰ বাবে উদ্যোগ গ্ৰহণ কৰা। গাখীৰ উৎপাদন এটা প্ৰধান উদ্যোগ হ'ব। উন্নত জাতৰ পশু খাদ্য উৎপাদন কৰা।

১১.১২ কেৱল কণী উৎপাদনৰ বাবে হাঁহ আৰু কুকুৰাৰ পাম তৈয়াৰ কৰা। পোৱালিৰ বাবে হেক্‌চাৰি নিৰ্মাণ কৰা।

১১.১৩ অসমত উন্নত জাতৰ গাহৰি পালনৰ এলানি কেন্দ্ৰ স্থাপন কৰা। গাহৰিৰ দানা উৎপাদন কৰা।

১১.১৪ ব্যৱসায়িকভাৱে ব্ৰয়লাৰ মুৰ্গীৰ পাম তৈয়াৰ কৰা। আমাৰ চুবুৰীয়া ৰাজ্য নাগালেণ্ড, অৰুণাচল প্ৰদেশ, মেঘালয়, মিজোৰাম আদিৰ মাংসৰ বজাৰখন দখল কৰা। মুৰ্গীৰ দানা আৰু ঔষধ উৎপাদন কৰা।

১১.১৫ বিল, পুখুৰী, দোং আদিত স্থানীয় মাছৰ উৎপাদন আৰু বিকাশ কৰা।

১১.১৬ উন্নত জাতৰ মাছ পালনৰ পৰিকল্পিত আঁচনি ৰূপায়ন কৰা। মাছৰ পোণা উৎপাদন কেন্দ্ৰ স্থাপন কৰা।

১১.১৭ অসমৰ ঘৰে ঘৰে তাঁত শাল। বিভিন্ন জাতি, জনগোষ্ঠীৰ জাতীয় সাজপাৰ তৈয়াৰৰ লগতে ব্যৱসায়িকভাৱে পোচাক তৈয়াৰ কৰাৰ কাৰখানা স্থাপন কৰা। সুলভ মূল্যত সূতা যোগান ধৰা। প্ৰতিখন গাঁৱত সামূহিক তাঁতশাল ভৱন নিৰ্মাণ কৰা। উৎপাদিত কাপোৰৰ নিশ্চিত বজাৰৰ ব্যৱস্থা কৰা।

১১.১৮ মুগা, এৰী পোহাৰ বিশেষ ব্যৱস্থা কৰা যাতে মুগা সূতা আৰু এৰী সূতা উৎপাদন কৰিব পাৰি।

১১.১৯ এৰী আৰু মুগা লেটা অসমৰ বিশেষ নৃগোষ্ঠীয় খাদ্যৰূপে প্ৰচলন কৰা।

১১.২০ সৰিয়হৰ খাটি মিঠাতেল, হালধি, জেতুকা, বনৌষধি, মছলা আদিৰ উদ্যোগ স্থাপন কৰা। প্ৰতিখন গাঁৱৰ স্থানীয় সম্পদৰ ওপৰত ভিত্তি কৰি ক্ষুদ্ৰ ক্ষুদ্ৰ ব্যৱসায়িক উদ্যোগ স্থাপন কৰা। টেঙামৰাৰ গুটিৰ পৰা জেলি তৈয়াৰ কৰা।

১১.২১ গোল নেমু, কাজি নেমু, ৰবাব আদি বিভিন্ন টেঙা, কমলা, আদা, জালুক, ভোট জলকীয়া, থেকেৰা, কচু, ঔ টেঙা আদি অসমৰ জলবায়ুৰ লগত বিশেষ সম্পৰ্ক থকা বিশেষ বিশেষ খেতিৰ ব্যৱস্থা কৰা। সৰ্বভাৰতীয় বজাৰ দখল কৰা। নেমু, ৰবাব, থেকেৰা আদিৰ ফল ৰস তৈয়াৰ কৰা।

১১.২২ অসমৰ পাহাৰীয়া এলেকাবিলাকত জৈৱিকভাৱে বিশেষ বিশেষ খাদ্য শস্য, আদা, হালধি, কচু, তিল, লং, ইলাচি, তেজপাত, ডালচেনি আৰু অন্যান্য পৰম্পৰাগত মচলা উৎপাদন কৰি ৰপ্তানিযোগ্য জৈৱিক বজাৰ গঢ়ি তোলা।

১১.২৩ নদীৰ পাৰৰ পলসুৱা মাটিত জৈৱিকভাৱে ৰঙালাও, অন্যান্য শাক-পাচলি, কচু আদিৰ খেতি কৰি এখন ৰপ্তানিযোগ্য জৈৱিক বজাৰ গঢ়ি তোলা। জৈৱিক কৃষিৰ মণ্ডল গঢ়ি তোলা।

১১.২৪ নদীৰ পাৰৰ অব্যৱহৃত বালিয়া মাটিত তৰমুজ, বাদাম আদিৰ ব্যাপক খেতি কৰা।

১১.২৫ তামোল-পাণ আৰু নাৰিকলৰ খেতি। ঘৰে ঘৰে বাঁহ খুটিত পাণ খেতি কৰা।

১১.২৬ মাটি কঠালৰ খেতি। বিশেষকৈ কাৰ্বি-আংলং আৰু উত্তৰ-কাছাৰত বিশেষ পৃষ্ঠপোষকতা কৰা। আনাৰসৰ ফলৰ ৰস তৈয়াৰ কৰা।

১১.২৭ ব্যাপকভাৱে কলৰ খেতি কৰা। বিভিন্ন খালী ঠাই, গাঁৱৰ পথৰ কাষত, ৰেল আলিৰ কাষত বা মথাউৰিৰ কাষত কল খেতি কৰা।

১১.২৮ ভীমকল আৰু কঠালৰ বেবী ফুডৰ উদ্যোগ স্থাপন কৰা আৰু বিশ্ব বজাৰ দখল কৰা। প্ৰতিঘৰত কঠাল গছ ৰোৱা। ৰাজহুৱা ঠাই, ৰাস্তা-পদুলি, পাহাৰ, খালী ঠাইত কঠাল গছ ৰোৱা। কঠাল গুটিৰ সৰ্বভাৰতীয় বজাৰ দখল কৰা।

১১.২৯ মৌ পালন কৰা।

১১.৩০ সাঁচি খেতি। সাঁচিৰ কাৰখানা স্থাপন কৰা।

১১.৩১ বাঁহ আৰু বেতৰ খেতি কৰা। বাঁহ আৰু বেতৰ উদ্যোগ স্থাপন কৰা।

১১.৩২ ঝাৰু গছৰ খেতি। ঝাৰুৰ সৰ্বভাৰতীয় বজাৰ দখল কৰা।

১১.৩৩ মৰাপাটৰ খেতি আৰু মৰাপাটৰ ক্ষুদ্ৰ উদ্যোগ স্থাপন কৰা।

১১.৩৪ গাঁৱে গাঁৱে চাউল, চিৰা, আখৈ, মুড়ি, হুৰুম, পিঠা-পনা আদিৰ উদ্যোগ গঢ়ি তোলা।

১১.৩৫ সাজপানী আৰু জনজাতিসকলৰ পৰম্পৰাগত পানীয়ৰ ব্যৱসায়ীকৰণ আৰু উদ্যোগীকৰণ কৰা।

১১.৩৬ কুঁহিয়াৰ খেতি আৰু গুৰ উৎপাদন। গুৰৰ সৰ্বভাৰতীয় বজাৰ দখল কৰা। ঠায়ে ঠায়ে সম্ভৱ হ'লে ক্ষুদ্ৰ চেনি উদ্যোগ স্থাপন কৰা।

১১.৩৭ চিত্ৰনলা, মৌ তুলসী, গুৱামুৰি বা চফ গুটি, তিল, ফুলৰ ব্যৱসায়িক কৃষি কৰা।

১১.৩৮ শিমলু তুলাৰ উৎপাদন কৰা।

১১.৩৯ গাঁৱৰ ৰাইজৰ উৎপাদিত সামগ্ৰীৰ ঘৰুৱা বজাৰ, বহিঃৰাজ্যৰ বজাৰ আৰু বিদেশী বজাৰ গঢ়ি তোলাৰ ব্যৱস্থা কৰা।

১১.৪০ ই-কৰ্মাচৰ প্লেটফৰ্ম তৈয়াৰ কৰা আৰু বিশ্বৰ বজাৰত অসমৰ গাঁৱৰ উৎপাদনক জনপ্ৰিয় কৰি তোলা।

১১.৪১ উন্নয়ন সঠিক অৰ্থত ত্বৰান্বিত কৰিবলৈ গাঁও, পঞ্চায়ত, খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত একোজনকৈ উন্নয়ন বিষয়া, যথাক্ৰমে, গাঁও উন্নয়ন বিষয়া (VDO), পঞ্চায়ত উন্নয়ন বিষয়া (PDO), আঞ্চলিক উন্নয়ন বিষয়া (RDO) নিযুক্তি দিয়া। তাৰ পাছতে জিলা পৰ্যায়ত জিলা উন্নয়ন বিষয়া (DDO) আৰু ৰাজ্যিক পৰ্যায়ত এজন অতিৰিক্ত মুখ্য সচিবক মুখ্য উন্নয়ন বিষয়া (CDO) ৰূপে নিযুক্তি দিয়া। মুঠতে চৰকাৰ, গ্ৰাম্য উন্নয়ন বিষয়া, পঞ্চায়ত, বেংক আৰু কৃষকৰ মাজত এনে এটি অনুকূল ব্যৱস্থা গঢ়ি তোলা, যি গ্ৰাম্য এলেকাৰ অৰ্থনৈতিক চেহেৰা বদলাই দিব পাৰে।

১১.৪২ মুঠতে গ্ৰাম্য উন্নয়নৰ কৰ্মযজ্ঞ গঢ়ি তোলা। অসমৰ প্ৰতি ইঞ্চি মাটিত জনগণৰ পৰিশ্ৰমী হাতৰ পৰশ পৰিব।

১১.৪৩ গঞা ৰাইজৰ উৎপাদিত সামগ্ৰী মানবিশিষ্ট কৰিবৰ বাবে আৰু পৰিষ্কাৰ-পৰিচ্ছন্ন উৎপাদন প্ৰণালীৰ বাবে সঠিক পৰিচালনাৰ ব্যৱস্থা কৰা।

১১.৪৪ গাঁৱত উৎপাদিত আটাইবোৰ সামগ্ৰীৰ বজাৰ নিশ্চিত কৰিবলৈ ব্যৱস্থা লোৱা।

১১.৪৫ গাঁওবোৰত পৰ্যায়ক্ৰমে ইণ্টাৰনেট সংযোগ কৰা। ব্ৰডবেণ্ড সংযোগৰ জৰিয়তে বহিঃবিশ্বৰ সৈতে সামাজিক, শৈক্ষিক, বাণিজ্যিকভাৱে সংযোগ কৰা।

**১১.০ গাঁও আৰু গাঁৱৰ কৰ্মযজ্ঞ পৰিচালনা ঃ**

১১.০.১ গাঁওখন আৰু গাঁওখনৰ কৰ্মযজ্ঞ পৰিচালনাৰ বাবে ৫ জনীয়া এখন সমিতি নিৰ্বাচিত হ'ব। গাঁৱৰ সকলো লোকে ভোটৰ দ্বাৰা প্ৰতিবছৰে তেওঁলোকক নিৰ্বাচিত কৰিব/মনোনীত কৰিব। তাৰে অন্ততঃ এগৰাকী মহিলা প্ৰতিনিধি হ'ব।

১১.০.২ সেই সমিতিয়ে গাঁৱৰ প্ৰতিজন মানুহে কাম(ৰ অধিকাৰ) লাভ কৰাটো নিশ্চিত কৰিব। প্ৰতিজনকে কামত জড়িত কৰাব। প্ৰতি বছৰে গাঁওবাসীৰ উৎপাদন বৃদ্ধিৰ বাবে পৰিকল্পনা কৰিব আৰু বিক্ৰীৰ নেটৱৰ্ক গঢ়ি তুলিব।

১১.০.৩ সেই সমিতিয়ে গাঁওবাসীৰ লগত লগলাগি প্ৰতিখন পথাৰ কৃষিৰ বাবে উলিয়াই দিব।

১১.০.৪ প্ৰতিটো পৰিয়ালত তাঁতশাল থকাটো নিশ্চিত কৰিব অথবা সমূহীয়া তাঁতশালত প্ৰতিগৰাকী মহিলাক তাঁত বোৱাৰ সুবিধা প্ৰদান কৰিব।

১১.০.৫ যিমানদূৰ সম্ভৱ গাঁৱৰ অৰ্থনৈতিক কাম-কাজবোৰ পৰিচালনাৰ বাবে সমবায় ধাৰণা প্ৰয়োগ কৰিব।

১১.০.৬ গাঁৱৰ সমূহীয়া ভৱন, ধৰ্মীয় স্থান তথা সাংস্কৃতিক মঞ্চ, যুৱ-সংঘ, সমূহীয়া খেলপথাৰ, গো-পথাৰ, সমূহীয়া উন্নয়ন ভৱন, সমূহীয়া উদ্যোগ নিৰ্মাণ আৰু পৰিচালনাৰ বাবে গুৰুত্ব দিব।

১১.০.৭ গাঁৱৰ সমূহীয়া ট্ৰেক্টৰ, পাৱাৰ টিলাৰ, অন্যান্য কৃষি সঁজুলি, তাঁতশালৰ সঁজুলি সকলো পৰিয়ালৰ বাবে উপযোগীকৈ ব্যৱহাৰ নিশ্চিত কৰিব।

১১.০.৮ নতুন নতুন উৎপাদনৰ বাবে পৰিকল্পনা আৰু পৰিচালনা কৰিব।

১১.০.৯ গাঁৱৰ প্ৰতিটো পৰিয়ালৰ দৰিদ্ৰতা নিৰ্মূল কৰিব আৰু নিবনুৱা সমস্যা সমাধান কৰাৰ বাবে যত্নবান হ'ব।

১১.০.১০ গাঁও উন্নয়ন বিষয়া, পঞ্চায়ত উন্নয়ন বিষয়া বা আঞ্চলিক উন্নয়ন বিষয়াৰ লগত সমন্বয়ৰ জৰিয়তে গাঁৱৰ উৎপাদিত সকলো সামগ্ৰী বিক্ৰীৰ বাবে বজাৰলৈ উলিয়াই পঠিয়াব।

১১.০.১১ মুঠতে আত্মনিৰ্ভৰশীল গাঁও আৰু সেউজ অৰ্থনৈতিক উন্নয়নেই আমাৰ উদ্দেশ্য।

## অধ্যায় ১২

# আমাৰ কৰ্ম আঁচনি ঃ কৃষি, বাণিজ্য, উদ্যোগ ঃ কৃষি আৰু উদ্যান শস্য

১২.১ অসমখন বছৰৰ সকলো সময়তে খেতিৰ ৰাজ্যলৈ ৰূপান্তৰ কৰিবলৈ আৰু বহুমুখী কৃষি ব্যৱস্থা গঢ়ি তুলিবলৈ এক সাংস্কৃতিক বিপ্লৱ, এক কৰ্ম-সংস্কৃতি গঢ়ি তোলা। ইয়াৰ বাবে অসম চৰকাৰৰ সংশ্লিষ্ট সকলো বিভাগৰ শক্তি একত্ৰিত কৰি কামত লগোৱাৰ উপৰিও এক সামাজিক আন্দোলন গঢ়ি তোলা।

১২.২ প্ৰতিখন পথাৰত জলসিঞ্চনৰ ব্যৱস্থা কৰা। তাৰ বাবে ঠাই সাপেক্ষে যিকোনো ধৰণৰ পৰম্পৰাগত বৈজ্ঞানিক আৰু উদ্ভাৱনীমূলক আঁচনি গ্ৰহণ কৰা।

১২.৩ যিবোৰ ঠাইত স্বাভাৱিকভাৱে এতিয়াও জৈৱিক পদ্ধতিৰ খেতি হৈ আছে, সেইবোৰ ক্ষেত্ৰক অধিক বিকশিত কৰি জৈৱিক কৃষিৰ ভঁৰালৰূপে গঢ়ি তোলা।

১২.৪ উন্নত বৈজ্ঞানিক পদ্ধতিৰে কৃষি ব্যৱস্থাক শক্তিশালী কৰাৰ লগে লগে আমাৰ পৰম্পৰাগত শস্যৰ বীজৰ বিভিন্ন খেতিৰ বিশেষ বিশেষ মণ্ডল গঢ়ি তোলা।

১২.৫ কৃষি উৎপাদিত সকলোবোৰ শস্যৰ বাবে এক সুনিৰ্দিষ্ট বজাৰ ব্যৱস্থাৰ বাবে সৰ্বশক্তি প্ৰয়োগ কৰা।

ক) উৎপাদিত ফচলৰ ঘৰুৱা বজাৰ শক্তিশালী কৰা।

খ) জৈৱিক উৎপাদনৰ বৈদেশিক বাণিজ্য, বহিঃৰাজ্যৰ বজাৰ দখল কৰা।

গ) প্ৰতিখন নগৰত পাইকাৰী বজাৰ গঢ়ি তুলি সেই বজাৰত কৃষকৰ বাবে তেওঁলোকৰ উৎপাদিত সামগ্ৰীত লাভজনক মূল্য (ন্যূনতম সমৰ্থন মূল্য ব্যৱস্থাৰে) পোৱাৰ ব্যৱস্থা কৰা। আধুনিক 'মাণ্ডি' ব্যৱস্থা এটা গঢ়ি তোলা। বজাৰৰপৰা মধ্যভোগী সম্পূৰ্ণ আঁতৰ কৰা। ছিণ্ডিকেটৰাজৰ অৱসান ঘটোৱা।

ঘ) নগৰ-চহৰ-অন্যান্য জনসমাগমপূৰ্ণ এলেকাৰ বজাৰসমূহ, সাপ্তাহিক বজাৰ আদিৰ আন্তঃগাঁথনি তৈয়াৰ কৰি পৰিপাটি বজাৰ ব্যৱস্থা গঢ়ি তোলা।

ঙ) আদা, হালধি, নেমু, কমলা, কল আদি উদ্যান শস্য, জহা চাউল, কোমল চাউল, বাওঁধান, বৰা চাউল, ক'লা চাউল আদিৰ বহিঃৰাজ্যৰ লগত আৰু বিদেশৰ লগত এক বজাৰ ব্যৱস্থা গঢ়ি তোলা।

চ) অসমৰ পৰম্পৰাগত জলপান আৰু অন্যান্য সুস্বাদু খাদ্য সম্ভাৰৰ স্থানীয় বজাৰ, দেশীয় বজাৰ আৰু বিদেশী বজাৰৰ নেটৱৰ্ক গঢ়ি তোলা।

১২.৬ অসমৰ সকলো প্ৰকৃত কৃষকক স্থানীয় বেংকৰ পৰা বিনা সুদৰ/নিম্নতম সুদৰ কৃষি ঋণ প্ৰদান কৰাৰ বাবে উদ্যোগ লোৱা। কৃষিখণ্ডৰ বিকাশৰ বাবে অধিক ধন বিনিয়োগ কৰা।

১২.৭ প্ৰতিজন কৃষি শ্ৰমিকৰ গ্ৰহণযোগ্য ন্যূনতম মজুৰি নিশ্চিত কৰা।

১২.৮ উপান্ত কৃষকক কৃষিৰ সঁজুলি, গৰু-ম'হ আদি ক্ৰয়ৰ বাবে নিৰ্দিষ্ট ব্যৱস্থা লোৱা।

১২.৯ উপান্ত আৰু নিম্ন আয়ৰ কৃষকক নিজৰ পথাৰত মনোনিৱেশ কৰিব পৰাকৈ দুবছৰলৈ বিশেষ ভাত্তাৰ ব্যৱস্থা কৰা।

১২.১০ শিক্ষিত যুৱ কৃষকৰ বাবে বিশেষ সাহায্য আঁচনি লোৱা। তেওঁলোকক উৎসাহিত কৰিবলৈ ৰাজসাহায্য প্ৰদান কৰা।

১২.১১ যিসমূহ পৰিয়ালৰ পথাৰ এনেই পৰি থাকে মালিকৰ লগত চুক্তি সাপেক্ষে তেনে পথাৰসমূহত স্থানীয় কৃষকৰ সমবায় কৃষি ব্যৱস্থা গঢ়ি তোলা, য'ত মাটিৰ মালিকীস্বত্বৰ কোনো হানি-বিঘিনি নহ'ব।

১২.১২ অসমৰ কৃষি ব্যৱস্থাক সম্ভৱপৰ তথা গ্ৰহণযোগ্য আধুনিকীকৰণ আৰু যান্ত্ৰিকীকৰণ কৰা। কৃষিৰ লগতে কৃষিৰ লগত সংযুক্ত খণ্ডবোৰক যুক্ত কৰি বহুমুখী উৎপাদনেৰে কৃষিক অধিক লাভজনক কৰি তোলা।

১২.১৩ ৰাসায়নিক সাৰৰ দাম ন্যূনতম কৰা। সাৰৰ দাম অবৈধভাৱে বৃদ্ধি কৰা ৰোধ কৰা।

১২.১৪ প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা অসমত কাৰ্যকৰী কৰিবলৈ বাধ্য কৰা।

১২.১৫ ৰাজ্যখনত খাদ্য সংসাধন আৰু অন্যান্য কৃষিভিত্তিক উদ্যোগ স্থাপন কৰা।

১২.১৬ অসম কৃষি বিশ্ববিদ্যালয়ক কৃষকৰ বাবে ফলদায়ক ৰাষ্ট্ৰীয় পৰ্যায়ৰ বিশ্ববিদ্যালয়ৰূপে গঢ়ি তোলা।

১২.১৭ অসম চৰকাৰৰ কৃষি বিভাগৰ দুৰ্নীতি বন্ধ কৰা।

১২.১৮ অসমৰ কৃষি বিজ্ঞান কেন্দ্ৰবোৰ সচল আৰু সক্ৰিয় কৰি, কৃষি বিজ্ঞানীৰ নিয়োগ কৰি সকলো সময়তে কৃষকৰ পৰামৰ্শৰ বাবে বিজ্ঞানীসকলৰ উপস্থিতি নিশ্চিত কৰা। অসমৰ প্ৰতিখন পথাৰৰ মাটি পৰীক্ষা কৰি মাটিৰ স্বাস্থ্য অনুসৰি ফচলৰ উৎপাদন আৰু যথোপযুক্ত সাৰ প্ৰয়োগৰ ব্যৱস্থা গঢ়ি তোলা।

১২.১৯ কৃষি বিভাগৰ থলুৱা আৰু পৰম্পৰাগত কৃষি বীজ ক্ষতি কৰা আঁচনিসমূহ পুনৰীক্ষণ কৰা।

১২.২০ কৃষকসকলক পৰিচয় পত্ৰ প্ৰদান কৰা, তেওঁলোকক অতি সন্মানীয় মানুহৰূপে সমাজত স্থান দিয়া। বজাৰলৈ কৃষকৰ সামগ্ৰী কঢ়িওৱা গাড়ী কোনো ঠাইতে যাতে কোনেও অযথা ৰাখিব নোৱাৰে, 'গুণ্ডা টেক্স' ল'ব নোৱাৰে তাক নিশ্চিত কৰা।

## ১২.০ উদ্যান শস্য (Horticulture)

১২.০.১ "মোমাই তামুলী বৰবৰুৱা আদৰ্শ গাঁও" সজোৱা, য'ত প্ৰতি ঘৰৰ বাৰী হ'ব কম মাটিত বহু আৰু মিশ্ৰিত ফচলৰ ব্যৱস্থা। বাৰীখন এনেদৰে সজোৱা যাতে কৃষি, উদ্যান শস্য, মৎস্য পালন আৰু পশুপালন সন্মিলিতভাৱে কৰিব পাৰি।

১২.০.২ অসমৰ সকলো ওখ খালী মাটিত উদ্যান শস্যৰ বিকাশৰ ব্যৱস্থা কৰা।

১২.০.৩ বিশেষভাৱে কাৰ্বি আংলং আৰু উত্তৰ-কাছাৰ জিলাক উদ্যান শস্যৰ খেতিৰ এটা নতুন যুগত উপনীত কৰোৱা।

১২.০.৪ বিশেষ বিশেষ উদ্যান শস্যৰ উৎপাদনৰ ওপৰত ভিত্তি কৰি প্ৰচেছিং ইউনিট আৰু উদ্যোগ প্ৰতিষ্ঠা কৰা।

১২.০.৫ কৃষিৰ সমানে উদ্যান শস্যত গুৰুত্ব প্ৰদান কৰা।

১২.০.৬ উদ্যান শস্যৰ বিশেষ আঁচনি গ্ৰহণ কৰা —

ক) নেমু, ৰবাব, থেকেৰা, কৰ্দৈ, বেল, জামু আদিৰ ব্যাপক খেতি। যাতে চৰৰত উদ্যোগ গঢ়িব পাৰি।

খ) আদা আৰু হালধিৰ ব্যাপক খেতি। যাতে অসমে দেশৰ বজাৰ দখল কৰিব পাৰে।

গ) ভীমকল আৰু অন্যান্য কলৰ ব্যাপক খেতি। সকলো মথাউৰি, ৰাষ্ট্ৰীয় ঘাইপথ, ৰেলপথৰ কাষত ব্যাপক হাৰত কল খেতি কৰা। যাতে অসমে কলৰ সৰ্বভাৰতীয় বজাৰ দখলৰ লগতে বিশ্ব বজাৰৰ বাবে শিশুখাদ্যৰ উদ্যোগ তৈয়াৰ কৰিব পাৰে। কলৰ পৰা চিপ্চ তৈয়াৰ কৰা।

ঘ) কঠালৰ ব্যাপক খেতি যাতে বিশ্ব বজাৰ দখল কৰাৰ লগতে শিশুখাদ্যৰ উদ্যোগ তৈয়াৰ কৰিব পাৰি। কঠালৰ পৰা চিপ্চ তৈয়াৰ কৰা।

ঙ) কমলা খেতিৰ ব্যাপক প্ৰচলন। যাতে ৰপ্তানিও কৰিব পাৰি।

চ) আনাৰস খেতিৰ ব্যাপক প্ৰচলন। যাতে সৰ্বভাৰতীয় বজাৰত বিক্ৰীৰ লগতে চৰৰত, জাম, জেলি আদি তৈয়াৰ কৰিব পাৰি।

ছ) সৰিয়হৰ ব্যাপক খেতি। যাতে খাঁটি মিঠাতেলৰ বজাৰ দখল কৰিব পাৰি।

জ) শাক -পাচলিৰ ব্যাপক খেতি। যাতে উত্তৰ-পূৰ্বাঞ্চলৰ লগতে সমগ্ৰ দেশৰ বজাৰ দখল কৰিব পাৰি।

ঝ) আলু, সৰু আলু, মগু মাহ, বুট দাইল, মাটি মাহ, মাকৈৰ ব্যাপক খেতি কৰা। আলুৰ পৰা চিপ্চ তৈয়াৰ কৰা উদ্যোগ স্থাপন।

এঃ) জৈৱিক শাক-পাচলিৰ খেতিৰ বিশেষ মণ্ডল গঢ়ি তোলা।

ট) তামোল-পাণৰ ব্যাপক খেতি। ঘৰে ঘৰে খালী ঠাইত বাঁহৰ খুঁটি পুতি পাণৰ খেতি কৰা।

ঠ) বনৌষধিৰ ব্যাপক খেতি কৰা, যাতে ভাৰতৰ লগতে দক্ষিণ-পূব এছিয়াৰ বিভিন্ন উদ্যোগৰ কেঁচামালৰূপে ৰপ্তানি কৰিব পাৰি। লগতে থলুৱা উদ্যোগ গঢ়ি তুলিব পাৰি।

ড) থলুৱা ফল-মূলৰ ব্যাপক খেতি। বিলাহীৰ পৰা চছ্ তৈয়াৰ কৰা।

ঢ) সাঁচি গছৰ ব্যাপক খেতি আৰু সাঁচিক ব্যৱসায়িক গছৰূপে ঘোষণা কৰা। আতৰ উৎপাদন কৰা উদ্যোগ স্থাপন।

ণ) ফুলৰ ব্যাপক খেতি আৰু ব্যৱসায়ীকৰণ। সুগন্ধি গছৰ ব্যাপক খেতি।

ত) কুঁহিয়াৰ খেতিৰ ব্যাপক প্ৰচলন, গুৰৰ বজাৰ দখল আৰু ক্ষুদ্ৰ ক্ষুদ্ৰ চেনিৰ উদ্যোগ স্থাপন কৰা।

থ) মৰাপাটৰ ব্যাপক খেতি। পলিথিন নিষিদ্ধ কৰি কাগজ, মৰাপাট আৰু মেটেকাৰ ব্যাপক প্ৰচলন কৰা।

দ) সকলো নগৰ-চহৰৰ কাষে কাষে ব্যাপক বন শাকৰ খেতি কৰা।

ধ) প্ৰসাধন সামগ্ৰীৰ বাবে প্ৰয়োজনীয় জেতুকা, জবা ফুল, এল'ভেৰা, আমলখি, মণিছাল আদিৰ খেতি কৰা আৰু উদ্যোগ স্থাপন কৰা।

ন) টকৌপাত, খেৰ, কৌপাত, এৰী গছ, নুনী গছ, চোম গছ, চাও গছ, পাটীদৈ, খেজুৰ গছ আদিৰ ব্যাপক খেতি কৰা।

প) চজিনাৰ ব্যাপক খেতি। যাতে সৰ্বভাৰতীয় বজাৰ দখল কৰিব পাৰি।

## অধ্যায় ১৩

# উদ্যোগ

১৩.১ অসমৰ কৃষিজাত উৎপাদন আৰু অন্যান্য থলুৱা উৎপাদনৰ ওপৰত ভিত্তি কৰি চৰকাৰী আৰু বেচৰকাৰী এলানি জাতীয় উদ্যোগমালা গঢ়ি তোলা।

**এলানি জাতীয় উদ্যোগমালা ঃ -**

(ক) ভীমকলৰ পৰা শিশুখাদ্য তৈয়াৰ কৰা এলানি উদ্যোগ গঢ়ি তোলা।

(খ) কঠালৰ পৰা শিশুখাদ্য তৈয়াৰ কৰা এলানি উদ্যোগ গঢ়ি তোলা।

(গ) নেমু, কমলা, ৰবাব টেঙা, থেকেৰা, কৰ্দৈ, বেল, জামু, মাটি কঠাল আদিৰ এলানি চৰৱত, জাম, জেলি, চছ আদিৰ উদ্যোগ গঢ়ি তোলা।

(ঘ) সৰিয়হৰ খাঁটি মিঠাতেলৰ এলানি উদ্যোগ স্থাপন কৰা।

(ঙ) হালধি আৰু আদাৰ এলানি উদ্যোগ গঢ়ি তোলা।

(চ) অসমৰ পৰম্পৰাগত জলপান আৰু পিঠাপনাৰ কুটীৰ উদ্যোগ গঢ়ি তোলা।

(ছ) বাঁহ-বেতৰ লানি লানি কুটীৰ আৰু ক্ষুদ্ৰ উদ্যোগ গঢ়ি তোলা।

(জ) কুঁহিয়াৰৰ পৰা গুৰ তৈয়াৰৰ এলানি উদ্যোগ গঢ়ি তোলা। সম্ভৱ হ'লে চেনীৰ ক্ষুদ্ৰ উদ্যোগ স্থাপন কৰা।

(ঝ) জেতুকা, জবা ফুল, এল'ভেৰা, আমলখি, মণিছাল, মৌতুলসী আদি বিভিন্ন বনৌষধিৰ এলানি উদ্যোগ গঢ়ি তোলা।

(ঞ) থলুৱা ফল-মূলৰ (শুকান) কুটীৰ উদ্যোগ স্থাপন কৰা।

(ট) সাঁচিৰ পৰা আতৰ তৈয়াৰ কৰা লানি লানি কুটীৰ উদ্যোগ গঢ়ি তোলা।

(ঠ) নগৰ এলেকাৰ মহিলাৰ দ্বাৰা থলুৱা ফল-মূলৰ আচাৰ, পিঠাপনাৰ উদ্যোগ গঢ়ি তোলা।

(ড) নগৰৰ বস্তি এলেকাত লানি লানি কাপোৰ চিলোৱা উদ্যোগ গঢ়ি তোলা।

(ঢ) কমাৰ শিল্প, মৃৎ শিল্প, কয়াকুছিৰ ঢাৰি উদ্যোগ, বনিয়াকুছিৰ জাপি উদ্যোগ আদি পৰম্পৰাগত উদ্যোগসমূহক পৃষ্ঠপোষকতা কৰা।

(ণ) অসমৰ তাঁত শিল্প, বিভিন্ন জনগোষ্ঠীয় বস্ত্ৰ-তাঁত শিল্প, বাঁহ শিল্প, বেত শিল্প, ৰেচম উদ্যোগ আগবঢ়াই নিয়া।

(ত) সৰ্থেবাৰীৰ কাঁহ শিল্প, হাজোৰ পিতল শিল্প, শুৱালকুছিৰ বস্ত্ৰ শিল্পৰ দৰে অসমৰ পৰম্পৰাগত উদ্যোগক ঐতিহ্যপূৰ্ণ শিল্পৰূপে ঘোষণা কৰি এইবোৰক সুৰক্ষিত আৰু বিকশিত কৰা।

(থ) গাখীৰৰ পৰা দৈ, মাখন, মিঠাই, আইচক্ৰীম আদিৰ উদ্যোগ গঢ়ি তোলা।

(দ) অসমৰ সাজপানী, জুডিমা, পঃৰ আপং, জুমাই আদি জাতি-জনগোষ্ঠীৰ পৰম্পৰাগত পানীয়ৰ ক্ষুদ্ৰ ক্ষুদ্ৰ উদ্যোগ গঢ়ি তোলা।

১৩.২ এটা জাতীয় উদ্যোগ নীতি গ্ৰহণ কৰা।

১৩.৩ প্ৰতিখন জিলাত উদ্যোগৰ বাবে সংৰক্ষিত কৰা ভূমিত উদ্যোগ পাম গঢ়ি তুলিবলৈ আন্তঃগাঁথনি গঢ়ি তোলা। উদ্যোগৰ বাবে মাটিখিনি প্ৰস্তুত কৰা, ৰাস্তা নিৰ্মাণ, বিদ্যুতৰ আন্তঃগাঁথনি তৈয়াৰ কৰা, পানী যোগানৰ ব্যৱস্থা, ৰেল ষ্টেচন আৰু বিমান বন্দৰলৈ যোগাযোগ ঠিক কৰি দিয়া আৰু নিৰাপত্তা নিশ্চিত কৰা।

১৩.৪ কৃষিভূমি যাতে ব্যক্তিগত উদ্যোগে গ্ৰাস কৰিব নোৱাৰে তাৰ সঠিক ব্যৱস্থা কৰা।

১৩.৫ ঠায়ে ঠায়ে ৰাজহুৱা খণ্ডৰ উদ্যোগ-প্ৰতিষ্ঠান গঢ়ি তোলা।

১৩.৬ প্ৰতিখন নগৰৰ ৱাৰ্ডে ৱাৰ্ডে সৰু সৰু উদ্যোগ (যেনে - আচাৰ, পিঠা-পনা তৈয়াৰ, কাপোৰ চিলাই আদি) প্ৰতিষ্ঠা কৰা। প্ৰতিটো গাঁও এলেকাৰ স্থানীয় কৃষি উৎপাদনৰ ওপৰত ভিত্তি কৰি সৰু-বৰ উদ্যোগমালা গঢ়ি তোলা।

১৩.৭ ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ উৎপাদিত চাহপাতৰ বটলিফ ফেক্টৰী গঢ়ি তোলা।

১৩.৮ চাহ বাগানত ব্যৱহৃত সকলো সামগ্ৰীৰ ভটিয়নী উদ্যোগ স্থাপন কৰা।

১৩.৯ সাৰৰ উদ্যোগ স্থাপন কৰা।

১৩.১০ খাদ্য প্ৰচেছিং উদ্যোগ স্থাপন কৰা।

১৩.১১ গেছ ক্ৰেকাৰৰ পৰা পোৱা সম্পূৰ্ণ প'লিমাৰ অসমৰ ভিতৰতে ব্যৱহাৰ কৰি গেছ ক্ৰেকাৰৰ ভটিয়নী উদ্যোগ গঢ়ি তুলিব লাগিব, যাতে অসমতে প্লাষ্টিকৰ অনেক সামগ্ৰী, চকী, চেণ্ডেল আদি তৈয়াৰ কৰিব পাৰি।

১৩.১২ বস্ত্ৰ উদ্যোগ— বি আৰ পি এলৰ প'লিমাৰ ব্যৱহাৰ কৰি আৰু কপাহ আমদানি কৰি বস্ত্ৰ উদ্যোগ গঢ়ি তোলা।

১৩.১৩ শক্তিখণ্ডত অসমক আত্মনিৰ্ভৰশীলৰূপে গঢ়ি তোলা। তাৰ বাবে বিদ্যুৎ উৎপাদনৰ উদ্যোগ স্থাপন কৰা।

১৩.১৪ সকলো থলুৱা উদ্যোগক যুক্তিপূৰ্ণ নিম্নতম দৰত বিজুলি যোগান ধৰা।

১৩.১৫ প্ৰতিটো ৱেৰ হাউচ আৰু ক'ল্ড ষ্ট'ৰেজৰ বাবে নিম্নতম যুক্তিপূৰ্ণ দৰত বিজুলি যোগান ধৰা।

১৩.১৬ থলুৱা উদ্যোগীক অগ্ৰাধিকাৰ দিয়া আৰু ৰাজসাহায্য প্ৰদান কৰা।

১৩.১৭ উদ্যোগ প্ৰতিষ্ঠাত থকা ৰঙা ফিটাৰ মেৰপাক দূৰ কৰা।

১৩.১৮ থলুৱা নিবনুৱাক চাকৰি দিয়া, অধিক সংস্থাপনৰ সুযোগ আৰু পৰিৱেশ প্ৰদূষণ নকৰা উদ্যোগক অগ্ৰাধিকাৰ দিয়া।

১৩.১৯ এনআৰএল, অ'এনজিচি, অইলৰ দৰে ৰাজহুৱা খণ্ডক সম্প্ৰসাৰিত কৰাৰ বাবে হেঁচা দিয়া।

১৩.২০ বন্ধ হৈ থকা ৰাজহুৱা খণ্ডৰ উদ্যোগবোৰ খুলিবলৈ কেন্দ্ৰক হেঁচা দিয়া। বিশেষকৈ কাগজ কলসমূহ।

১৩.২১ অসমৰ কাঁহ, পিতল আদি পৰম্পৰাগত উদ্যোগক পৃষ্ঠপোষকতা কৰা।

১৩.২২ ব্ৰয়লাৰ মুৰ্গীৰ দানা আৰু ঔষধ স্থানীয়ভাৱে তৈয়াৰ কৰা।

১৩.২৩ অসমত প্ৰতিষ্ঠিত প্ৰত্যেকটো উদ্যোগক যথোপযুক্ত ধৰণে সহযোগিতা আগবঢ়োৱা।

১৩.২৪ বহিঃৰাজ্যৰ পৰা অহা গামোচা, আৰণাই, মেখেলা-চাদৰ আদিক অসমৰ বজাৰত নিষিদ্ধ কৰাৰ ব্যৱস্থা কৰা।

## অধ্যায় ১৪

# বাণিজ্য

## *বাণিজ্যে বসতি লক্ষ্মী*

১৪.১ অসমীয়া জাতিৰ মাজত বাণিজ্যৰ এক সক্ৰিয় পৰিৱেশ গঢ়ি তোলা। অসমীয়া জাতিক বাণিজ্যমুখী কৰি তোলা। পথাৰ আৰু বজাৰ থলুৱা অসমবাসীৰ হাতলৈ অনা। প্ৰতিখন গাঁৱৰ উৎপাদিত সামগ্ৰীৰ স্থানীয়, ৰাজ্যিক, দেশীয় আৰু আন্তঃৰাষ্ট্ৰীয় বজাৰৰ নেটৱৰ্ক গঢ়ি তোলা।

১৪.২ প্ৰতিখন মহানগৰ, নগৰ আৰু চহৰত হোম ডেলিভাৰী নেটৱৰ্ক গঢ়ি তোলা। শিতি উদ্যোগী ব্যৱসায়ীক এপ(App) আদি তৈয়াৰ কৰাত সহযোগিতা কৰা। অসমৰ সকলো ঠাইৰ স্থানীয় বজাৰ পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি গঢ়ি তোলা।

১৪.৩ অসমত উৎপাদিত সামগ্ৰীসমূহৰ ঘৰুৱা বজাৰ দখল কৰাৰ উপৰি স্থানীয় উৎপাদিত সামগ্ৰীৰ বাহিৰৰ বজাৰত সৰ্বাধিক বিক্ৰীৰ ব্যৱস্থা কৰা।

১৪.৪ পাইকাৰী বজাৰৰ বাবে আধুনিক মাণ্ডি ব্যৱস্থা গঢ়ি তোলা।

১৪.৫ আটাইতকৈ ভিতৰুৱা ঠাইৰ পৰাও বজাৰলৈ অহা পথবোৰ সুচল কৰি তোলা।

১৪.৬ বজাৰৰ সকলো মধ্যভোগী ব্যৱস্থাৰ অৱসান ঘটোৱা। গুণ্ডাকৰ আৰু ছিণ্ডিকেট কঠোৰভাৱে নিৰ্মূল কৰা।

১৪.৭ সকলোবোৰ নগৰ-চহৰৰ বাণিজ্য কেন্দ্ৰসমূহ আৰু ব্যৱসায়িক স্থানসমূহত থলুৱা উদ্যোগীসকলৰ বাবে স্থান নিশ্চিত কৰা।

১৪.৮ অসমক উত্তৰ-পূৰ্বাঞ্চলৰ সকলো ৰাজ্যৰ বাণিজ্যৰ 'হাব'ৰূপে গঢ়ি তোলা।

১৪.৯ অসমক দক্ষিণ-পূব এছিয়াৰ বাণিজ্যৰ দুৱাৰমুখৰূপে প্ৰতিষ্ঠা কৰা।

১৪.১০ থলুৱা উদ্যোগীৰ উদ্যোগসমূহৰ বাবে বিশেষ চৰকাৰী পৃষ্ঠপোষকতা কৰা।

১৪.১১ ব্যৱসায়ীসকলৰ বাবে সকলো ধৰণৰ বাণিজ্য সম্পৰ্কীয় আৰু চৰকাৰী মেৰপেচ হ্ৰাস কৰি সহজভাৱে ব্যৱসায়ৰ সুযোগ প্ৰদান কৰা।

১৪.১২ অসমৰ বিশেষ বিশেষ উৎপাদিত সামগ্ৰীৰ বহিঃৰাজ্য আৰু বিদেশলৈ ৰপ্তানিৰ বিশেষ ব্যৱস্থা কৰা।

১৪.১৩ বেংকৰ ক্ৰেডিট-ডিপ'জিত হাৰ বৃদ্ধি কৰি উদ্যোগীৰ বাবে বেংকৰ ঋণ সহজলভ্য কৰা।

১৪.১৪ থলুৱা ব্যৱসায়ী আৰু উদ্যোগীসকলৰ বাবে জাতীয় পুঁজি গঠন কৰা।

১৪.১৫ থলুৱা ব্যৱসায়ী আৰু উদ্যোগীসকলক সকলো ক্ষেত্ৰতে অগ্ৰাধিকাৰ দিয়া।

১৪.১৬ ৰাজসাহায্য প্ৰদানৰ ক্ষেত্ৰত থলুৱা ব্যৱসায়ী আৰু প্ৰকৃত উদ্যোগ খণ্ডক গুৰুত্ব দিয়া।

১৪.১৭ ৰাষ্ট্ৰীয় ঘাইপথৰ প্ৰতি দহ কিলোমিটাৰৰ মূৰে মূৰে থলুৱা বজাৰ কেন্দ্ৰ গঢ়ি তোলা।

১৪.১৮ এৰী কাপোৰ, মুগাৰ কাপোৰ আৰু পাট কাপোৰৰ 'ব্ৰেণ্ড'ৰূপে ব্যৱসায় কৰা।

১৪.১৯ ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ চাহপাত আৰু ৰবৰ খেতিয়কসকলৰ উৎপাদিত ৰবৰৰ বাবে ন্যূনতম সমৰ্থন মূল্যৰ ব্যৱস্থা কৰা।

## অধ্যায় ১৫

# পৰ্যটন

## *অতিথি দেৱো ভৱ*

**অসম কেৱল অসমৰে নহয়, উত্তৰ-পূৰ্বাঞ্চল আৰু দক্ষিণ-পূব এছিয়াৰ দেশসমূহৰ পৰ্যটনৰ দুৱাৰমুখৰূপে সুপ্ৰতিষ্ঠিত কৰাৰ যত্ন কৰা।**

**১৫.১ ব্ৰহ্মপুত্ৰ ঃ**

ক) ব্ৰহ্মপুত্ৰৰ পৰিৱেশ প্ৰদৰ্শন। ব্ৰহ্মপুত্ৰক পৰ্যটনৰ বৃহৎ ক্ষেত্ৰ কৰি গঢ়ি তোলা।

খ) ব্ৰহ্মপুত্ৰত পৰম্পৰাগত নাও, স্পীড বোট, দুঃসাহসিক ক্ৰীড়া, জাহাজ আৰু অন্যান্য পানীৰ খেল। শিহু প্ৰদৰ্শন আৰু মাছ ধৰা।

গ) গুৱাহাটীৰ পৰা শদিয়ালৈ আৰু গুৱাহাটীৰ পৰা ধুবুৰীলৈ নৌকা বিহাৰ আৰু জাহাজ যাত্ৰা।

ঘ) গুৱাহাটীৰ পৰা শদিয়ালৈ আৰু গুৱাহাটীৰ পৰা ধুবুৰীলৈ যোৱা পৰ্যটকসকলক ঠায়ে ঠায়ে ৰখাই অসমৰ গ্ৰাম্য জীৱনৰ সোৱাদ দিয়া। ভিন্ন জনগোষ্ঠীয় গাঁৱৰ জীৱন যাত্ৰা প্ৰদৰ্শন, পৰম্পৰাগত আৰু অন্যান্য খেল-ধেমালিৰ সুবিধা, গীত মাত আৰু নৃত্যৰ প্ৰদৰ্শন। খাদ্যৰ ৰস প্ৰদান, পৰম্পৰাগত সাজপানী আৰু অন্যান্য জনজাতীয় পানীয় পৰিৱেশন।

ঙ) ব্ৰহ্মপুত্ৰক পৰ্যটনৰ বৃহৎ ক্ষেত্ৰৰূপে গঢ়ি তোলা।

চ) বৰাক নদীতো একে ব্যৱস্থা প্ৰৱৰ্তনৰ প্ৰচেষ্টা।

**১৫.২ বন্যপ্ৰাণী ঃ**

ক) কাজিৰঙা, মানাহ, পবিতৰা, ওৰাং, ডিব্ৰু-চৈখোৱা আৰু নামেৰি — বন্যপ্ৰাণী চাবলৈ অহা ৰাষ্ট্ৰীয় উদ্যানসমূহৰ কাষে-পাঁজৰে পৰ্যটনৰ অন্যান্য ক্ষেত্ৰসমূহ গঢ়ি তোলা। পৰ্যটন

ক্ষেত্ৰসমূহ আৰু সেই ক্ষেত্ৰসমূহলৈ যোৱা সমগ্ৰ পথচোৰা আদৰ্শনীয়ভাৱে সেউজীয়াকৰণ কৰা, চাফ-চিকুণ কৰি ৰখা, পৰিষ্কাৰ-পৰিচ্ছন্ন শৌচাগাৰ-প্ৰস্ৰাৱগাৰৰ সু-ব্যৱস্থা কৰা ইত্যাদি।

খ) এশিঙীয়া গঁড়, বাঘ, বনৰীয়া ম'হ, হলৌ বান্দৰ, বনৰীয়া গাহৰি, বনৰীয়া হাতী, দেওহাঁহ, বিভিন্ন চৰাই, বনৰীয়া ঘোঁৰা, বান্দৰ, পহু, নল গাহৰি, ধনেশ পখী, সোণালী বান্দৰ, সাপ, পখিলা, কেকোঁ সাপ, শিহু, কাছ আদি বিভিন্ন প্ৰাণী সংৰক্ষণ আৰু বিকাশৰ বিশেষ ব্যৱস্থা। এইসমূহ বন্যপ্ৰাণী চাবৰ বাবে বিশ্বমানৰ পৰ্যটন ব্যৱস্থা গঢ়ি তোলা। এই বন্যপ্ৰাণীসমূহৰ ক্ষতি নোহোৱাকৈ চহকী বন্যপ্ৰাণী ক্ষেত্ৰসমূহক বিশেষ গুৰুত্ব প্ৰদান কৰি নতুন নতুন পৰ্যটন গঢ়ি তোলা।

গ) পক্ষী পৰ্যটন ঃ নামেৰী, কাজিৰঙা, ডিব্ৰু-ছৈখোৱা আৰু অন্যান্য পক্ষীৰ বাবে প্ৰখ্যাত বিলসমূহত আৰু উত্তৰ কাছাৰৰ জাতিংগাত বিশেষ পক্ষী পৰ্যটন গঢ়ি তোলা।

**১৫.৩ প্ৰকৃতি ঃ**

উত্তৰ কাছাৰ আৰু কাৰ্বি আংলঙৰ পাহাৰ-পৰ্বত আৰু সামগ্ৰিক পৰিৱেশতন্ত্ৰক চিকিম, কাশ্মীৰ, দাৰ্জিলিং, কালিংপুং, ছিলং আদিৰ দৰে একো একোটা বিশেষ পৰ্যটন ক্ষেত্ৰ হিচাপে গঢ়ি তোলা। নতুন নতুন জলপ্ৰপাত, নতুন নতুন ভিউ পইণ্ট , নতুন নতুন নৌ ক্ৰীড়া (ৰাফটিং), বিশেষকৈ নামেৰী আৰু মানাহ নৈৰ নৌ ক্ৰীড়া বিশ্বমানৰ কৰি গঢ়ি তোলা। বিভিন্ন পাহাৰ এলেকাত ট্ৰেকিঙৰ ব্যৱস্থা কৰা। অসমৰ বৰ্ণাঢ্য অৰ্কিডৰ অভয়াৰণ্য ঘোষণা আৰু অৰ্কিডক অধিক আকৰ্ষণীয় পৰ্যটনৰ বিষয় কৰা। সমগ্ৰ অসমখনৰ সকলো মুকলি ঠাই সেউজীয়া আৱৰণৰে ঢকাৰ ব্যৱস্থা কৰি সেই সেউজী ধৰণী ধুনীয়া অসম ভূমিক বিশ্বৰ অন্যতম পৰ্যটন ক্ষেত্ৰৰূপে বিকশাই তোলা। প্ৰতিটো ৰাষ্ট্ৰীয় ঘাইপথৰ দুয়োকাষে গছ পুলি ৰোপণ কৰি সেউজীয়া কৰা। প্ৰতিটো টকলা পাহাৰ সেউজীয়া কৰা। অসমৰ প্ৰতিখন বনাঞ্চল সুৰক্ষিত কৰা।

**১৫.৪ ধৰ্মীয় স্থান ঃ**

ক) কামাখ্যা, শিৱসাগৰৰ শিৱ দৌল, বশিষ্ঠ মন্দিৰ, উমানন্দ, নৱগ্ৰহ মন্দিৰ, অশ্বক্লান্তা, দীৰ্ঘেশ্বৰী দেৱালয়, দৌল গোবিন্দ মন্দিৰ, হয়গ্ৰীৱ মাধৱ মন্দিৰ, পোৱা মক্কা, বৰপেটা কীৰ্তন ঘৰ, শদিয়াৰ কেঁচাইখাটী গোঁসাই থান, মাজুলীৰ সত্ৰসমূহলৈ হোৱা পৰ্যটন অধিক আকৰ্ষণীয় আৰু স্থানীয় মানুহৰ বাবে অধিক উপাৰ্জনক্ষম কৰা। কামাখ্যাক বিশ্ব পৰ্যটনত অধিক জনপ্ৰিয় কৰা। মাজুলীক ধৰ্মীয় আৰু সাংস্কৃতিক ঐতিহ্যক্ষেত্ৰৰূপে অতি গুৰুত্ব দি প্ৰচাৰ কৰা আৰু ন ন পৰ্যটনৰ উপাদানেৰে ভৰপুৰ কৰাৰ যত্ন কৰা।

খ) বৰদোৱা সত্ৰ, নুমলীগড়ৰ বাবাথান, ঢেকীয়াখোৱা বৰ নামঘৰ, আঠখেলীয়া নামঘৰ,

মইনাপৰীয়া নামঘৰ, দেওপানী মন্দিৰ, তিনিচুকীয়াৰ টিলিঙা মন্দিৰ, দেৰগাঁৰৰ নেঘেৰী-টিং, লখিমপুৰৰ মালিনী থান ইত্যাদি অসমৰ ভক্তসকল আগমন হোৱা মঠ মন্দিৰসমূহত ঘৰুৱা পৰ্যটনৰ নতুন নতুন ব্যৱস্থা গঢ়ি তোলা।

গ) ইছলাম ধৰ্মীসকলৰ আৰু বৌদ্ধধৰ্মৰ ঐতিহাসিক পৱিত্ৰ স্থানসমূহ অধিক আকৰ্ষণীয় কৰি পৰ্যটকৰ কেন্দ্ৰস্থলৰূপে গঢ়ি তোলা। যাতে সাম্প্ৰদায়িক সম্প্ৰীতিৰো এইবোৰ উন্নত নিদৰ্শনত পৰিণত হয়।

**১৫.৫ ঐতিহ্যক্ষেত্ৰ ঃ**

শিৱসাগৰ, তেজপুৰ, উত্তৰ কাছাৰ, চৰাইদেউ, গোলাঘাট, গুৱাহাটীৰ চাৰিওফালৰ বিভিন্ন ঐতিহ্য ক্ষেত্ৰসমূহ আদিত পৰ্যটনৰ ন ন ব্যৱস্থা গঢ়ি তোলা। অন্যান্য পুৰাতাত্ত্বিক সমলসমূহৰ লগতে এই ঐতিহ্যপূৰ্ণ ক্ষেত্ৰসমূহ সঠিকভাৱে সংৰক্ষণ কৰা। বিশেষকৈ শিৱসাগৰক ঐতিহ্যনগৰীৰূপে ঘোষণা কৰি ইয়াক ৰাষ্ট্ৰীয় পৰ্যায়ৰ পৰ্যটন ক্ষেত্ৰলৈ ৰূপান্তৰ কৰিবলৈ সকলো ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

**১৫.৬ সাংস্কৃতিক পৰ্যটন ঃ**

অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ সাংস্কৃতিক বৰ্ণাঢ্য ৰূপটো পৰ্যটনৰ এটা বিশেষ বিষয় কৰি তোলা। বিভিন্ন জাতি-জনগোষ্ঠীৰ জীৱন যাত্ৰাৰ ওপৰত বিশেষ পৰ্যটন গঢ়ি তোলা। বিভিন্ন জাতি-জনগোষ্ঠীৰ লোক-কৃষ্টি আৰু সংস্কৃতিৰ এক বাৰেবৰণীয়া সাংস্কৃতিক পৰ্যটন ক্ষেত্ৰ গঢ়ি তোলা। অসমৰ বাৰেৰহণীয়া সংস্কৃতি পৰ্যটনৰ এটা ডাঙৰ বিষয় কৰি তোলা। সত্ৰীয়া সংস্কৃতিক বিশেষ প্ৰচাৰ কৰা। বিশ্বৰ বৃহত্তম নদীদ্বীপ মাজুলীৰ সত্ৰীয়া সংস্কৃতি আৰু জীৱনধাৰাক ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যটনৰ লগত অধিকভাৱে যুক্ত কৰা।

১৫.৭ **বৈচিত্ৰ্য ঃ** অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ সাজ-পাৰৰ বিচিত্ৰতা আৰু খাদ্যৰ বৈচিত্ৰ্য পৰ্যটনৰ এটা আকৰ্ষণীয় উপাদান হ'ব।

**১৫.৮ গুৱাহাটীত ন ন পৰ্যটন ক্ষেত্ৰ তৈয়াৰ ঃ**

ক) গুৱাহাটীৰ চিৰিয়াখানা, মিউজিয়াম, ব্ৰহ্মপুত্ৰ নদী, শংকৰদেৱ কলাক্ষেত্ৰ, চায়েন্স মিউজিয়াম, প্লেনেটেৰীয়াম, ধৰ্মীয় ক্ষেত্ৰসমূহ, পাৰ্কসমূহ আদি বিভিন্ন পৰ্যটনৰ ক্ষেত্ৰসমূহক অধিক আকৰ্ষণীয় কৰি গঢ়ি তোলা। সমগ্ৰ অসমৰ ছাত্ৰ-ছাত্ৰীৰ লগতে ৰাজ্যখনৰ অন্যান্য পৰ্যটকসকলৰ বাবে মনোগ্ৰাহীকৈ গুৱাহাটীখন গঢ়ি তোলা। গুৱাহাটীৰ পাহাৰক পৰ্যটনৰ এক বিশেষ আকৰ্ষণীয় ক্ষেত্ৰৰূপে গঢ়ি তোলা। উমানন্দ মন্দিৰৰ পাহাৰটোৰ কাষে-পাঁজৰে ওপঙা ব্যৱসায়িক কেন্দ্ৰ, হোটেল, থলুৱা আৰু ধৰ্মীয় সংস্কৃতিৰ নৃত্যকেন্দ্ৰ গঢ়ি তুলি বিশাল পৰ্যটন গঢ়ি তোলা। বিশেষকৈ গুৱাহাটীৰ চিৰিয়াখানাক বিশ্বমানৰ কৰি গঢ়ি তোলা।

খ) গুৱাহাটীৰ শিশু উদ্যানসমূহ শিশুসকলৰ মনোৰঞ্জনৰ উপযোগীকৈ গঢ়ি তোলা। আনহাতে ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে এলানি বিশেষ উদ্যান গঢ়ি তুলি অসমবাসী আৰু অন্যান্য দেশী-বিদেশী পৰ্যটকৰ বাবে মনোগ্ৰাহী কৰি গঢ়ি তোলা। গুৱাহাটীখন সেউজীয়া কৰি গঢ়ি তোলা। গুৱাহাটীত ব্ৰহ্মপুত্ৰ, ইয়াৰ পাৰৰ পাৰ্কসমূহ, অন্যান্য পাৰ্ক আৰু পাহাৰবোৰক সংযুক্ত কৰি পৰ্যটকৰ বাবে পেকেজ টুৰিজিমৰ ব্যৱস্থা কৰা।

গ) গুৱাহাটীত এখন সাংস্কৃতিক ক্ষেত্ৰ গঢ়ি তোলা। একেটা ঠাইতে গীত মাত, জাতি-জনগোষ্ঠীৰ লোককৃষ্টি, সত্ৰীয়া সংস্কৃতি, নাটক, থিয়েটাৰ, চিনেমা, চিত্ৰ কলা আদিকে ধৰি সকলো সাংস্কৃতিক সমল সকলো সময়তে উপভোগ কৰিব পৰাকৈ এক বিশাল ক্ষেত্ৰ গঢ়ি তোলা। কলকতাৰ 'ৰবীন্দ্ৰ সদন', 'নন্দন' আৰু অন্যান্য সাংস্কৃতিক ক্ষেত্ৰসমূহ একত্ৰ কৰি যেনেকৈ এটি সাংস্কৃতিক মণ্ডল গঢ়ি তোলা হৈছে, তেনে এক ক্ষেত্ৰ অথচ তাতকৈ উচ্চ মানৰ ক্ষেত্ৰ গঢ়ি তোলা। এই ক্ষেত্ৰত ৰবীন্দ্ৰ ভৱনৰ পৰা দীঘলী পুখুৰীলৈকে সামৰি এটা নিৰ্দিষ্ট ক্ষেত্ৰ গঢ়ি তুলিব পাৰি।

১৫.৯ **দুঃসাহসিক পৰ্যটন ঃ** অসমত এতিয়ালৈকে দুঃসাহসিক পৰ্যটনে গুৰুত্ব লাভ কৰা নাই। বিভিন্ন দুঃসাহসিক পৰ্যটন গঢ়ি তোলা।

১৫.১০ **ইক' টুৰিজিম ঃ** অসমীয়া জাতিৰ অতিথি পৰায়ণতাক, সৰলতাক বিশ্বৰ বুকুত প্ৰতিষ্ঠা কৰা। জনগণক জড়িত কৰি ইক'টুৰিজিমৰ উন্নয়ন। ইক'টুৰিজিমৰ জৰিয়তে নিয়োগ বৃদ্ধি কৰা আৰু প্ৰাকৃতিক তথা সাংস্কৃতিক ঐতিহ্যক সংৰক্ষণ কৰা।

১৫.১১ **বৰ্ষা পৰ্যটন ঃ** অসমৰ বাৰিষা অতি মনোমোহা। বৰষুণ আৰু বাৰিষা কাল দুয়োটাই পৰ্যটকসকলৰ কাৰণে আকৰ্ষণীয় হৈ উঠিব পাৰে। বাৰিষাৰ খেতি আৰু সেই সময়ৰ অসমবাসীৰ জীৱন যাত্ৰা, খাদ্যাভ্যাস অন্যতম পৰ্যটন আকৰ্ষণৰূপে গঢ়ি তোলা।

১৫.১২ **উৎসৱ পৰ্যটন ঃ** অসমবাসীৰ জাতীয় উৎসৱ বহাগ বিহু আৰু অন্যান্য জনগোষ্ঠীৰ জাতীয় উৎসৱসমূহক পৰ্যটনৰ এটা আকৰ্ষণীয় বিষয় কৰি গঢ়ি তোলা। তাৰ বাবে গুৱাহাটী আৰু অন্যান্য জনগোষ্ঠীৰ প্ৰধান ঠাইসমূহত উৎসৱৰ সময়ত বিশেষ আকৰ্ষণীয় পৰ্যটন গঢ়ি তোলা। "ব্ৰহ্মপুত্ৰ উৎসৱ" নামৰ এক বিশেষ উৎসৱ অনুষ্ঠিত কৰি আন্তৰ্জাতিক পৰ্যায়ত প্ৰতিষ্ঠা কৰা। মাঘ বিহুও পৰ্যটকৰ আকৰ্ষণ হ'ব পাৰে।

১৫.১৩ **বনভোজস্থলী ঃ** অসমৰ বনভোজ থলীসমূহ পৰিপাটিকৈ সজাই তুলি ঘৰুৱা পৰ্যটকৰ আকৰ্ষণ বৃদ্ধি কৰা।

১৫.১৪ **চাহ পৰ্যটন ঃ** অসমৰ বিশ্বখ্যাত চাহ খেতিক এক পৰ্যটনৰূপে গঢ়ি তোলা। চাহ খেতি, চাহ খেতিৰ ঐতিহ্য, চাহ শ্ৰমিকৰ সংস্কৃতি লৈ এক উল্লেখযোগ্য পৰ্যটন গঢ়ি তোলা।

১৫.১৫ **পৰ্যটনৰ আন্তঃগাঁথনি ঃ** ৰাজ্যখনত পৰ্যটনৰ সকলো আন্তঃগাঁথনি নিৰ্মাণ কৰা। পৰ্যটনৰ নেটৱৰ্ক গঢ়ি তোলা। বিশ্বৰ নামী-দামী TOUR OPERATORৰ লগত সঘন যোগাযোগ ৰক্ষা কৰা। ব্যাপক বিজ্ঞাপন প্ৰকাশ কৰা। মুঠতে অসমখন পৰ্যটকৰ সুবিধাজনক ঠাইৰূপে প্ৰতিষ্ঠা কৰা।

## অধ্যায় ১৬

# সেৱা আৰু আতিথ্য খণ্ড

## চৰকাৰী পঞ্জীয়নভুক্ত এক বিশাল সেৱা খণ্ড (Service Sector) গঢ়ি তোলা

*অসমীয়া জাতিৰ আতিথ্য, মৌচনা ভাষা আৰু জনজাতীয় কোমলতা আমাৰ সম্পদ। সেই সম্পদৰ সুব্যৱহাৰেৰে আমি নিযুক্তিৰ জগতখনলৈ বিপ্লৱ আনিব খোজো। সেৱাখণ্ডক দিব খোজো প্ৰাতিষ্ঠানিক ৰূপ।*

১৬.১ **নাৰ্ছ ঃ** নাৰ্ছৰ প্ৰশিক্ষণ। হিন্দী আৰু ইংৰাজী সলসলীয়াকৈ ক'ব পৰা আৰু প্ৰশিক্ষণপ্ৰাপ্ত নাৰ্ছৰ দেশজুৰি বজাৰ দখল কৰা।

১৬.২ **পৰিচাৰিকা ঃ** সাধাৰণ প্ৰশিক্ষণপ্ৰাপ্ত পৰিচাৰিকাৰ ব্যৱস্থা, শিশু আৰু বৃদ্ধ-বৃদ্ধাৰ শুশ্ৰূষাৰ বাবে পৰিচাৰিকা প্ৰস্তুত কৰা।

১৬.৩ **ড্ৰাইভাৰ ঃ** ড্ৰাইভিঙৰ প্ৰশিক্ষণ, হিন্দী, ইংৰাজীৰ প্ৰশিক্ষণ দি সমগ্ৰ ভাৰতত ড্ৰাইভাৰৰ বজাৰ দখল কৰা।

১৬.৪ **ছিকিউৰিটি গাৰ্ড ঃ** পঞ্জীয়নভুক্ত ছিকিউৰিটি গাৰ্ডৰ ব্যৱস্থা। আনহাতে প্ৰযুক্তিসমৃদ্ধ ছিকিউৰিটি গাৰ্ডৰ ব্যৱস্থা কৰি মূল্য সংযোজন কৰা।

১৬.৫ **নাপিত ঃ** চুলি কটা, দাড়ি কটা, সৌন্দৰ্য চৰ্চা আদিৰ বাবে প্ৰশিক্ষণ প্ৰদান কৰা।

১৬.৬ **দৰ্জী ঃ** বিশ্বৰ বিভিন্ন কোম্পানীৰ সাজ-পাৰ আৰু অন্যান্য বস্ত্ৰৰ চিলনীৰ উদ্যোগ স্থাপন কৰা। তাৰ বাবে দৰ্জীৰ প্ৰশিক্ষণ।

১৬.৭ **পকামিস্ত্ৰী ঃ** প্ৰশিক্ষণপ্ৰাপ্ত আৰু পঞ্জীয়ন কৰা পকামিস্ত্ৰী, কাঠৰ মিস্ত্ৰীৰ ব্যৱস্থা।

১৬.৮ **ঘৰত কাম কৰা মহিলা ঃ** প্ৰশিক্ষণপ্ৰাপ্ত কাম কৰা মহিলাৰ বজাৰ দখল কৰা। পঞ্জীয়ন কৰি মৰ্যাদাপূৰ্ণ কামৰূপে প্ৰতিষ্ঠা কৰা।

১৬.৯ **বাহিৰত শ্ৰমিক হিচাপে কাম কৰিবলৈ যোৱাসকল ঃ** পঞ্জীয়নভুক্ত শ্ৰমিকক সামান্য হিন্দী ভাষাৰ প্ৰশিক্ষণ দি বাহিৰলৈ পঠিওৱা।

**১৬.১০** **ৰান্ধনী ঃ** চেফ বা ৰান্ধনীৰ প্ৰশিক্ষণ দি সমগ্ৰ ভাৰতৰ ৰান্ধনীৰ বজাৰখন দখল কৰা।

**১৬.০** এইবোৰ বিষয় প্ৰশিক্ষণৰ বাবে উপযুক্ত প্ৰশিক্ষণ কেন্দ্ৰ থাকিব, প্ৰতি বিষয়ত পৃথক পৃথক বিদ্যালয় বা মহাবিদ্যালয় থাকিব। চুটি আৰু সামান্য দীঘলীয়া পাঠ্যক্ৰম থাকিব। পঞ্জীয়ন কৰা হ'ব, উপযুক্ত হ'লে লাইচেন্স আৰু চাৰ্টিফিকেট দিয়া হ'ব আৰু লগে লগে মানুহৰ ঘৰ, কাৰ্যালয়, বহিঃৰাজ্যত নিযুক্তি দিয়া হ'ব।

অসমৰ পৰা বহিঃৰাজ্যত কাম কৰিবলৈ যোৱা প্ৰতিজন ব্যক্তিৰ জীৱনৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ, তেওঁলোকৰ প্ৰাপ্য নিশ্চিত কৰিবলৈ আৰু বহিঃৰাজ্যত অসুবিধাৰ সন্মুখীন হ'লে যত্ন ল'বলৈ ৰাজ্য চৰকাৰে প্ৰয়োজনীয় কাৰ্যালয় স্থাপন কৰি যোগাযোগ ৰক্ষা কৰিব। প্ৰতিজন পঞ্জীয়নভুক্ত এনে প্ৰব্ৰজিত শ্ৰমিক বা কৰ্মচাৰীৰ দুৰ্ঘটনা আদিত মৃত্যু ঘটিলে যথেষ্ট পৰিমাণে ক্ষতিপূৰণ দিয়া হ'ব।

## অধ্যায় ১৭
# ভূমি আৰু ৰাজহ ব্যৱস্থা

১৭.১ অসমৰ ভূমি আৰু ৰাজহ ব্যৱস্থাৰ এক বৈপ্লৱিক পৰিৱৰ্তন সাধন কৰা।

১৭.২ এখন নতুন গণতান্ত্ৰিক, জাতীয়, প্ৰগতিশীল ভূমি আইন তৈয়াৰ কৰা।

১৭.৩ অসমৰ পাহাৰ-ভৈয়াম, চৰ-চাপৰিৰ সকলো ভূমিৰ এক পূৰ্ণাংগ জৰীপ কৰা, নথি-সংৰক্ষণ পদ্ধতি অত্যাধুনিক কৰা আৰু নথিৰ আপডেট কৰা।

১৭.৪ প্ৰতিজন ভূমিহীন থলুৱা অসমবাসীৰ হাতত মাটি প্ৰদান কৰা। তাৰ বাবে পতিত মাটিৰ উদ্ধাৰ অভিযান চলোৱা।

১৭.৫ যুগ যুগ ধৰি ভোগ দখলত থকা লোকসকলৰ মাটিৰ পট্টা ৫ বছৰৰ নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত প্ৰদান কৰা। থলুৱা অসমবাসীৰ ভূমি কঠোৰভাৱে সুৰক্ষিত কৰা।

১৭.৬ চৰকাৰী ভূমি, বনাঞ্চল, জলাশয় আদিত থকা খিলঞ্জীয়া অসমবাসীক ভূমি পট্টা দিয়া অথবা বিকল্প সংস্থাপন কৰা। সকলো খিলঞ্জীয়াৰ বাবে ভূমি অধিকাৰ নিশ্চিত কৰা।

১৭.৭ চাহ শ্ৰমিক আৰু প্ৰাক্তন চাহ - শ্ৰমিকসকলক মাটিৰ অধিকাৰ প্ৰদান কৰা।

১৭.৮ বন অধিকাৰ আইন, ২০০৬ কাৰ্যকৰী কৰা।

১৭.৯ দৈয়াং, টেঙানি, কাকী, লুটুমাৰী আদি এলেকাৰ থলুৱা ৰাইজক ভূমি অধিকাৰ প্ৰদান কৰা।

১৭.১০ ক্ষুদ্ৰ চাহ খেতিয়ক আৰু ৰবৰ খেতিয়কৰ খেতি কৰি থকা ভূমিখিনিৰ পট্টা প্ৰদান কৰা।

১৭.১১ জাতীয় বিদ্যালয়সমূহক (যাৰ নিজৰ মাটি নাই) ভূমি প্ৰদান কৰা।

১৭.১২ বনাঞ্চলসমূহ সুৰক্ষিত কৰা।

১৭.১৩ কৃষিভূমি অন্য ক্ষেত্ৰলৈ হস্তান্তৰকৰণ সম্পূৰ্ণ বন্ধ কৰা। তাৰ বাবে "The Assam Agricultural Land (Regulation of Re-classification and Transfer of Land for Agricultural Purpose) Act, 2015" খন সংশোধন কৰা।

১৭.১৪ ঔদ্যোগিক বেষ্টনীৰ ভূমি এলেকাৰ নামত উৰ্বৰা কৃষিভূমি দখল কৰা বা অধিগ্ৰহণ কৰা বন্ধ কৰা।

১৭.১৫ ট্ৰাইবেল বেল্ট এণ্ড ব্লকৰ ভূমি আৰু অন্যান্য জনজাতিৰ মাটি "The Assam State Capital Region Development Authority Act, 2017" ৰ আওটাৰ পৰা আঁতৰাই ৰখা।

১৭.১৬ ঔদ্যোগিক বেষ্টনী (Industrial Belt)ৰ বাবে কেৱল অনুৰ্বৰা ভূমি অধিগ্ৰহণ কৰা, য'ত থলুৱা মানুহৰ পৰম্পৰাগত বাসভূমি নাই। এনে ভূমি অধিগ্ৰহণৰ পূৰ্বে গাঁওবাসীৰ/অঞ্চলবাসীৰ যথাযোগ্য অনুমতি লোৱা আৰু যথাযোগ্য ক্ষতিপূৰণ দিয়া।

১৭.১৭ চাহ বাগিচাৰ বাবে লোৱা লীজৰ ভূমি কেৱল চাহ খেতিৰ বাবে ব্যৱহাৰ কৰাটো বাধ্যতামূলক কৰা আৰু অন্য ক্ষেত্ৰলৈ হস্তান্তৰ কৰিলে সেই ভূমি অধিগ্ৰহণ কৰা। চাহবাগানে অবৈধভাৱে দখল কৰা চৰকাৰী ভূমি ঘূৰাই অনা।

১৭.১৮ চৰ-চাপৰিৰ ভূমি সঠিকভাৱে জৰীপ কৰা, উপযুক্ত লোকক সংস্থাপিত কৰা, বানপীড়িত তথা খহনীয়াপীড়িতক সংস্থাপন দিয়া। নতুন নতুনকৈ গঠন হোৱা চৰসমূহ চিনাক্ত কৰা আৰু কৃষি কাৰ্যৰ বাবে প্ৰস্তুত কৰা। স্থানীয় যুৱক-যুৱতীৰ দ্বাৰা পৰি থকা চৰবোৰত ব্যাপক খেতি কৰা।

১৭.১৯ বান-খহনীয়াপীড়িত পৰিয়ালসমূহক অগ্ৰাধিকাৰ ভিত্তিক ভূমি প্ৰদান কৰাৰ বাবে আঁচনি লোৱা।

১৭.২০ ভূমি সম্পৰ্কীয় গোচৰসমূহ সোনকালে নিষ্পত্তি কৰাৰ ব্যৱস্থা লোৱা।

## অধ্যায় ১৮
# বিত্ত বিভাগ

ভাৰতৰ সংবিধানে কেন্দ্ৰীয় চৰকাৰৰ হাতত দেশখনৰ প্ৰধান প্ৰধান অৰ্থনৈতিক উৎসসমূহ প্ৰদান কৰি ৰাজ্যসমূহৰ বিত্তীয় ক্ষমতা দুৰ্বল কৰি ৰাখিছে। এই বিষয়ত সংবিধান প্ৰস্তুত কৰা সময়তে সংবিধান সভাত অসমৰ প্ৰতিনিধিসকলে প্ৰতিবাদ কৰিছিল। এইটো সত্য যে ৰাজ্যসমূহক অৰ্থনৈতিকভাৱে দুৰ্বল কৰা হ'ল। কিন্তু নৰেন্দ্ৰ মোদী নেতৃত্বাধীন এন ডি এ চৰকাৰে ৰাজ্যসমূহক অধিক নিশকটীয়া কৰিলে। "এক দেশ এক কৰ" নীতিৰ ভিত্তিত জি এছ টি বলবৎ কৰি ৰাজ্যসমূহৰ অৱশিষ্ট কৰ সংগ্ৰহৰ অধিকাৰ

কেন্দ্ৰই কাঢ়ি ল'লে। তাতে অসমৰ ওপৰত দুগুণ অন্যায় কৰিলে বিজেপিৰ কেন্দ্ৰীয় চৰকাৰে; ২০১৫ চনত অসমসহ ১২ খন ৰাজ্যৰ বিশেষ ৰাজ্যৰ মৰ্যাদা কৰ্তন কৰি অৰ্থনৈতিকভাৱে মাধমাৰ শোধালে কেন্দ্ৰই। এনে প্ৰেক্ষাপটত ৰাজ্য পৰিচালনাৰ বাবে পুঁজিৰ যোগান এটা অতি কঠিন আৰু জটিল বিষয় হৈ পৰিল।

আমি তলত দিয়া ধৰণে বিত্ত সংগ্ৰহৰ যত্ন কৰিম ঃ -

১৮.১ কেন্দ্ৰীয় চৰকাৰক অসমৰ বিশেষ ৰাজ্যৰ মৰ্যাদা ঘূৰাই দিবলৈ হেঁচা দিয়া, যাতে যথেষ্ট অৰ্থনৈতিক সকাহ লাভ কৰিব পাৰি। অন্ততঃ নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰৰ পূৰ্বকালিন অৱস্থালৈ ঘূৰি যোৱা।

১৮.২ ৰাজ্যসমূহে আত্মনিৰ্ভৰশীল হ'ব পৰাকৈ অধিক ৰাজহৰ উৎস প্ৰদান কৰিবলৈ সাংবিধানিক আৰু আইনগত সংশোধনৰ বাবে ভাৰতৰ আন আন ৰাজ্যসমূহৰ লগত লগ লাগি কেন্দ্ৰক হেঁচা দিয়া আৰু বিশেষ বিশেষ ক্ষেত্ৰ দেখুৱাই দিয়া।

১৮.৩ জি এছ টিৰ ৰাজ্য চৰকাৰৰ অংশ সময়মতে দিবলৈ কেন্দ্ৰক সৈমান কৰোৱা আৰু এনে এটা আইনী ব্যৱস্থা গঢ়ি তোলা। পাবলৈ বাকী থকা অংশ সোনকালে দিয়াৰ বাবে সৈমান কৰোৱা।

১৮.৪ ৰয়েল্টিৰ পাবলগীয়া ধন তৎকালিনভাৱে মুকলি কৰি দিবলৈ হেঁচা প্ৰদান আৰু ৰয়েল্টি বৃদ্ধিৰ বাবে বিবেচনা কৰিবলৈ আহ্বান জনোৱা।

১৮.৫ চাহপাত আৰু তৈলজাতীয় সামগ্ৰীৰ ওপৰত উপকৰৰ প্ৰস্তাৱ কৰিব পাৰি নেকি বিবেচনা কৰা।

১৮.৬ বনজ সম্পদ আৰু খনিজ সম্পদৰ ব্যৱহাৰত থকা সকলো দুৰ্নীতি তথা ছিণ্ডিকেট বন্ধ কৰি ব্যৱস্থাটো স্বচ্ছ আৰু আধুনিক কৰা যাতে ৰাজ্যখনে যথেষ্ট ধন আহৰণ কৰিব পাৰে। নতুন নতুন ঠাইত সম্পদ আহৰণৰ প্ৰচেষ্টা কৰা।

১৮.৭ অসমৰ বৰ্তমান ৰাজহ সংগ্ৰহ ব্যৱস্থাটো পুনৰীক্ষণ কৰা, আসোঁৱাহসমূহ (Leakages) দূৰ কৰা, স্বচ্ছতা অনা আৰু এনেদৰে ৰাজহ বৃদ্ধিৰ ব্যৱস্থা কৰা। মুঠতে ৰাজহ সংগ্ৰহৰ সকলো স্তৰত থকা দুৰ্নীতি-অনিয়ম দূৰ কৰি যথাসম্ভৱ ৰাজহ সংগ্ৰহ বৃদ্ধি কৰা। ছিণ্ডিকেটৰাজ বন্ধ কৰি সকলো সামগ্ৰী সৰবৰাহত যথাযথ ৰাজহ সংগ্ৰহ কৰা।

১৮.৮ অসমৰ অৰ্থনৈতিক ব্যৱস্থাটোক, ইয়াৰ জনতাৰ স্বাৰ্থক সামান্যতমো বন্ধকত নিদিয়াকৈ অৰ্থাৎ ৰাজ্যৰ জনতাৰ স্বাৰ্থ বিক্ৰী নকৰাকৈ আন্তঃৰাষ্ট্ৰীয় সংস্থা তথা বিদেশী ৰাষ্ট্ৰৰ পৰা কম সুদত ঋণ বা সাহায্য গ্ৰহণ কৰা। ঋণৰ ক্ষেত্ৰতো চৰ্তবিহীন ঋণহে গ্ৰহণ কৰা, অৰ্থাৎ, ঋণৰ বিনিময়ত সম্পদৰ ব্যক্তিগতকৰণ বা ৰাজহুৱা অনুষ্ঠানৰ নিৰ্বিনিয়োজন ধৰণৰ চৰ্ত মানি নোলোৱাকৈ কেনেকৈ আগবাঢ়িব পাৰি তাৰ ৰণনীতি তৈয়াৰ কৰা।

১৮.৯ আবকাৰী শুল্ক সংগ্ৰহৰ ক্ষেত্ৰত থকা সকলো আসোঁৱাহ আৰু দুৰ্নীতি বন্ধৰ ব্যৱস্থা কৰা।

১৮.১০ ৰাজ্যৰ ৰাজহ সংগ্ৰহৰ উৎসসমূহ নিকা আৰু স্বচ্ছ কৰাৰ উপৰি জনতাৰ ওপৰত কোনো হেঁচা

নপৰাকৈ ৰাজহ সংগ্ৰহৰ ন ন ক্ষেত্ৰ বিচাৰি উলিওৱা।

১৮.১১ ৰাজ্যখনৰ নিজা উৎপাদন ক্ষেত্ৰ তৈয়াৰ কৰা, ব্যৱসায়-বাণিজ্য গঢ়ি তোলা, লাভজনক উদ্যোগ-প্ৰতিষ্ঠান গঢ়ি তোলা, পৰ্যটন ক্ষেত্ৰ বিস্তৃত কৰা, কৃষি উৎপাদন বৃদ্ধি কৰা যাতে যথেষ্ট আয় হ'ব পাৰে।

১৮.১২ কেন্দ্ৰৰ ওপৰত বিত্তীয় নিৰ্ভৰশীলতা দূৰ কৰি আত্মনিৰ্ভৰশীল হ'বলৈ দূৰদৰ্শী, সুদূৰপ্ৰসাৰী পদক্ষেপ গ্ৰহণ কৰা।

## অধ্যায় ১৯
# শিক্ষা

১৯.১ শিক্ষাক ৰাজ্যখনৰ এটা সৰ্বোচ্চ অগ্ৰাধিকাৰ বিষয় ৰূপে গণ্য কৰি শিক্ষা খণ্ডৰ সৰ্বতো প্ৰকাৰৰ উন্নয়নৰ বাবে কাম কৰা।

১৯.২ অসমৰ প্ৰতিটো শিশুক বিদ্যালয়লৈ নিয়া নিশ্চিত কৰা আৰু ড্ৰপ আউট (আধাতে বিদ্যালয় ত্যাগ কৰা) একেবাৰে কমাই আনিবলৈ যত্ন কৰা। শিক্ষিতৰ হাৰৰ ক্ষেত্ৰত অসমে সৰ্বভাৰতীয় উচ্চ স্থান লাভৰ বাবে মনোযোগ দিয়া। ১০০ শতাংশ শিক্ষিত ৰাজ্যৰূপে গঢ়ি তোলাৰ প্ৰয়াস কৰা।

১৯.৩ প্ৰাক্ প্ৰাথমিক, প্ৰাথমিক, মাধ্যমিক, উচ্চতৰ মাধ্যমিক পৰ্যায় (দ্বাদশ শ্ৰেণী)লৈ ছাত্ৰ ছাত্ৰীসকলক পঢ়ুওৱা শিক্ষক-শিক্ষয়িত্ৰীসকলক বিস্তৃত প্ৰশিক্ষণ দিয়া যাতে সঁচাকৈ অসমৰ ছাত্ৰ-ছাত্ৰীসকলে গুণগত শিক্ষা লাভ কৰিব পাৰে। নতুন নিযুক্তিৰ ক্ষেত্ৰত কেৱল গুণগত মানকহে গুৰুত্ব দিয়া।

১৯.৪ এজনীয়া শিক্ষক থকা প্ৰতিখন প্ৰাথমিক বিদ্যালয়ত অধিক গুণসম্পন্ন শিক্ষকৰ নিযুক্তি নিশ্চিত কৰা। তাৰ বাবে শিক্ষক নিযুক্তি আৰু সমানুপাতিক বিতৰণ প্ৰথম অৱস্থাতেই কৰা। প্ৰতিটো শ্ৰেণীৰ বাবে একোজনকৈ শিক্ষক নিযুক্তিৰ বাবে চেষ্টা কৰা।

১৯.৫ প্ৰতিখন বিদ্যালয়ত গুণগত শিক্ষা নিশ্চিত কৰা, যাতে যিকোনো নামী-দামী বেচৰকাৰী বিদ্যালয়ৰ লগত চৰকাৰী বিদ্যালয়ে প্ৰতিযোগিতা কৰিব পাৰে। চৰকাৰী বিদ্যালয় ৰাজ্যৰ জনগণৰ প্ৰথম পচন্দত পৰিণত কৰা। তাৰ বাবে চৰকাৰী বিদ্যালয়ৰ আন্তঃগাঁথনি নিৰ্মাণ কৰা, সা-সুবিধা বৃদ্ধি কৰা, পৰিৱেশ উন্নত কৰা।

১৯.৬ বৰ্তমানৰ দৰে চৰকাৰী বিদ্যালয় কেৱল নিঃস্ব আৰু সামৰ্থহীন অভিভাৱকৰ ল'ৰা-ছোৱালীক শিক্ষা দিয়াৰ অন্তিম আশ্ৰয়স্থল নহ'ব। চৰকাৰী শিক্ষা দেশৰ সকলো নাগৰিকৰ সন্তানক পঢ়ুৱাব পৰা ধৰণৰ গুণসম্পন্ন কৰা।

১৯.৭ আন্তঃগাঁথনি ঃ প্ৰতিখন বিদ্যালয়গৃহ সৰ্বাংগ সুন্দৰ আৰু পৰিষ্কাৰকৈ সজোৱা। পৰ্যায়ক্ৰমে বিদ্যালয়গৃহসমূহ আধুনিকীকৰণ কৰা, যাতে ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক আৰু মানসিক বিকাশৰ বাবে বিদ্যালয়খন উপযুক্ত হৈ উঠে। কোনো চৰকাৰী বিদ্যালয় বন্ধ, একত্ৰীকৰণ বা সংকোচন কৰা নহ'ব। প্ৰতিখন বিদ্যালয়ত শ্ৰেণীকোঠা বৃদ্ধি কৰা। বিদ্যালয়খনলৈ আহিবলৈ যাতে শিক্ষাৰ্থীয়ে আগ্ৰহ কৰে তেনেকৈ বিদ্যালয়খন সুন্দৰকৈ সজোৱা। নতুন শিক্ষানীতি, ২০২০ অনুসৰি প্ৰাক্ প্ৰাথমিক শিক্ষাৰ প্ৰৱৰ্তন কৰাৰ আন্তঃগাঁথনি গঢ়ি তোলা আৰু শিক্ষক নিযুক্তি দিয়া। এই শিক্ষানীতিৰ অধীনত সকলো আন্তঃগাঁথনি নিৰ্মাণ কৰাৰ বাবে কেন্দ্ৰক পুঁজি যোগানৰ বাবে হেঁচা দিয়া আৰু ৰাজ্য চৰকাৰে সৃজনীশীল ধৰণে এই নীতি প্ৰয়োগ কৰা।

১৯.৮ বিদ্যাৰ্থীৰ বিদ্যালয়-ভীতি আঁতৰাই শিক্ষা উপভোগ্য আৰু মনোগ্ৰাহী কৰিবলৈ খেলা-ধূলা, ব্যায়াম, সাংস্কৃতিক কাৰ্য-কলাপৰ জৰিয়তে চৰকাৰী বিদ্যালয়সমূহ আকৰ্ষণীয় কৰি তোলা। 'আনন্দৰ মাজেৰে শিক্ষা' ব্যৱস্থা গঢ়ি তোলা।

১৯.৯ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক (দ্বাদশলৈ) শ্ৰেণীসমূহৰ সকলো ছাত্ৰ-ছাত্ৰীৰ বাবে দিনটোৰ এঘণ্টা সময় ক্ৰীড়াৰ বাবে নিৰ্ধাৰণ কৰা। প্ৰতিখন বিদ্যালয়ৰ বাবে খেল-ধেমালিৰ প্ৰশিক্ষক/সহায়কাৰী নিয়োগ কৰা।

১৯.১০ প্ৰতিখন বিদ্যালয়ত লোক-সংস্কৃতিৰ চৰ্চাৰ পৰিৱেশ গঢ়ি তোলা। অসমৰ লোকগীত, লোকনৃত্য, লোকবাদ্যসমূহ, জনগোষ্ঠীয়-জনজাতীয় কৃষ্টি, সত্ৰীয়া সংস্কৃতিৰ লগতে মননশীল আধুনিক সংগীত আৰু নৃত্যৰ লগতো ছাত্ৰ ছাত্ৰীসকলক পৰিচয় তথা চৰ্চাৰ সুযোগ প্ৰদান কৰা। প্ৰতিখন বিদ্যালয়ত লোক কৃষ্টিৰ প্ৰশিক্ষক/সহায়কাৰী নিয়োগ কৰা। তাৰোপৰি অন্যান্য সাংস্কৃতিক কৰ্মসূচী অন্তৰ্ভুক্ত কৰা।

১৯.১১ প্ৰাথমিক পৰ্যায়ৰে পৰা প্ৰতিখন বিদ্যালয়তে মাতৃভাষাৰ লগতে ইংৰাজী ভাষাত বিদ্যাৰ্থী এজন দক্ষ হৈ উঠিবলৈ প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা। তদুপৰি ইংৰাজী আৰু হিন্দী ভাষা কোৱাৰ নিয়মীয়া প্ৰশিক্ষণৰ ব্যৱস্থা। চৰকাৰী স্কুলত প্ৰতিজন শিক্ষাৰ্থীক অসমীয়া, হিন্দী আৰু ইংৰাজী ভাষা শুদ্ধকৈ আৰু সলসলীয়াকৈ ক'ব পৰাকৈ তৈয়াৰ কৰা। এটা জনজাতীয় ভাষা শিকিবলৈও উৎসাহিত কৰা।

১৯.১২ নৱম-দশম শ্ৰেণীৰ পৰাই সৰ্বভাৰতীয় পৰ্যায়ৰ প্ৰতিযোগিতামূলক আৰু বৃত্তিমূলক পৰীক্ষাসমূহত শিক্ষাৰ্থীসকলক সফল হ'বলৈ পাঠ্যক্ৰম সময়োপযোগী কৰি তোলাৰ উপৰিও শিক্ষাৰ্থীসকলক বিশেষ যত্ন লোৱা। যাতে অধিকৰ পৰা অধিক সংখ্যক অসমৰ ছাত্ৰ-ছাত্ৰীয়ে সৰ্বভাৰতীয় স্তৰত স্থানসমূহ দখল কৰিবলৈ সমৰ্থ হয়।

১৯.১৩ প্ৰতিখন জিলা সদৰতে চৰকাৰী উদ্যোগত JEE, NEET, মেডিকেল, ইঞ্জিনীয়াৰিঙৰ বাবে

ক'চিং চেণ্টাৰ স্থাপন কৰা।

১৯.১৪ জাতীয় বিদ্যালয়সমূহক চৰকাৰী পৃষ্ঠপোষকতা দিয়া।

১৯.১৫ বেচৰকাৰী বিদ্যালয়ৰ শিক্ষাৰ মান, অতিমাত্রা খৰচ, জধে-মধে বিভিন্ন অজুহাতত মাচুল তথা অযথা ধন সংগ্রহ বন্ধ কৰিবলৈ এক নতুন আইন প্রণয়ন কৰা। সকলো বেচৰকাৰী মাধ্যমৰ লগতে ইংৰাজী মাধ্যমৰ বিদ্যালয়ত অসমৰ জাতীয় সংগীত গোৱাটো বাধ্যতামূলক কৰা। ইংৰাজী মাধ্যমৰ বিদ্যালয়ত অসমীয়া ভাষাৰ শিক্ষা বাধ্যতামূলক কৰা।

১৯.১৬ অসমৰ শিক্ষানুষ্ঠানসমূহক ৰাজনৈতিক দলৰ প্রভাৱৰ পৰা মুক্ত কৰা। সকলো শিক্ষানুষ্ঠানক শৈক্ষিক স্বাধীনতা প্রদান কৰাটো আমাৰ লক্ষ্য।

১৯.১৭ অসমৰ যুৱক-যুৱতীয়ে সর্বভাৰতীয় অসামৰিক সেৱাৰ পৰীক্ষাসমূহত ভাল ফল দেখুওৱাৰ বাবে উদ্যোগ লোৱা। তাৰ বাবে ইতিমধ্যে অসামৰিক সেৱাৰ পৰীক্ষাত উত্তীর্ণ অসমীয়া বিষয়াৰ দ্বাৰা সমিতি গঠন কৰি যথোপযুক্ত ব্যৱস্থা লোৱা।

**১৯.০ উচ্চ শিক্ষা ঃ**

১৯.০.১ উচ্চ শিক্ষা বিনামূলীয়া আৰু গুণসম্পন্ন কৰা।

১৯.০.২ সকলো চৰকাৰী মহাবিদ্যালয়ত পর্যাপ্ত পৰিমাণে আসন বৃদ্ধি কৰা। বিশ্ববিদ্যালয়সমূহত পর্যাপ্ত আসন বৃদ্ধি কৰা। বেচৰকাৰী শিক্ষানুষ্ঠানসমূহত দৰিদ্র শ্রেণীৰ ছাত্র-ছাত্রীৰ বাবে আসন সংৰক্ষণ কৰা।

১৯.০.৩ অসমৰ মেডিকেল কলেজ, অভিযান্ত্রিক মহাবিদ্যালয় আৰু অন্যান্য কাৰিকৰী শিক্ষানুষ্ঠানসমূহক অধিক সাহায্য প্রদান কৰি এইবোৰৰ মান উন্নত কৰা হ'ব আৰু আসন বৃদ্ধি কৰা হ'ব।

১৯.০.৪ অসমৰ সকলো বিশ্ববিদ্যালয়ক সম্পূর্ণ চৰকাৰী অর্থনৈতিক পৃষ্ঠপোষকতা আগবঢ়োৱা হ'ব, যাতে এইবোৰক সর্বভাৰতীয় পর্যায়ৰ বিশ্ববিদ্যালয়ত পৰিণত কৰিব পাৰি।

১৯.০.৫ ইঞ্জিনীয়াৰিং কলেজ, বিভিন্ন চৰকাৰী মহাবিদ্যালয়, বিশ্ববিদ্যালয়সমূহৰ পৰা চৌহদ (Campus) নিযুক্তিৰ ব্যৱস্থা কৰা।

১৯.০.৬ অসমত ব্যৱসায় কৰা সকলো কোম্পানীক প্রতিখন জিলাৰ কলেজসমূহৰ পৰাই নিযুক্তি দিবলৈ বাধ্য কৰা। ছাত্রই কোম্পানীৰ দুৱাৰে দুৱাৰে চাকৰি বিচাৰি যাব লগাৰ পৰিৱেশ নাইকিয়া কৰা। কোম্পানীবোৰক বাধ্য কৰা মহাবিদ্যালয়ৰ দুৱাৰত উপস্থিত হৈ ছাত্র-ছাত্রীক চাকৰি দিবলৈ।

১৯.০.৭ ছাত্র বৃত্তিসমূহ আৰু গৱেষণাৰ অনুদানসমূহ নিয়মীয়াকৈ প্রদান কৰা।

১৯.০.৮ ভাৰত চৰকাৰক অসমত IIM কে ধৰি অন্যান্য কেন্দ্রীয় প্রতিষ্ঠানসমূহ প্রতিষ্ঠা কৰিবলৈ দাবী জনোৱা।

১৯.০.৯ অসমৰ আটাইবোৰ বিশ্ববিদ্যালয়ৰ পুথিভঁৰাল ৰাষ্ট্ৰীয় মানৰ কৰা আৰু সেইবোৰ ২৪ ঘণ্টাই খোলা ৰখাৰ ব্যৱস্থা কৰা।

**১৯.১.০ শিক্ষাৰ বাবে ধন ঃ**

১৯.১.০.১ শিক্ষাৰ বাবে বাজেটত পৰ্যাপ্ত ধন ধাৰ্য কৰা।

১৯.১.০.২ অসমত থকা সকলো কোম্পানী আৰু বৃহৎ ব্যৱসায় প্ৰতিষ্ঠানৰ 'চি এছ আৰ' পুঁজিৰ বুজন অংশ এটা চৰকাৰী শিক্ষাৰ বাবে দিয়াৰ ব্যৱস্থা কৰা।

১৯.১.০.৩ প্ৰয়োজন হ'লে 'এডুকেচন চেছ' ৰ ব্যৱস্থা কৰা।

**১৯.১.১ * শিক্ষা বিষয়ত আমাৰ বিশেষ কৰ্মসূচী ঃ**

১৯.১.১.১ বিত্তীয় সাক্ষৰতা বিদ্যালয় পাঠ্যক্ৰমৰ এক অংশ কৰা।

১৯.১.১.২ প্লাষ্টিক সংকট বিদ্যালয়ৰ পাঠ্যক্ৰম আৰু অনুশীলনৰ অংশ হিচাপে অন্তৰ্ভূক্তি কৰা।

১৯.১.১.৩ অসমৰ সকলো চৰকাৰী আৰু বেচৰকাৰী বিদ্যালয়তেই অসম, উত্তৰ-পূব তথা ভাৰতবৰ্ষৰ স্থানীয় সংস্কৃতি তথা বৈচিত্ৰ্যক সামৰি লোৱা। বৈচিত্ৰ্যক পাঠ্যক্ৰমত অন্তৰ্ভূক্তি আৰু পালনত গুৰুত্ব প্ৰদান কৰা।

১৯.১.১.৪ দ্ৰুত পৰিৱৰ্তনশীল ডিজিটেল পৰিৱেশ/পৃথিৱীৰ লগত তাল মিলাবলৈ বিদ্যালয়ৰ শিশুসমূহৰ কাৰণে বৰ্গীকৰণ (coding)ৰ ব্যৱস্থা কৰা। সময়ৰ চাহিদা পূৰণ কৰিবলৈ বিদ্যালয়সমূহৰ ডিজিটেল আন্তঃগাঁথনি শক্তিশালী কৰা।

১৯.১.১.৫ শিক্ষাৰ ক্ষেত্ৰত সূতবিহীন ঋণ প্ৰদান কৰা। স্থগিত সময়সীমা (Moratorium period) এক বছৰৰ পৰা দুই বছৰলৈ বৃদ্ধি কৰা।

১৯.১.১.৬ সামাজিক মাধ্যম নৈতিকতাৰে ব্যৱহাৰ সম্পৰ্কীয় পাঠ্যক্ৰম। কেনেকৈ সঁচা/মিছা চিনাক্ত কৰিব পাৰিব তাক পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা।

১৯.১.১.৭ গণিত, অসমীয়া আৰু ইংৰাজীৰ প্ৰৱণতাৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়া।

১৯.১.১.৮ কট্টৰতা (Radicalisation) আৰু ধৰ্মীয় মেৰুকৰণ (Polarisation)ৰ প্ৰভাৱ সম্পৰ্কত পাঠ্যক্ৰম প্ৰস্তুত কৰা।

*(* এই অংশ শ্ৰীমতী প্ৰেৰণা নন্দিতা বৈষ্ণৱৰ পৰামৰ্শৰ পৰা লোৱা হৈছে।)*

**১৯.১.১.০ শিক্ষা দৰ্শন ঃ**

১৯.১.১.০.১ এক নতুন শিক্ষানীতি প্ৰণয়ন আৰু নতুন শিক্ষা ব্যৱস্থা আৰম্ভ কৰা। ৰাষ্ট্ৰীয় শিক্ষানীতি,

২০২০ এনেদৰে প্ৰয়োগ কৰা যাতে অসমবাসীৰ সাংস্কৃতিক বিচিত্ৰতাৰ হানি নহয় আৰু ব্যক্তিগতকৰণে যাতে শিক্ষাক গ্ৰাস কৰিব নোৱাৰে। শিক্ষাৰ সাম্প্ৰদায়িকীকৰণ সমূলি বন্ধ কৰা।

১৯.১.১.০.২ মাতৃভাষাত আনুষ্ঠানিক শিক্ষা সৰ্বভাৰতীয় মানত প্ৰদানৰ ব্যৱস্থা কৰা।

১৯.১.১.০.৩ শিক্ষাৰ উদ্দেশ্য হ'ব সৃজনী প্ৰতিভাৰ সৰ্বোত্তম বিকাশ।

১৯.১.১.০.৪ আমনি লগা নহয়; আনন্দৰ মাজেৰে শিক্ষা— এই নীতি মানি চলা।

১৯.১.১.০.৫ সংগীত আৰু ক্ৰীড়া শিক্ষাৰ অংগ কৰা।

১৯.১.১.০.৬ শিক্ষাৰ লগত শিল্প-কলাক সাঙুৰি লোৱা।

১৯.১.১.০.৭ শাৰীৰিক অনুশীলনেৰে শাৰীৰিক-মানসিক সুস্থতা বজাই ৰখাৰ ব্যৱস্থা কৰা।

১৯.১.১.০.৮ প্ৰতিজন শিক্ষাৰ্থীক পৰিৱেশ সচেতন কৰি তোলা।

১৯.১.১.০.৯ দেশপ্ৰেম আৰু সমাজৰ প্ৰতি দায়বদ্ধতা প্ৰকাশ।

১৯.১.১.০.১০ বিশ্বৰ শেহতীয়া প্ৰযুক্তিৰ সৈতে চিনাকি কৰা।

## অধ্যায় ২০

# স্বাস্থ্য খণ্ড

## সকলোৰে বাবে সৰ্বোৎকৃষ্ট স্বাস্থ্যসেৱাৰ নিশ্চয়তা

২০.১ প্ৰসূতি মৃত্যু আৰু শিশু মৃত্যুৰ হাৰ প্ৰথমে সৰ্বভাৰতীয় গড়তকৈ উৰ্ধগামী কৰা আৰু পৰ্যায়ক্ৰমে সৰ্বভাৰতীয় ক্ষেত্ৰত উচ্চ স্থান লাভৰ যত্ন কৰা। তাৰ বাবে সকলো কাৰ্যব্যৱস্থা গঢ়ি তোলা।

২০.২ সকলোবোৰ চিকিৎসা মহাবিদ্যালয়ত (পূৰ্বে প্ৰতিষ্ঠিত, নতুন আৰু নিৰ্মীয়মাণ) দক্ষ প্ৰশাসক নিয়োগ কৰাৰ উপৰিও উপযুক্ত চিকিৎসক নিয়োগ, যথেষ্ট নাৰ্ছ আৰু অন্যান্য কৰ্মচাৰী নিয়োগ কৰি উন্নত সেৱা আগবঢ়োৱা। এইবোৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ চিকিৎসা মহাবিদ্যালয়ৰ দৰে গঢ়ি তোলা।

২০.৩ পৰ্যায়ক্ৰমে প্ৰতিখন পঞ্চায়ত এলেকাৰ বাবে এটা স্বাস্থ্যকেন্দ্ৰ স্থাপন কৰা। মোবাইল প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ জৰিয়তে ৰাজ্যখনৰ ভিতৰুৱা গাঁৱতো স্বাস্থ্য সেৱা প্ৰদানৰ বাবে যত্নবান হোৱা। প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ উপৰিও জনতাৰ মাজত তৃণমূল পৰ্যায়ত স্বাস্থ্য সেৱা প্ৰদানৰ ব্যৱস্থা। ৰাইজৰ অংশগ্ৰহণ বৃদ্ধি, পৰিয়ালৰ মাজত শিক্ষা, পৰিয়ালৰ সাহায্য আৰু ঘৰে ঘৰে গৈ স্বাস্থ্য সেৱা প্ৰদান কৰা।

২০.৪ প্ৰতিটো স্বাস্থ্যকেন্দ্ৰত উপযুক্ত, দায়িত্বশীল ডাক্তৰ, নাৰ্ছ, ফাৰ্মাচিষ্ট, টেকনিচিয়ান দৈনিক উপস্থিত

থাকি নিশ্চিত স্বাস্থ্য সেৱা প্ৰদানৰ ব্যৱস্থা কৰা। মানসম্পন্ন উন্নত স্বাস্থ্য সেৱা নিশ্চিত কৰা। প্ৰতিটো প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত বা ৰেলনেচ কেন্দ্ৰত নাৰ্চ, স্বাস্থ্য কৰ্মী আৰু ডাক্তৰ 'আয়ুস' (Ayush)ৰ পৰা লোৱা হ'ব।

২০.৫ প্ৰতিজন মানুহেই উৎকৃষ্ট স্বাস্থ্যসেৱা পোৱাটো অধিকাৰত পৰিণত কৰিবলৈ এখন আইন তৈয়াৰ কৰা। উৎকৃষ্ট স্বাস্থ্যসেৱাৰ আন্তঃগাঁথনি নিৰ্মাণ কৰা। স্বাস্থ্য সেৱাৰ অধিকাৰ লাভ। ব্লক পৰ্যায়ত প্ৰতিকাৰ, চিকিৎসা আৰু পুনঃসংস্থাপনক অন্তৰ্ভুক্ত কৰা। যিকোনো অঞ্চলতে মানসম্পন্ন সেৱা আগবঢ়োৱা। প্ৰাথমিক স্বাস্থ্য সেৱাৰ পৰা সকলোবোৰ স্বাস্থ্য কৰ্মসূচী সাজু কৰি তোলা।

২০.৬ স্বাস্থ্যখণ্ডত স্বাস্থ্যসেৱাৰ বৈপ্লৱিক পৰিৱৰ্তন সাধন কৰিবলৈ এক সামাজিক আন্দোলন গঢ়ি তোলা, যাতে চিকিৎসক, নাৰ্ছ, স্বাস্থ্যকৰ্মীসকলে স্বাস্থ্যসেৱাক পবিত্ৰ দায়িত্ব হিচাপে লৈ আত্মোৎসৰ্গিত স্বাস্থ্যসেৱা আগবঢ়ায়, জনগণে এক যথোচিত স্বাস্থ্য সেৱা লাভ কৰে আৰু চিকিৎসাৰ লগত জড়িতসকলক শ্ৰদ্ধা কৰে, জনগণ স্বাস্থ্যসেৱা সম্পৰ্কে সজাগ সচেতন হয় আৰু সমাজে স্বাস্থ্যসেৱাক এক পবিত্ৰ জাতীয় প্ৰাপ্তি হিচাপে অনুভৱ কৰে। ডাক্তৰ আৰু স্বাস্থ্যকৰ্মীক আক্ৰমণৰ বিৰুদ্ধে কঠোৰ আইন প্ৰণয়ন কৰা।

২০.৭ পৰীক্ষা-নিৰীক্ষাৰ ক্ষেত্ৰত যথাসম্ভৱ বিনামূলীয়া কৰিবলৈ সকলো প্ৰচেষ্টা হাতত লোৱা। সকলোবোৰ পৰীক্ষাকেন্দ্ৰ, পৰীক্ষা যন্ত্ৰৰ প্ৰাপ্তি নিশ্চিত কৰা।

২০.৮ প্ৰতিখন জিলা চিকিৎসালয় বৰ্দ্ধিত কৰা, বিছনাৰ সংখ্যা বঢ়োৱা, পৰীক্ষাগাৰ আৰু যন্ত্ৰপাতি উন্নত কৰা, পৰিষ্কাৰ-পৰিচ্ছন্ন কৰা, অধিক ডাক্তৰ আৰু স্বাস্থ্যকৰ্মী নিয়োগ কৰা আৰু উন্নত সেৱাৰ ব্যৱস্থা। বেচৰকাৰী খণ্ডতকৈ চৰকাৰী খণ্ডৰ চিকিৎসালয়ৰ প্ৰতি জনগণৰ আস্থা বৃদ্ধি কৰা। প্ৰতিখন জিলা চিকিৎসালয়ক পৰ্যায়ক্ৰমে চিকিৎসা মহাবিদ্যালয় আৰু নাৰ্ছিং কলেজলৈ উন্নীত কৰা।

২০.৯ মেলেৰীয়া, ডায়েৰীয়া, জাপানীজ এন্‌কেফেলাইটিছ, এন্‌কেফেলাইটিছ সদৃশ ৰোগ, ডেংগু, ছ'ৱাইন ফ্লু আদি ৰোগ প্ৰতিৰোধৰ বাবে অগ্ৰাধিকাৰ দিয়া আৰু ব্যাপক সজাগতা গঢ়ি তোলা। এই ক্ষেত্ৰত ৰাষ্ট্ৰীয় স্বাস্থ্য কৰ্মসূচীবোৰ প্ৰয়োগ কৰা হ'ব।

২০.১০ ৰাজ্যৰ সকলো ধৰণৰ এম্বুলেঞ্চ সেৱা ক্ষিপ্ৰতাৰে আৰু সহজতে পোৱাৰ ব্যৱস্থা কৰা।

২০.১১ কৰ্কট ৰোগৰ চিকিৎসা, কিডনী চিকিৎসা, হৃদৰোগ চিকিৎসা, যক্ষ্মা ৰোগৰ চিকিৎসাৰ বাবে অধিক উন্নততৰ ব্যৱস্থা গঢ়ি তোলা।

২০.১২ প্ৰতিখন জিলাত টেলি মেডিচিনৰ শাখা আৰম্ভ কৰাৰ চেষ্টা কৰা আৰু স্বাস্থ্য ৰেলনেচ কেন্দ্ৰ তথা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰক সংযুক্ত কৰা। এই কেন্দ্ৰবোৰে তলৰ সেৱাসমূহ প্ৰদান কৰিব —

১) স্বাস্থ্য সেৱা

২) প্ৰশিক্ষণ

৩) ৰাষ্ট্ৰীয় স্বাস্থ্য কৰ্মসূচীসমূহ নিৰীক্ষণ কৰা আৰু

৪) প্ৰশাসনিক উদ্দেশ্য

২০.০ **মানসিক স্বাস্থ্য সন্দৰ্ভত বিশেষ কৰ্মসূচী ঃ**

২০.০.১ মানসিক স্বাস্থ্য আৰু সামগ্ৰিক কল্যাণৰ বাবে ৰাজ্যৰ স্বাস্থ্য বিভাগক দুটা ভাগত বিভক্ত কৰা হ'ব — শাৰীৰিক স্বাস্থ্য আৰু মানসিক স্বাস্থ্য (Wellness Ministry)।

২০.০.২ ৰাষ্ট্ৰীয় মানসিক স্বাস্থ্য আৰু জিলা মানসিক স্বাস্থ্য কৰ্মসূচী আৰু ব্লক মানসিক স্বাস্থ্য কৰ্মসূচী ৰূপায়ন কৰা।

২০.০.৩ এক ব্যৱস্থাগত পৰিৱৰ্তন সাধন কৰা হ'ব আৰু সকলো পুনৰ সংস্থাপন জড়িত স্বাস্থ্য বিষয় স্বাস্থ্য বিভাগৰ অন্তৰ্গত হোৱা উচিত হ'ব। আনহাতে মানসিক স্বাস্থ্য "Wellness Ministry" ৰ অন্তৰ্গত হ'ব।

২০.০.৪ প্ৰতিটো ব্লকতে শাৰীৰিক আৰু মানসিক স্বাস্থ্য Wellness কেন্দ্ৰ স্থাপন কৰা হ'ব। মানসিক স্বাস্থ্যৰ বাবে ৰাজ্যখনত অতি কমেও ১০০ একৰ মাটি লৈ এটা 'মডিফিকেচন কেন্দ্ৰ' স্থাপন কৰা হ'ব, য'ত ক্ৰীড়া, সাংস্কৃতিক কাৰ্যকলাপ, সামাজিক কাৰ্যকলাপ আৰু ভকেচনেল প্ৰশিক্ষণৰ ব্যৱস্থাও থাকিব।

২০.০.৫ মানসিক স্বাস্থ্য সম্পৰ্কীয় সকলো বিষয়ৰ বাবে গৱেষণা কেন্দ্ৰ স্থাপন কৰা।

২০.০.৬ প্ৰতিখন জিলাত মানসিকভাৱে বিশেষভাৱে সক্ষমসকলৰ বাবে বিশেষ কেন্দ্ৰ স্থাপন কৰা।

২০.০.৭ প্ৰতিখন জিলাৰ ব্লকত ড্ৰাগ্‌চ আৰু মদৰ নিচামুক্তি কেন্দ্ৰ স্থাপন কৰা। মানসিক ৰোগীৰ আচৰণ সমস্যা, তাৰ ভিতৰত ইণ্টাৰনেট আসক্তিৰ দৰে সমস্যা থকা লোকৰ বাবে কেন্দ্ৰ স্থাপন কৰা।

২০.০.৮ প্ৰতিখন জিলাত কমেও ২০ খন বিচনাযুক্ত মানসিক চিকিৎসা কেন্দ্ৰ স্থাপন কৰা।

২০.০.৯ পি পি পি মডেলত পৰ্যায়ক্ৰমে সকলো নগৰ আৰু মহানগৰত "ডে কেয়াৰ চেণ্টাৰ" স্থাপন কৰা।

২০.০.১০ সকলো বিদ্যালয়, পঞ্চায়ত পৰ্যায়ত আৰু ধৰ্মীয় প্ৰতিষ্ঠানত সামাজিকভাৱে অতি স্পৰ্শকাতৰ বিষয়বোৰ, যেনে — আত্মহত্যা প্ৰতিৰোধ, লিংগ সচেতনতা বৃদ্ধি, ব্যৱহাৰ আসক্তিৰ প্ৰতিৰোধ, জীৱন কৌশল শিক্ষাৰ প্ৰশিক্ষণ, খং ব্যৱস্থাপনা, গাৰ্হস্থ্য হিংসা প্ৰতিৰোধ, ড্ৰাগ্‌চৰ ব্যৱহাৰ আদি বিষয়ত জনসজাগতাৰ কাৰ্যসূচী গ্ৰহণ কৰা।

২০.০.১১ টেলি-মেণ্টেল স্বাস্থ্য সেৱা সকলো জিলাতে আৰম্ভ কৰা আৰু স্বাস্থ্য তথা ৱেলনেচ কেন্দ্ৰবোৰৰ সৈতে সংযোগ কৰা।

২০.০.১২ প্ৰতিটো প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ (PHC) অত মনঃস্তত্ত্ব বিশেষজ্ঞ, যোগ প্ৰশিক্ষক আৰু বিশেষ শিক্ষকৰ নিয়োগ নিশ্চিত কৰা।

২০.০.১৩ "ৰাইট টু পাৰ্চনচ উইথ ডিজএবিলিটি এক্ট, ২০১৬" আৰু "মেণ্টেল হেল্থ কেয়াৰ এক্ট, ২০১৭" সুবিবেচিতভাৱে ৰূপায়ন কৰা।

**মুঠতে কৃষি, শিক্ষা তথা স্বাস্থ্যখণ্ডত সৰ্বাধিক মনোযোগ দিয়া আৰু সৰ্বাধিক ধন ব্যয় কৰি এক সমৃদ্ধ, শিক্ষিত আৰু সুস্বাস্থ্যবান জাতি হিচাপে অসমবাসীক গঢ়ি তোলা।**

## অধ্যায় ২১
# গড়কাপ্তানি বিভাগ

২১.১ অসমৰ যাতায়ত ব্যৱস্থাৰ সকলোবোৰ আন্তঃগাঁথনি নিৰ্মাণ কৰা।

২১.২ প্ৰতিটো গ্ৰাম্য পথক গড়কাপ্তানি পথৰ লগত সংযোগ, গড়কাপ্তানি পথক ৰাষ্ট্ৰীয় ঘাইপথৰ লগত সংযোগ, গড়কাপ্তানি পথৰ লগত নগৰৰ সংযোগ, গড়কাপ্তানি পথৰ লগত জিলা সদৰৰ সংযোগৰে এটা সুপৰিকল্পিত নেটৱৰ্কৰে সকলো পথ পৰ্যায়ক্ৰমে পকী কৰা।

২১.৩ প্ৰতিটো পঞ্চায়ত, খণ্ড উন্নয়ন কাৰ্যালয়, ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়, মহকুমাধিপতিৰ কাৰ্যালয়, উপায়ুক্তৰ কাৰ্যালয় আৰু সকলো গড়কাপ্তানি বিভাগৰ কাৰ্যালয়ত সংশ্লিষ্ট অঞ্চলৰ প্ৰতিটো পথৰ মেপ আঁৰি থ'ব, যাতে অনবৰতে সংশ্লিষ্ট বিষয়াসকলে নিজ নিজ এলেকাৰ পথবোৰ মেৰামতি আৰু নিৰ্মাণৰ বাবে সক্ৰিয় হৈ থাকিব পাৰে।

২১.৪ বাঁহ-কাঠৰ দলং আৰু পুলসমূহ পৰ্যায়ক্ৰমে সকলোবোৰ পকী কৰা।

২১.৫ অধিক ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ বাবে কেন্দ্ৰক প্ৰস্তাৱ দিয়া, হেঁচা দিয়া আৰু বৰ্তমানে থকা ৰাষ্ট্ৰীয় ঘাইপথসমূহ সদায়ে যথাসময়ত মেৰামতি কৰা তথা সম্প্ৰসাৰণ কৰোৱাৰ ব্যৱস্থা কৰা।

২১.৬ চাৰি লেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ টোলগেট বন্ধ কৰাৰ বাবে কেন্দ্ৰীয় পথ পৰিবহন বিভাগক হেঁচা দিয়া।

২১.৭ প্ৰতিটো ৰাষ্ট্ৰীয় ঘাইপথৰ নিৰ্দিষ্ট দূৰত্বত আধুনিক প্ৰযুক্তিৰ ৰাজহুৱা টয়লেট নিৰ্মাণ কৰা।

২১.৮ যিকোনো পথ নিৰ্মাণ কৰোতে স্বাভাৱিকভাৱে বৈ থকা পানীৰ সোঁতক বাধা প্ৰদান নকৰা।

২১.৯ অসমৰ প্ৰতিখন গাঁও আৰু নগৰত পৰ্যায়ক্ৰমে অত্যাধুনিক ৰাজহুৱা প্ৰেক্ষাগৃহ নিৰ্মাণ কৰা।

২১.১০ গড়কাপ্টানি বিভাগে তৈয়াৰ কৰা পথ, দলং আৰু গৃহৰ মান উন্নত কৰা।

# অধ্যায় ২২
# পশু পালন

২২.১ পশুপালনক অত্যন্ত গুৰুত্ব দিয়া হ'ব —

তলৰ ক্ষেত্ৰসমূহক মিছন ৰূপে গণ্য কৰি আগবঢ়া হ'ব ঃ

(ক) গৰু, ম'হ পালন

(খ) ছাগলী, ভেৰা পালন

(গ) গাহৰি পালন

(ঘ) হাঁহ-কুকুৰা পালন

(ঙ) ব্ৰয়লাৰ মুৰ্গী পালন

(চ) বটা চৰাই পালন

(ছ) কণী উৎপাদন

(জ) গাখীৰ উৎপাদন

(ঝ) দৈ, মাখন, মিঠাই উৎপাদন কৰা।

২২.২ অসমৰ বিভিন্ন গাঁৱত পশু খাদ্য উৎপাদন কৰা। ঘাঁহ উৎপাদনত গুৰুত্ব প্ৰদান কৰা।

২২.৩ পশু খাদ্যৰ ক্ষেত্ৰত ৰাজ্যখনক স্বনিৰ্ভৰশীল কৰিবলৈ উদ্যোগ লোৱা।

২২.৪ পৰ্যাপ্ত পশু চিকিৎসা কেন্দ্ৰ স্থাপন কৰি পশু পালনক জীৱিকাৰ এক মূল আহিলাত পৰিণত কৰা। অসমৰ প্ৰতিখন পশু চিকিৎসালয় অধিক সক্ৰিয় আৰু শক্তিশালী কৰা।

২২.৫ পশু ৰোগ প্ৰতিকাৰৰ বাবে প্ৰতিষেধক সকলো ঠাইতে সুলভ কৰি তোলা।

২২.৬ পশু চিকিৎসা মহাবিদ্যালয়ত জীৱ-জন্তুৰ বাবে দেশৰ ভিতৰতে এক অগ্ৰণী গৱেষণা কেন্দ্ৰ স্থাপন কৰা।

২২.৭ অসমৰ গৰু-গাহৰি, হাঁহ, কুকুৰা আদিৰ প্ৰজাতি চিনাক্তকৰণৰ ব্যৱস্থা কৰা।

২২.৮ পোহনীয়া কুকুৰৰ সঠিক স্বাস্থ্য পৰীক্ষা আৰু প্ৰতিটো পোহনীয়া কুকুৰক 'এণ্টি ৰেবিজ ভেকচিন' দিয়াটো বাধ্যতামূলক কৰা।

২২.৯ ব্ৰয়লাৰ মুৰ্গী পালনত থকা সকলো ছিণ্ডিকেট বন্ধ কৰা। ব্ৰয়লাৰ মুৰ্গীৰ খাদ্যৰ ছিণ্ডিকেট নিৰ্মূল কৰা। খাদ্যৰ ব্যাপক উৎপাদনৰ ব্যৱস্থা কৰা যাতে উত্তৰ-পূৰ্বাঞ্চলৰ সমগ্ৰ বজাৰ দখল কৰিব পাৰি।

২২.১০ গৰুৰ ছিণ্ডিকেট বন্ধ কৰা।

২২.১১ পৰম্পৰাগত গাহৰি পালনত উৎসাহিত কৰাৰ লগতে গাহৰি পালনক এক উদ্যোগৰূপে গঢ়ি এই কামক অত্যন্ত বৃহৎ ব্যৱসায়ৰূপে প্ৰতিষ্ঠা কৰা। স্থানীয় গাহৰি পালকক সকলো ধৰণৰ চৰকাৰী পৃষ্ঠপোষকতা আগবঢ়োৱা। বাহিৰৰ গাহৰি আমদানি বন্ধ কৰা। উত্তৰ-পূৰ্বাঞ্চলৰ বজাৰ দখল কৰা।

২২.১২ কণী উৎপাদনত অসমক স্বাৱলম্বী কৰা আৰু ওচৰ-চুবুৰীয়া ৰাজ্যৰ বজাৰ দখল কৰা।

২২.১৩ গাখীৰ, দৈ, মাখন, মিঠাই আদি উৎপাদনত নতুন যুগৰ সূচনা কৰা। এক দুগ্ধ বিপ্লৱ গঢ়ি তোলা।

২২.১৪ সকলোবোৰ দুগ্ধ উৎপাদন সমবায়ক সাহায্য প্ৰদান কৰা।

## অধ্যায় ২৩

# মৎস্য পালন

২৩.১ মৎস্য পালনক অসমৰ উন্নয়নী আঁচনিৰ এটা প্ৰধান অংগ কৰা। মৎস্য পালন হ'ব আমাৰ অগ্ৰাধিকাৰ ভিত্তিক কৰ্মসূচী।

২৩.২ অসমৰ থলুৱা মাছ, কেকোঁৰা, কুচিয়া, খাদ্য শামুক উৎপাদনত যথোচিত গুৰুত্ব প্ৰদান কৰা।

২৩.৩ খাল, ডোং, পিতনি, ফুট, বিল, জান, জুৰি, নদ-নদীৰ থলুৱা মাছ সংৰক্ষণ আৰু বিকাশৰ ব্যৱস্থা কৰা।

২৩.৪ কণী পৰা আৰু পোনা উলিওৱাৰ সময়ত মাছ মৰা নিষিদ্ধ কৰা। নদীত বিহ দিয়া কঠোৰভাৱে বন্ধ কৰা। তাৰ বাবে জন সজাগতা গঢ়ি তোলা।

২৩.৫ ব্যৱসায়ৰ বাবে ব্যাপক ৰূপত উন্নত জাতৰ মাছ পালন আৰু বজাৰ দখল কৰা। খেতিৰ সমানে মাছ পালনত গুৰুত্ব প্ৰদান কৰা।

২৩.৬ মাছ উৎপাদনত অসমক স্বনিৰ্ভৰশীল কৰা আৰু চালানী মাছ অহাৰ পৰিবেশ শেষ কৰা।

২৩.৭ উত্তৰ-পূৰ্বাঞ্চলৰ বজাৰৰ মাছৰ প্ৰয়োজনীয়তা পূৰণৰ চেষ্টা কৰা।

২৩.৮ মাছ পালন আৰু মাছৰ ব্যৱসায়ক অসমত জনপ্ৰিয় কৰিবলৈ সৰ্বস্ব শক্তি প্ৰয়োগ কৰা। মাছৰ পোণা উৎপাদনত যথাযোগ্য গুৰুত্ব দিয়া।

২৩.৯ আলংকাৰিক মাছ উৎপাদন আৰু ৰপ্তানি কৰা।

২৩.১০ মাছৰ খাদ্য উৎপাদনত গুৰুত্ব দিয়া আৰু মাছ পালকক সুলভ মূল্যত মাছৰ খাদ্য যোগান ধৰা।

২৩.১১ ফিচাৰী বিভাগটোক দুৰ্নীতিমুক্ত আৰু দক্ষ কৰা।

২৩.১২ বিল-নদ-নদীবোৰ ডাক মুক্ত কৰি জনগণৰ বাবে মুকলি কৰি দিয়া।

২৩.১৩ অনুসূচীত জাতিৰ লোকসকলৰ সমবায় সমিতিসমূহক গুৰুত্ব দিয়া।

২৩.১৪ মাছৰ বজাৰবোৰৰ আন্তঃগাঁথনি নিৰ্মাণ কৰা আৰু চাফ-চিকুণ বজাৰ ব্যৱস্থা গঢ়ি তোলা। বজাৰত গঢ়ি উঠা ছিণ্ডিকেটৰাজ বন্ধ কৰা।

২৩.১৫ চৰকাৰী মৎস্য পামসমূহ সংৰক্ষণ আৰু বিকাশ কৰা। থলুৱা উদ্যোগী যুৱকৰ দ্বাৰা এইবোৰত মাছ উৎপাদন কৰা।

## অধ্যায় ২৪

# হস্ততাঁত, বস্ত্ৰ শিল্প, ৰেচম

হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম শিল্প অসমীয়া জাতিৰ এটা পৰম্পৰাগত স্বাভাৱিক শিল্পকাৰ্য। গতিকে অসমীয়া জাতিৰ এই বিশিষ্ট শিল্পকাৰ্যক বিশ্বৰ এটা উল্লেখনীয় শিল্পকাৰ্য ৰূপে জিলিকাই ৰাখিবলৈ আৰু এই শিল্পৰ জৰিয়তে নিয়োগ বৃদ্ধিৰে জাতিটোৰ ভৱিষ্যতেই বদলাই দিবলৈ যত্নবান হোৱা।

২৪.১ হস্ততাঁত শিল্পক সমগ্ৰ অসমত ব্যাপক প্ৰচলন আৰু পৃষ্ঠপোষকতা কৰা। ঘৰে ঘৰে তাঁতশালক উৎসাহিত কৰাৰ উপৰিও গাঁৱত সমূহীয়া তাঁতশাল ভৱন গঢ়ি তোলা। পৰম্পৰাগত তাঁতশালৰ উপৰিও আধুনিক তাঁতশাল যোগান ধৰা যাতে উৎপাদন বৃদ্ধি হয় আৰু ব্যয় হ্ৰাস পায়।

২৪.২ ৰেহাই মূল্যত সূতা প্ৰদানৰ ব্যৱস্থা কৰা।

২৪.৩ শুৱালকুছি আৰু অন্যান্য ঠাইত থকা বস্ত্ৰ উদ্যোগক সহায়-সাহায্য কৰা।

২৪.৪ এৰী, মুগা আৰু পাট কাপোৰ অসমৰ পৰিচয় সূচক এইসমূহ কাপোৰ আৰু কাপোৰৰ দ্বাৰা তৈয়াৰী পোছাক দেশ- বিদেশত জনপ্ৰিয় কৰি তোলা।

২৪.৫ অসমৰ পৰম্পৰাগত এৰী উৎপাদন, পাট আৰু মুগা শিল্পক যথাযোগ্য গুৰুত্ব দি উৎপাদনত উৎসাহিত কৰা আৰু ব্যৱসায়ত সহযোগিতা আগবঢ়োৱা।

২৪.৬ অসমৰ সকলো মুগা পামক সংৰক্ষিত কৰা আৰু প্ৰদূষণৰ পৰা ৰক্ষাৰ ব্যৱস্থা কৰা। য'ত নিয়মীয়াকৈ মুগা পালন কৰা হ'ব।

২৪.৭ অসমৰ স্থানীয় ব্যৱসায়ী আৰু উদ্যোগীয়ে থলুৱা বস্ত্ৰ ব্যৱসায়ক জনপ্ৰিয় আৰু মূল্য সংযোজনৰ বাবে কৰা প্ৰচেষ্টাক পৃষ্ঠপোষকতা কৰা।

২৪.৮ হস্ততাঁত, বস্ত্ৰ শিল্প আৰু ৰেচম বিভাগক নিয়োগৰ এটা সুবৃহৎ ক্ষেত্ৰৰূপে গঢ়ি তোলা। এই খণ্ডটোত প্ৰয়োজনীয় পুঁজিৰ যোগান আৰু আন্তঃগাঁথনি তৈয়াৰ কৰি, দেশী-বিদেশী বজাৰৰ লগত যুক্ত কৰি অসমৰ বিশেষ এই ক্ষেত্ৰখনক সমৃদ্ধ কৰা।

## অধ্যায় ২৫
# ভূমি সংৰক্ষণ বিভাগ

২৫.১ ভূমি সংৰক্ষণ বিভাগটোক নতুনকৈ সজাই পৰাই অধিক কাৰ্যক্ষম, সক্ৰিয় আৰু দুৰ্নীতিমুক্ত কৰা।

২৫.২ আমাৰ পৰিৱেশ আৰু পৰিস্থিতিতন্ত্ৰৰ সুৰক্ষাৰ বাবে বিভাগটোক সাজু আৰু সক্ষম কৰি তোলা।

২৫.৩ পতিত মাটি উন্নয়ন, প্ৰকৃতি সংৰক্ষণ, জৈৱ-বৈচিত্ৰ্যৰ সংৰক্ষণ, মাটিৰ ক্ষয় ক্ষতি ৰক্ষা কৰা, ভূমি উন্নয়ন, আৰ্দ্ৰতা সংৰক্ষণ, পানী যোগান, খৰাঙৰ পৰা মাটি ৰক্ষা আদি কামৰ বাবে বিভাগটোক দক্ষ কৰি তোলা।

২৫.৪ ভূমি ক্ষয়, গৰাখহনীয়া ৰোধৰ ব্যৱস্থা কৰা।

২৫.৫ ভূমি সংৰক্ষণমূলক কিছুমান কাম এনৰেগাৰ আঁচনিৰ ভিতৰত অন্তৰ্ভুক্ত কৰা।

২৫.৬ জল সংৰক্ষণৰ কামক গুৰুত্ব প্ৰদান কৰা। খাল, বিল, ডোঙা, ফুট, ডাঙৰ পুখুৰী, জান-জুৰি, সৰু নদী সংৰক্ষণ আৰু বিকাশ কৰা।

২৫.৭ ভূমি সংৰক্ষণ বিভাগটোক কৃষি আৰু গ্ৰাম্য উন্নয়নৰ এটা প্ৰধান অংশৰূপে আগবঢ়াই নিয়া।

## অধ্যায় ২৬
# পৰিবহন ঃ স্থল, জল, ৰে'ল আৰু আকাশীপথ

২৬.১ স্থল আৰু জল পৰিবহনৰ সঠিক ব্যৱস্থা কৰা। ৰাজহুৱা পৰিবহন ব্যৱস্থা ক্ষিপ্ৰ, উপযুক্ত, আৰামদায়ক আৰু শৃংখলাবদ্ধ কৰা।

২৬.২ পৰিবহন বিভাগৰ সকলো ধৰণৰ দুৰ্নীতি অনিয়ম বন্ধ কৰি ৰাজহ বৃদ্ধিৰ কঠোৰ ব্যৱস্থা কৰা।

২৬.৩ অসম ৰাজ্যিক পৰিবহন নিগমক নতুন আৰু শক্তিশালী কৰি তোলা।

২৬.৪ জল পৰিবহনক অধিক কাৰ্যক্ষম আৰু সক্ৰিয় কৰি ব্যৱসায় আৰু পৰ্যটনৰ অন্যতম উৎস কৰি গঢ়ি তোলা। জল পৰিবহন ব্যৱস্থাৰ আধুনিকীকৰণ কৰা।

২৬.৫ অসমৰ সকলো নদীৰ ঘাটসমূহত লেচীৰ দৌৰাত্ম নাইকিয়া কৰা।

২৬.৬ নাওসেৱাত চৰকাৰী নিয়ন্ত্ৰণ বৃদ্ধি আৰু আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰেৰে নাও যাত্ৰা নিৰাপদ কৰি তোলা।

২৬.৭ আভ্যন্তৰীণ জল পৰিবহন বিভাগটো শক্তিশালী কৰি ফেৰী আৰু জাহাজৰ সেৱা বৃদ্ধি কৰা।

২৬.৮ অসম ৰাজ্যিক পৰিবহন নিগম আৰু আভ্যন্তৰীণ জল পৰিবহন বিভাগক অধিক পেছাদাৰী আৰু লাভজনক কৰি গঢ়ি তোলা।

২৬.৯ বেচৰকাৰী বাছ আস্থানসমূহৰ আন্তঃগাঁথনি নিৰ্মাণ আৰু জন সেৱাসমূহৰ ব্যৱস্থা কৰা।

২৬.১০ বেচৰকাৰী সকলো টেক্সি আৰু ট্ৰাককে ধৰি সকলো বাহনৰ আস্থানসমূহৰ আন্তঃগাঁথনি নিৰ্মাণ আৰু চৰকাৰী নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰা।

২৬.১১ পৰিবহনত বিশেষকৈ মহিলা যাত্ৰীৰ বাবে অতি চাফ-চিকুণ অনাময়(প্ৰস্ৰাৱগাৰ/wash room) ব্যৱস্থা বাধ্যতামূলকভাৱে গঢ়ি তোলা।

২৬.১২ কৰ্তব্যৰত অৱস্থাত যিকোনো বাহনৰ চালকসকলৰ মাদকদ্ৰব্য সেৱন পৰীক্ষা কৰি, শাৰীৰিক আৰু মানসিকভাৱে সম্পূৰ্ণ সাজু বুলি নিশ্চিত হ'লেহে বাহন চালনৰ অনুমতি দিয়া। প্ৰতিটো বাহন আস্থানত এইসমূহ পৰীক্ষা কৰাৰ বাবে কঠোৰ নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰি যাত্ৰীৰ সুৰক্ষাৰ বাবে পৰ্যাপ্ত ব্যৱস্থা লোৱা।

২৬.১৩ ড্ৰাইভাৰৰ লাইচেঞ্চ প্ৰদানৰ ব্যৱস্থা স্বচ্ছ কৰা।

২৬.১৪ গাড়ীৰ ৰেজিষ্ট্ৰেচনৰ দুৰ্নীতি বন্ধ কৰা।

২৬.১৫ বেচৰকাৰী যাতায়ত ব্যৱস্থা উন্নত মানৰ কৰাৰ বাবে সকলো ব্যৱস্থা কৰা।

২৬.১৬ ড্ৰাইভাৰ আৰু হেণ্ডিমেনৰ জীৱন-জীৱিকা অধিক উন্নত কৰা।

২৬.১৭ অট'ৰিক্সা সেৱা, বেটাৰি ৰিক্সাসেৱা উন্নত কৰা।

২৬.১৮ চিটিবাছ সেৱা ক্ষিপ্ৰ আৰু আধুনিক কৰা।

২৬.১৯ দূৰণিবটীয়া বাছ সেৱা অধিক নিৰাপদ আৰু উন্নত কৰা।

২৬.২০ টেক্সী সেৱা উন্নত মানৰ কৰা আৰু যাত্ৰীৰ নিৰাপত্তা নিশ্চিত কৰা।

২৬.২১ অসমৰ সকলো ৰে'লপথ দ্বৈত পথলৈ উন্নীত কৰিবলৈ হেঁচা প্ৰয়োগ কৰা।

২৬.২২ অসমৰ সকলো ৰে'লপথত ৰে'লগাড়ী বিজুলীৰ দ্বাৰা চলোৱাত গুৰুত্ব প্ৰদান কৰা।

২৬.২৩ অসমৰ যিকোনো ৰে'লপথতে ব্যক্তিগত ৰে'ল চলাচলত আপত্তি কৰা আৰু ৰে'ল ষ্টেচনকে ধৰি ৰে'ল বিভাগৰ যিকোনো ব্যক্তিগতকৰণ বাধা দিয়া।

২৬.২৪ ৰাজ্যৰ কোনো বিমান বন্দৰ যাতে ব্যক্তিগতকৰণ নহয়, ৰাজহুৱা খণ্ডত থাকে তাৰ বাবে হেঁচা দিয়া।

২৬.২৫ ৰাজ্যৰ বিমান বন্দৰসমূহ উন্নত কৰাৰ বাবে ব্যৱস্থা লোৱা।

## অধ্যায় ২৭
# সমবায় বিভাগ

২৭.১ সমবায় বিভাগটোক গুৰুত্ব প্ৰদান কৰা।

২৭.২ নতুন নতুন সমবায় সমিতি গঠনৰ বাবে উৎসাহ প্ৰদান কৰা। বিশেষকৈ কৃষি ভিত্তিক উদ্যোগ আৰু MSME গঠনত সমবায় ধাৰণাক উৎসাহিত কৰা।

২৭.৩ গ্ৰাম পঞ্চায়ত পৰ্যায়ৰ সমবায় সমিতিসমূহক শক্তিশালী আৰু দুৰ্নীতিমুক্ত কৰা।

২৭.৪ গাঁৱে-ভূঞে পৰি থকা ভূমিত কৃষি সমবায় সমিতিৰ জৰিয়তে উৎপাদন বৃদ্ধি কৰা।

২৭.৫ ৰাজ্যজুৰি এক সমবায় আন্দোলন গঢ়ি তোলা।

## অধ্যায় ২৮
# ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান

২৮.১ অসমৰ ৰাজহুৱা খণ্ডৰ চলি থকা কোনো প্ৰতিষ্ঠান আমাৰ চৰকাৰৰ দিনত বন্ধ কৰা নহ'ব।

২৮.২ চলি থকা প্ৰতিষ্ঠানসমূহ অধিক সক্ৰিয়, লাভজনক আৰু উদ্যোগী কৰিবলৈ প্ৰচেষ্টা কৰা।

২৮.৩ নতুন নতুন ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান গঢ়ি তোলা।

২৮.৪ ৰাজনৈতিক বিচাৰ বিবেচনাৰে ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানবোৰ পৰিচালনা কৰা বন্ধ কৰা। ৰাজহুৱা খণ্ডত ৰাজনৈতিক নিযুক্তি বন্ধ কৰা। প্ৰকৃত সৎ, দক্ষ, গুণী আৰু পৰিচালনাৰ ক্ষমতা থকা লোককহে নীতি নিৰ্ধাৰণ আৰু পৰিচালনাৰ দায়িত্ব দিয়া।

২৮.৫ সকলোবোৰ ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান পেছাদাৰী দক্ষতাৰে পৰিচালনা কৰা।

২৮.৬ ৰাজহুৱা খণ্ড পৰিচালনাৰ এটা উপযুক্ত নীতি প্ৰণয়ন কৰা।

## অধ্যায় ২৯
# মানৱ সম্পদ উন্নয়ন

**২৯.১ সুস্বাস্থ্য ঃ** প্ৰতিখন শিক্ষানুষ্ঠানতে ছাত্ৰ-ছাত্ৰীসকলৰ এক নিৰোগী আৰু স্বাস্থ্যবান জীৱনৰ বাবে প্ৰয়োজনীয় অনুশীলনৰ ব্যৱস্থা কৰা।

২৯.২ **নিচামুক্তি ঃ** গুৱাহাটী, পূব অসম, পশ্চিম অসম, বৰাক উপত্যকা, উত্তৰ অসমত একো একোটা ৰি-হেবিলেশ্যন চেণ্টাৰ প্ৰতিষ্ঠা কৰা। যুৱক যুৱতীসকলক ড্ৰাগছৰ কৰাল গ্ৰাসৰ পৰা মুক্ত কৰাৰ উপযুক্ত ব্যৱস্থা কৰা।

২৯.৩ যোগ্যতা অনুযায়ী নিয়োগৰ সুযোগ প্ৰদান কৰা। অসমৰ প্ৰতিজন লোককে কৰ্মসংস্থাপন দিয়াৰ যত্ন কৰা।

২৯.৪ ৰাজ্যৰ সকলো ঠাইতে খেলা-ধূলাত গুৰুত্ব আৰোপ কৰা।

২৯.৫ **বয়োজ্যেষ্ঠ ব্যক্তিসকলৰ কল্যাণ ঃ**

(ক) পেঞ্চন ঃ সকলো লোককে ৬০ বছৰৰ পাছত সাৰ্বজনীন পেঞ্চনৰ ব্যৱস্থা কৰা।

(খ) চিকিৎসাৰ সুব্যৱস্থা কৰা।

(গ) মানসিক প্ৰফুল্লতা অক্ষুণ্ণ ৰাখিব পৰাকৈ বিভিন্ন উৎপাদনমূলক আঁচনিত সামান্য আৰু শুভেচ্ছামূলক অংশ গ্ৰহণৰ ব্যৱস্থা কৰা।

(ঘ) মূলধাৰাৰ জীৱনৰ লগত বিচ্ছিন্ন হৈ নপৰিবলৈ সামাজিক, আইনী আৰু উদ্ভাৱনীমূলক পদক্ষেপ গ্ৰহণ কৰা।

২৯.৬ আশা কৰ্মী, অঙ্গনবাড়ী কৰ্মী, অঙ্গনবাড়ী সহায়িকা, বিদ্যালয়ৰ ৰান্ধনী, অন্যান্য শিক্ষা কৰ্মী, পঞ্চায়ত আৰু গ্ৰামোন্নয়নত নিযুক্ত কৰ্মী আৰু কেন্দ্ৰীয় চৰকাৰৰ অন্য আঁচনি বা মিছনত নিযুক্ত কৰ্মীসকলৰ কাম নিয়মীয়া কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক প্ৰস্তাৱ দিয়া আৰু তেওঁলোকৰ মাননী বৃদ্ধি কৰা।

## অধ্যায় ৩০

# ন্যায় ব্যৱস্থাৰ সংস্কাৰ (Judicial Reform)

৩০.১ বিচাৰ নোহোৱাকৈ আদালতত জমা থকা গোচৰৰ সোনকালে মীমাংসা কৰি বোজা কমাবলৈ ব্যৱস্থা গ্ৰহণ কৰা। সকলো খালী পদ পূৰণ আৰু প্ৰয়োজন সাপেক্ষে নতুন নতুন বিচাৰক আৰু অন্যান্য পদ সৃষ্টি আৰু নিয়োগৰ ব্যৱস্থা কৰা। ন্যায়ালয়ৰ সকলো পৰ্যায়ৰ বিষয়া-কৰ্মচাৰীৰ সা-সুবিধা বৃদ্ধি কৰা।

৩০.২ সৰু সুৰা গোচৰসমূহ আদালতলৈ নহাকৈ সমাজতে পৰম্পৰাগতভাৱে মীমাংসা কৰিবলৈ উৎসাহ প্ৰদান কৰা।

৩০.৩ অমীমাংসিত সৰু-সৰু গোচৰসমূহ লোক আদালতত তাৎক্ষণিকভাৱে মীমাংসাৰ বাবে সঘনে বা দৈনিক লোক আদালত অনুষ্ঠিত কৰা।

৩০.৪ দুৰ্নীতি সম্বন্ধীয় গোচৰৰ বিচাৰসমূহ খৰতকীয়াকৈ বিচাৰ কৰিবলৈ অধিক বিশেষ আদালত

স্থাপনৰ বাবে অনুৰোধ কৰা। তেনেদৰে নাৰী নিৰ্যাতন, গঁড় হত্যা, ডাইনী হত্যা আদি গোচৰতো বিশেষ আদালতৰ বাবে অনুৰোধ কৰা।

৩০.৫ গোচৰৰ ৰূপ অতি ভয়ংকৰ নহ'লে ৰাজনৈতিক বন্দীসকলক যথাসম্ভৱ সকাহ প্ৰদান কৰা।

৩০.৬ 'কেব' বা 'কা' আন্দোলন আৰু 'বৃহৎ নদীবান্ধ বিৰোধী' আন্দোলনৰ দৰে জাতীয় বিষয়সমূহত থকা গোচৰসমূহ সহানুভূতিৰে নিষ্পত্তি কৰা।

৩০.৭ অসমৰ অধিবক্তাৰ বাবে ৬৫ বছৰৰ পাছত মাহেকীয়া অৱসৰকালিন ভাত্তা প্ৰদান কৰা।

৩০.৮ অৰ্থনৈতিকভাৱে দুৰ্বল অধিবক্তাৰ বাবে এককালীন সাহায্য প্ৰদান কৰা।

## অধ্যায় ৩১
# ঐতিহ্য আৰু পুৰাতাত্ত্বিক সমলৰ সংৰক্ষণ

৩১.১ অসমৰ ইতিহাস আৰু ঐতিহ্যৰ সৈতে জড়িত প্ৰতিটো পুৰাতাত্ত্বিক সমলৰ যথোপযুক্ত সংৰক্ষণ, ক্ষেত্ৰখনৰ বিকাশ আৰু জনপ্ৰিয়কৰণৰ ব্যৱস্থা কৰা। সৰ্বভাৰতীয় পৰ্যায়ত প্ৰচাৰ কৰা।

৩১.২ ঐতিহ্যক্ষেত্ৰৰ লগতে ঐতিহাসিক যিকোনো ভৱন বা অন্যান্য স্থাপত্য, ভাস্কৰ্য, পৰম্পৰাগত সা-সজুলি, পাণ্ডুলিপি, অন্যান্য পুৰণি নথি পত্ৰ, মুদ্ৰা আৰু ঐতিহ্য তথা পৰম্পৰাৰ লগত জড়িত সকলোবোৰ সমল সুৰক্ষিত কৰা আৰু সংৰক্ষণ কৰা।

৩১.৩ অসমৰ প্ৰতিটো জাতি-জনগোষ্ঠীৰ ঐতিহ্য আৰু ইতিহাসৰ লগত জড়িত সমলসমূহ আৱিষ্কাৰ কৰা, পুনৰুদ্ধাৰ কৰা, সংৰক্ষণ কৰা, গৱেষণা কৰা আৰু জনপ্ৰিয়কৰণ। সংৰক্ষিত আৰু অসংৰক্ষিত সকলো ক্ষেত্ৰকে পৰ্যায়ক্ৰমে সংৰক্ষিত আৰু সংবৰ্দ্ধিত কৰা।

৩১.৪ এই সমলসমূহ যথোপযুক্তধৰণে সংৰক্ষণ কৰি, ক্ষেত্ৰখনৰ সৌন্দৰ্য বৰ্ধন কৰি পৰ্যটনৰ লগত জড়িত কৰা।

৩১.৫ Archaeological Survey of India -ক অসমৰ সম্পদসমূহ সংৰক্ষণৰ বাবে অধিক সক্ৰিয় কৰা আৰু অধিক পুঁজি বিনিয়োগ কৰাৰ বাবে হেঁচা দিয়া।

৩১.৬ অসমৰ ঐতিহ্য ক্ষেত্ৰসমূহ আৰু ঐতিহাসিক সমলসমূহৰ আইনগত আৰু প্ৰশাসনিক সুৰক্ষাৰ বাবে এখন আইন প্ৰণয়ন কৰা। প্ৰত্নতত্ত্ব সঞ্চালকালয়, ইতিহাস আৰু পুৰাতত্ত্ব সঞ্চালক তথা সংগ্ৰহালয় সঞ্চালকালয়ৰ উন্নয়ন আৰু সমন্বয়ৰ দ্বাৰা ঐতিহ্যৰ সংৰক্ষণ কৰা।

৩১.৭ জাতি-জনজাতি-জনগোষ্ঠীসমূহৰ সাংস্কৃতিক ঐতিহ্যৰ সম্পদসমূহ সংৰক্ষণ, বিকশিতকৰণ আৰু গৱেষণাৰ বাবে অধিক পুঁজি যোগান, অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ লগতে কেন্দ্ৰীয় চৰকাৰৰ সংশ্লিষ্ট বিভাগসমূহক সঠিকভাৱে জড়িত কৰি এইবোৰৰ ৰাষ্ট্ৰীয়

প্ৰচাৰ আৰু প্ৰসাৰ কৰা।

৩১.৮ শিৱসাগৰ নগৰক ঐতিহ্য নগৰৰূপে ঘোষণা কৰি নগৰখনৰ আৰু ইয়াৰ ওচৰে-পাজৰে থকা সকলোবোৰ ঐতিহ্য আৰু পুৰাতাত্ত্বিক সমল সংৰক্ষণৰ বাবে বিশেষ ব্যৱস্থা গঢ়ি তোলা। লগতে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যটনৰ লগত যুক্ত কৰা।

৩১.৯ অসমৰ ঐতিহ্যপূৰ্ণ ধৰ্মীয় স্থানসমূহ, মন্দিৰ-মছজিদ-গীৰ্জা, সত্ৰ-দেৱালয়-নামঘৰ আদিৰ সংৰক্ষণৰ বাবে বিশেষ ব্যৱস্থা গঢ়ি তোলা। বিশেষকৈ সত্ৰনগৰী মাজুলীক ঐতিহাসিক স্থানৰূপে সঠিকভাৱে সংৰক্ষণ কৰা আৰু ৰাষ্ট্ৰীয় আন্তঃৰাষ্ট্ৰীয় পৰ্যটনৰ লগত যুক্ত কৰা।

## অধ্যায় ৩২
# নিবনুৱাৰ সংস্থাপন আৰু যুৱ নীতি

৩২.১ অসমখনক সম্পূৰ্ণৰূপে নিবনুৱামুক্ত কৰিবলৈ সকলো লোককে কাম দিয়াৰ সকলো ধৰণৰ প্ৰচেষ্টা কৰা। নিবনুৱামুক্ত ৰাজ্য এখন গঢ়ি তোলাৰ বাবে যত্নবান হোৱা। ইয়াক এটা জনপ্ৰিয় অভিযান বা সামাজিক আন্দোলন ৰূপে গঢ় দিয়া।

৩২.২ প্ৰতিটো ব্যক্তিগত উদ্যোগ প্ৰতিষ্ঠান, বাণিজ্য কেন্দ্ৰ, বৃহৎ ব্যৱসায়ী গোষ্ঠীত ১০০ শতাংশ স্থানীয় নিযুক্তি নিশ্চিত কৰা। কেন্দ্ৰীয় চৰকাৰৰ সকলো বিভাগৰ লগতে অৰ্ধকেন্দ্ৰীয়, ৰাজহুৱা খণ্ডৰ উদ্যোগ-প্ৰতিষ্ঠানৰ তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ অসমত ওলোৱা খালী পদসমূহত ১০০ শতাংশ স্থানীয় নিবনুৱাক নিযুক্তি দিবলৈ হেঁচা প্ৰদান কৰা। অসম চৰকাৰৰ সকলো বিভাগত নিযুক্তি কেৱল অসমত স্থায়ীভাৱে বসবাস কৰা নাগৰিককহে প্ৰদানৰ ব্যৱস্থা কৰা। চাকৰিৰ বাবে হোৱা পৰীক্ষাত অসমীয়া বা স্থানীয় ভাষাৰ এখন প্ৰশ্ন কাকত বাধ্যতামূলক কৰা। থলুৱা নিযুক্তি সন্দৰ্ভত নীতি প্ৰস্তুত কৰা।

৩২.৩ শিক্ষা সাং কৰাৰ পিছত কৰ্ম সংস্থাপনৰ নিশ্চয়তা প্ৰদান কৰা। কাম দিব নোৱাৰিলে ক্ষতিপূৰণ দিয়াৰ নীতি প্ৰৱৰ্তন কৰা।

৩২.৪ প্ৰতিটো বিভাগৰে প্ৰতিটো চাকৰি যোগ্যতাৰ ভিত্তিত মকৰল কৰা। স্বজন-তোষণ, দলীয়-কৰ্মী তোষণ সম্পূৰ্ণ বন্ধ কৰা। দুৰ্নীতিমুক্ত নিযুক্তি নিশ্চিত কৰা। তাৰ বাবে এটা নীতি তৈয়াৰ কৰা।

৩২.৫ বহিঃৰাজ্যত কৰ্মৰত অসমীয়াসকলক চৰকাৰীভাৱে পঞ্জীয়ন কৰি, তেওঁলোকৰ নিৰাপত্তাৰ বাবে সেই সেই ৰাজ্যত অসম চৰকাৰৰ প্ৰতিনিধি নিয়োগ কৰি তেওঁলোকৰ সুবিধা-অসুবিধাসমূহ চোৱাচিতা কৰা। বহিঃৰাজ্যত নিয়োজিত কোনো যুৱক যুৱতীৰ কোনো দুৰ্ঘটনা হ'লে তাৰ সমস্ত দায়িত্ব ৰাজ্য চৰকাৰে গ্ৰহণ কৰা।

৩২.৬ বিদেশী বা বহিঃৰাজ্যৰ ব্যৱসায়ীৰ বিনিয়োগৰ ক্ষেত্ৰত অধিক কৰ্ম সংস্থাপন সৃষ্টি কৰা উদ্যোগ বা ব্যৱসায়ী প্ৰতিষ্ঠানকহে অধিক উৎসাহিত কৰা। যিকোনো ধৰণৰ বিনিয়োগক তেতিয়াহে আদৰণি জনোৱা, যেতিয়া সেই প্ৰতিষ্ঠানে থলুৱা নিবনুৱাক সংস্থাপিত কৰাৰ চুক্তি কৰিবলৈ প্ৰস্তুত থাকিব।

৩২.৭ খুচুৰা ব্যৱসায়ত কোনো প্ৰত্যক্ষ বিদেশী বিনিয়োগৰ অনুমতি নিদিয়া। সকলোবোৰ খুচুৰা ব্যৱসায় স্থানীয় লোকৰ দ্বাৰা নিয়ন্ত্ৰণৰ সুযোগ প্ৰদান কৰা।

৩২.৮ প্ৰতিজন অসমবাসীকে কামৰ অধিকাৰ নিশ্চিত কৰি এখন আইন প্ৰণয়ন কৰা।

৩২.৯ বিত্তীয় সাক্ষৰতা, বিত্ত-পৰিচালনা, বিত্তৰ উৎসসমূহ, ব্যৱসায়ৰ স্থায়িত্ব অনুশীলনৰ ক্ষেত্ৰত যুৱ-প্ৰজন্মক প্ৰশিক্ষণৰ যোগেদি সহযোগিতা আগবঢ়োৱা।

৩২.১০ স্থানীয় প্ৰয়োজনৰ প্ৰতি লক্ষ্য ৰাখি দক্ষতা বৃদ্ধিৰ কাৰ্যসমূহ পেচাদাৰীভাৱে সংগঠিত কৰা।

৩২.১১ প্ৰতিখন গাঁও-নগৰত যুৱকসকলক অঞ্চলবাসীৰ সামূহিক কামত উদ্যোগ গ্ৰহণৰ বাবে উৎসাহিত কৰা।

**৩২.১২ অসমৰ নিবনুৱা সমস্যা সমাধানৰ সামগ্ৰিক পৰিকল্পনা ঃ**

১) বছৰৰ সকলো সময়তে কৃষি কাৰ্যৰ জৰিয়তে কৃষি বিপ্লৱেৰে আৰু উৎপাদিত শস্যৰ যথোপযুক্ত বজাৰ প্ৰদান আৰু MSP প্ৰদানেৰে কৃষিক লাভজনক ব্যৱসায়ত পৰিণত কৰি কেইবালাখো লোকক সংস্থাপন দিয়া, ২) অসমীয়া জাতিৰ মাজত বাণিজ্যৰ এক সক্ৰিয় পৰিৱেশ গঢ়ি তুলি, পেচাদাৰী মানসিকতাৰে ব্যাপক ৰূপত ঘৰুৱা, দেশীয় আৰু আন্তঃৰ্জাতিক বাণিজ্য দখল কৰাৰ জৰিয়তে অজস্ৰ লোকক সংস্থাপন দিয়া, ৩) গাঁৱে-ভূঞে, নগৰে-চহৰে অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ, মজলীয়া উদ্যোগ স্থাপনেৰে, চৰকাৰী-বেচৰকাৰী উদ্যোগৰ ব্যাপক পৃষ্ঠপোষকতাৰে, থলুৱা সম্পদৰ ওপৰত ভিত্তি কৰি থলুৱা উদ্যোগ স্থাপনেৰে মৰ্যাদাসম্পন্ন কৰ্মসংস্থাপন সৃষ্টি কৰা, ৪) মহিলাসকলৰ বাবে ঘৰে ঘৰে হস্ততাঁত শিল্প, ৰাজহুৱা তাঁত শিল্পৰ উদ্যোগ, অন্য ক্ষুদ্ৰ ক্ষুদ্ৰ উৎপাদন কেন্দ্ৰ স্থাপনেৰে কৰ্মসংস্থাপন সৃষ্টি কৰা, ৫) চৰকাৰী/বেচৰকাৰী সকলো বিদ্যালয়ত থলুৱা কৃষ্টি-সংস্কৃতিৰ শিক্ষক/প্ৰশিক্ষক আৰু ক্ৰীড়াৰ শিক্ষক/প্ৰশিক্ষক নিযুক্তি বাধ্যতামূলক কৰাৰ জৰিয়তে কেইবা লাখ কৰ্মসংস্থাপন সৃষ্টি কৰা, ৬) সেৱাখণ্ড আৰু আতিথ্য খণ্ডক প্ৰাতিষ্ঠানিক ৰূপ প্ৰদান, প্ৰশিক্ষণেৰে দেশে-বিদেশে লক্ষ লক্ষ মৰ্যাদাসম্পন্ন কৰ্মসংস্থাপন সৃষ্টি কৰা, ৭) পৰ্যটন উদ্যোগত অভূতপূৰ্ব বিনিয়োগ আৰু গতি প্ৰদানেৰে ব্যাপক সংস্থাপন সৃষ্টি কৰা, ৮) অসম চৰকাৰৰ সকলো বিভাগৰ খালী পদবোৰ স্থানীয় নিবনুৱাৰ দ্বাৰা পূৰণ কৰি চাকৰি সৃষ্টি কৰা, ৯) অসমত ব্যৱসায় কৰা প্ৰতিটো উদ্যোগ প্ৰতিষ্ঠান, বাণিজ্য কেন্দ্ৰ, ব্যৱসায়িক কেন্দ্ৰত ১০০ শতাংশ থলুৱা নিবনুৱাক নিযুক্তিৰ বাবে নীতি প্ৰস্তুত কৰা, ১০) অসমত থকা সকলোবোৰ কেন্দ্ৰীয় চৰকাৰৰ, অৰ্দ্ধকেন্দ্ৰীয় কাৰ্যালয় আৰু বেচৰকাৰী কাৰ্যালয়ৰ তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ খালী পদ থলুৱা নিবনুৱাৰ দ্বাৰা ভৰ্তি কৰা।

## অধ্যায় ৩৩

# মূল্যবৃদ্ধি ৰোধ

৩৩.১ চাউল, আটা, দাইল, আলু, পিঁয়াজ, নিমখ, তেল, চেনি, শাক-পাচলি, ফল-মূল আদি অত্যাৱশ্যকীয় সামগ্ৰীসমূহৰ মূল্য সকলো সময়তে নিয়ন্ত্ৰণত ৰাখিবলৈ সৰ্বাত্মক প্ৰচেষ্টা হাতত লোৱা।

৩৩.২ খাদ্যৰ অধিকাৰ আইনৰ অধীনত লাভ কৰা সুলভ মূল্যৰ সামগ্ৰী সঠিক ওজনৰ পেকেটত (বন্ধ পেকেটৰ ৰূপত) ঘৰে ঘৰে দিয়াৰ ব্যৱস্থা কৰা।

৩৩.৩ খুচুৰা আৰু পাইকাৰী বজাৰৰ সকলো ছিণ্ডিকেট, ক'লা বজাৰ, অবৈধ মজুত বন্ধ কৰা।

৩৩.৪ বজাৰত মধ্যভোগীৰ দৌৰাত্ম্য নাইকিয়া কৰা।

৩৩.৫ কৃষক আৰু গ্ৰাহকৰ মাজত পোনপটীয়া বজাৰ ব্যৱস্থা গঢ়ি তোলা, যাতে কৃষকে ফচলৰ উচিত দাম পায় আৰু গ্ৰাহকেও এতিয়াতকৈ বহু কম দামত বস্তু কিনিবলৈ সমৰ্থ হয়। সকলো নগৰতে 'কৃষক বজাৰ' গঢ়ি তোলা।

৩৩.৬ মূল্যবৃদ্ধি ৰোধ কৰিবৰ কাৰণে যোগান বিভাগৰ নেতৃত্বত প্ৰতিখন জিলাতে সকলো সময়তে সক্ৰিয় একোটা গোট গঠন কৰা আৰু সঠিক মূল্যত যাতে গ্ৰাহকে সকলো সামগ্ৰী লাভ কৰিব পাৰে তাৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰা।

৩৩.৭ সময়ে সময়ে হোৱা আকস্মিক মূল্যবৃদ্ধিৰ নিয়ন্ত্ৰণৰ বাবে ৰাজ্যত এটা মূল্যবৃদ্ধি নিয়ন্ত্ৰণ পুঁজি গঠন কৰা।

৩৩.৮ ব্যৱসায়ীসকলে যাতে অত্যাৱশ্যকীয় সামগ্ৰীত সাংঘাতিক মূল্যবৃদ্ধি কৰিব নোৱাৰে তাৰ বাবে ৰাজহুৱা বিতৰণ ব্যৱস্থা শক্তিশালী আৰু সাৰ্বজনীন কৰিবলৈ সকলো প্ৰচেষ্টা কৰা।

৩৩.৯ মূল্যবৃদ্ধি ৰোধৰ বাবে ভাৰতীয় আইনৰ সকলো দিশ চাইচিতি অসমৰ বাবে এখন নতুন আইন তৈয়াৰ কৰা যাতে অসাধু ব্যৱসায়ীসকলক নিয়ন্ত্ৰণ কৰিব পৰা যায়।

## অধ্যায় ৩৪

# বান-গৰাখহনীয়া সমস্যাৰ স্থায়ী ব্যৱস্থাপনা

৩৪.১ অসমবাসীৰ সৰ্বাত্মক সহযোগত বান-গৰাখহনীয়া সমস্যাক ৰাষ্ট্ৰীয় সমস্যাৰূপে গণ্য কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক হেঁচা দিয়াৰ পদক্ষেপ গ্ৰহণ কৰা। খহনীয়াক দুৰ্যোগৰূপে গণ্য কৰা বাবে কেন্দ্ৰৰ অনুমোদন আদায় কৰা।

৩৪.২ কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ, বিশেষজ্ঞ সকলোৱে মিলি এই সমস্যাৰ স্থায়ী সমাধানৰ ৰূপৰেখা

তৈয়াৰ কৰা। বান-গৰাখহনীয়া সমস্যাৰ স্থায়ী ব্যৱস্থাপনা চৰকাৰৰ এটা সৰ্বোচ্চ অগ্ৰাধিকাৰযোগ্য কাম ৰূপে গণ্য কৰি প্ৰতিটো অঞ্চলৰ নিৰ্দিষ্ট সমস্যাসমূহ সমাধান কৰাৰ চেষ্টা কৰা আৰু সমস্যাটোৰ এক সামগ্ৰিক তথা স্থায়ী মীমাংসাৰ বাবে আন্তৰিকতাৰে কাম কৰা।

৩৪.৩ যেতিয়ালৈকে বান সমস্যাৰ স্থায়ী ব্যৱস্থাপনা সম্ভৱ হৈ নুঠে, তেতিয়ালৈকে নিয়মীয়াকৈ মথাউৰি মেৰামতিত গুৰুত্ব দিয়া। মথাউৰি সবলীকৰণ কৰা।

৩৪.৪ ব্ৰহ্মপুত্ৰৰ যিটো অংশ এতিয়াও মথাউৰি অবিহনে উন্মুক্ত হৈ আছে সেই অঞ্চলত মথাউৰি নিৰ্মাণ কৰা। একেদৰে বৰাক নদীতো মথাউৰি নিৰ্মাণ কৰা। কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাখিল হৈ থকা অসমৰ সামগ্ৰিক মথাউৰি নিৰ্মাণৰ আঁচনিখন অনুমোদন কৰোৱাৰ বাবে যত্ন কৰা।

৩৪.৫ বিভিন্ন উপনদীৰ বাবে বিশেষ বিশেষ ব্যৱস্থা লোৱা। পথাৰত বালিপৰা সমস্যাৰ এটা গ্ৰহণযোগ্য সমাধান সূত্ৰ উলিওৱা।

৩৪.৬ জিঅ’ টিউব, শৈল স্পাৰ আদি আধুনিক প্ৰযুক্তিৰে গৰাখহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা কৰাৰ বাবে আঁচনি লোৱা।

৩৪.৭ ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত গৱেষণাৰ বাবে বিশ্বমানৰ গৱেষণা কেন্দ্ৰ স্থাপন কৰা।

৩৪.৮ অসমত কুপ্ৰভাৱ পেলাব পৰা সকলো বৃহৎ নদীবান্ধৰ নিৰ্মাণত বাধা দিয়া। এই সন্দৰ্ভত ভাৰত চৰকাৰৰ উপৰিও ভূটানৰ লগতো আলোচনা কৰি ব্যৱস্থা লোৱা।

৩৪.৯ নদীৰ মুখৰ পৰা ব’ল্ডাৰ সংগ্ৰহ নিষিদ্ধ কৰা।

৩৪.১০ অবৈধ শিল-বালি খননৰ পৰা নদীক মুক্ত কৰা।

৩৪.১১ নদীসমূহ প্ৰাকৃতিকভাৱে বৈ অহাত বাধা প্ৰদান কৰা সকলো বাধা আঁতৰ কৰা।

৩৪.১২ প্ৰতিখন নদীক প্ৰাকৃতিকভাৱে বৈ থকাত আৰু ইয়াৰ জৈৱ বৈচিত্ৰ্যসমূহ আটোম-টোকাৰিকৈ ৰখাৰ বাবে বিহিত ব্যৱস্থা গ্ৰহণ কৰা।

৩৪.১৩ নদীক জাতিৰ আয়ুস ৰেখা ৰূপে গণ্য কৰি সকলো ধৰণৰ কাৰ্য ব্যৱস্থা লোৱা। নদীবোৰৰ পৰিৱেশতন্ত্ৰক সুৰক্ষিত কৰি ৰখা।

৩৪.১৪ নদীৰ সম্পদক পৰিৱেশ ক্ষতি নোহোৱাকৈহে ব্যৱহাৰ কৰা।

৩৪.১৫ ৰাজ্যখনৰ পানীৰ অভাৱ হোৱা এলেকালৈ বানপীড়িত এলেকাৰ পৰা পানী বোৱাই নি কৃষি ক্ষেত্ৰত যোগান ধৰা।

৩৪.১৬ বানপানী হ’ব পৰা এলেকাত সম্ভাব্য পানী অহাৰ ওপৰত সকীয়নি দিয়াৰ ব্যৱস্থা কৰা আৰু জনগণক পূৰ্বতে স্থানান্তৰিত কৰা।

৩৪.০ **সামগ্ৰিক আঁচনি ঃ**

ব্ৰহ্মপুত্ৰ, বৰাক আৰু ইহঁতৰ উপনৈসমূহৰ বানপানী আৰু গৰাখহনীয়া সমস্যাটোক ৰাষ্ট্ৰীয় নীতি-নিৰ্দ্ধাৰণ প্ৰক্ৰিয়াটোত যথোচিত গুৰুত্ব আদায় কৰোৱা। ব্ৰহ্মপুত্ৰৰ বান সমস্যাৰ দীৰ্ঘস্থায়ী ব্যৱস্থাপনাৰ বাবে চীন, ভাৰত, ভূটান, বাংলাদেশ আটাইৰে সহযোগিতা আৰু সামগ্ৰিক পৰিকল্পনাৰ প্ৰয়োজন। ইয়াৰ বাবে যেনেকৈ সামগ্ৰিক অধ্যয়ন, গৱেষণাৰ দৰকাৰ, দৰকাৰ কাৰিকৰী কুশলতাৰ, উপযুক্ত প্ৰযুক্তিৰ, তেনেদৰে দৰকাৰ ভাৰত চৰকাৰৰ কূটনৈতিক দক্ষতাৰো। বান-খহনীয়া সমস্যাৰ স্থায়ী সমাধান কৰিবলৈ লাগিব বিশাল পৰিমাণৰ ধন, লাগিব ৰাজনৈতিক সদিচ্ছা আৰু পাৰিপাৰ্শ্বিকতাবোধৰো। গতিকে বান-খহনীয়া সমস্যাৰ সমাধানৰ সামগ্ৰিক আঁচনি গ্ৰহণৰ বাবে ইয়াক ৰাষ্ট্ৰীয় সমস্যা ঘোষণা কৰাৰ প্ৰয়োজন আছে। এই সমস্ত কৰ্ম সম্পাদন কৰিবলৈ দীঘলীয়া পৰিকল্পনাৰে একেধাৰে লাগি থকাৰ বাবে এটি অভিযান আৰম্ভ কৰা হ'ব।

## অধ্যায় ৩৫
# বিদ্যুৎখণ্ডৰ সবলীকৰণ

যদিও অসমৰ বিদ্যুৎ উৎপাদন ক্ষমতা ৩১ মাৰ্চ, ২০১৯ তাৰিখে ৩৭৬.৯৬ মেগাৱাট, আচলতে অসমত নামৰূপ তাপবিদ্যুৎ প্ৰকল্পত সামান্য (১৬ মেগাৱাট) বিদ্যুৎ উৎপাদন, কাৰ্বি-লাংপি প্ৰকল্পত (১০০ মেগাৱাট উৎপাদন ক্ষমতা থকা প্ৰকল্পটোত) মাত্ৰ ৫০ মেগাৱাট আৰু লাকুৱা তাপবিদ্যুৎ প্ৰকল্পত(৭৫ মেগাৱাট) বিদ্যুত উৎপাদন হৈ আছে। বিদ্যুৎ উৎপাদনত স্বাৱলম্বী হোৱা, প্ৰতিটো পৰিয়ালক ২৪ ঘণ্টা বিজুলী যোগান ধৰা আৰু বিদ্যুৎ বিতৰণত লোকচান হ্ৰাস কৰাটো আমাৰ প্ৰধান লক্ষ্য হ'ব।

৩৫.১ বিদ্যুৎ উৎপাদনত আত্মনিৰ্ভৰশীল হ'বলৈ নতুন নতুন উৎপাদন কেন্দ্ৰ স্থাপন কৰা আৰু থকা প্ৰকল্পবোৰ সম্প্ৰসাৰণ কৰি অধিক উৎপাদনক্ষম গোট ৰূপে গঢ়ি তোলা। ২০৩০ চনৰ ভিতৰত অসমৰ বাবে নিজাববীয়াকৈ অন্ততঃ ৩,০০০ মেগাৱাট বিদ্যুৎ উৎপাদন কৰা।

৩৫.২ বঙাইগাঁও তাপবিদ্যুৎ প্ৰকল্পটো ১ টকাত NTPC ক দি দিছিল অসম চৰকাৰে। সেয়ে সেই প্ৰকল্পৰ উৎপাদিত সমূদায় বিজুলী অসমৰ বাবে আবণ্টনৰ বাবে দাবী কৰা।

৩৫.৩ কেন্দ্ৰীয় প্ৰকল্পসমূহৰ পৰা অধিক 'কোটা' দাবী কৰা।

৩৫.৪ অৰুণাচল বা চুবুৰীয়া ৰাজ্যত নীপকোৱে নিৰ্মাণ কৰা সৰু সৰু জলবিদ্যুৎ প্ৰকল্পবোৰৰ অসমত হোৱা ক্ষতিৰ প্ৰেক্ষাপটত অসমেও ৰয়েল্টি দাবী কৰা।

৩৫.৫ পৰিৱেশৰ ক্ষতিকৰ আৰু অসমৰ ওপৰত কুপ্ৰভাৱ পৰা বৃহৎ জলবিদ্যুৎ প্ৰকল্প সম্পূৰ্ণ বিৰোধ কৰা।

৩৫.৬ বিদ্যুৎ বিতৰণত লোকচান হ্ৰাস কৰাৰ বাবে কাৰিকৰী ব্যৱস্থা গ্ৰহণ কৰা।

৩৫.৭ বৃহৎ উদ্যোগৰ দ্বাৰা বিদ্যুৎ চুৰি বন্ধ কৰা।

৩৫.৮ বিদ্যুৎ কোম্পানীসমূহত চলি থকা দুৰ্নীতি বন্ধ কৰা আৰু এইবোৰক অধিক প্ৰফেচনেল কৰা।

৩৫.৯ সকলো পৰিয়ালক ২৪ ঘণ্টাৰ বিজুলী দিবলৈ সচেষ্ট হোৱা।

৩৫.১০ উদ্যোগলৈ অবিৰত বিদ্যুৎ যোগান ধৰাৰ যত্ন কৰা।

৩৫.১১ বিদ্যুৎ নিৰিখ যুক্তিযুক্ত কৰি ৰখা আৰু নিৰিখ বৃদ্ধি ৰোধ কৰা।

৩৫.১২ ৰাজহুৱা পানী যোগান কেন্দ্ৰ আৰু ক'ল্ড ষ্টৰেজত কম দামত বিজুলী যোগান ধৰা।

**মুঠতে, বিদ্যুতক নাগৰিকৰ অত্যাৱশ্যকীয় সামগ্ৰীৰূপে গণ্য কৰি**

**ৰাজসাহায্যযুক্ত বিজুলী যোগানৰ ব্যৱস্থা কৰা।**

## অধ্যায় ৩৬
# আন্তঃগাঁথনি নিৰ্মাণ

ৰাজ্যখনক এখন উন্নত ৰাজ্যৰূপে গঢ়ি তুলিবলৈ সকলো ক্ষেত্ৰতে আন্তঃগাঁথনি নিৰ্মাণত গুৰুত্ব প্ৰদান কৰা হ'ব। তাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ আঁচনিসমূহ সুপৰিকল্পিতভাৱে ব্যৱহাৰ কৰা হ'ব আৰু ষ্ট্ৰেটেজিক ক্ষেত্ৰসমূহত ৰাজ্য চৰকাৰৰ বিনিয়োগ বৃদ্ধি কৰা হ'ব।

৩৬.১ প্ৰতিখন গাঁৱত বছৰত বাৰ মাহে খেতি কৰিব পৰা কৃষিৰ আন্তঃগাঁথনি নিৰ্মাণ কৰা।

৩৬.২ পকী পথ আৰু দলং নিৰ্মাণত অগ্ৰাধিকাৰ দিয়া।

৩৬.৩ বিদ্যুৎ উৎপাদন আৰু বিতৰণৰ আন্তঃগাঁথনিত অগ্ৰাধিকাৰ প্ৰদান কৰা। কেন্দ্ৰীয় চৰকাৰৰ লগত সহযোগিতাৰে নতুন নতুন তাপ বিদ্যুৎ উৎপাদন কেন্দ্ৰ স্থাপনৰ দিহা কৰা।

৩৬.৪ প্ৰতিখন গাঁৱত পৰ্যায়ক্ৰমে ৰাজহুৱা প্ৰেক্ষাগৃহ নিৰ্মাণ কৰা।

৩৬.৫ অসমৰ প্ৰতিটো পৰিয়ালৰ ঘৰ পৰ্যায়ক্ৰমে পকী কৰাৰ আঁচনি লোৱা।

৩৬.৬ প্ৰতিখন গাঁৱত খোৱাপানী যোগান আৰু প্ৰতিখন পথাৰত পৰ্যায়ক্ৰমে জলসিঞ্চনৰ ব্যৱস্থাৰ বাবে প্ৰকল্প লোৱা।

৩৬.৭ অসমৰ সকলো নদীৰ মথাউৰি পৰ্যায়ক্ৰমে নিৰ্মাণ, মেৰামতি আৰু সবল কৰা।

৩৬.৮ প্ৰতিখন গাঁৱত খেলপথাৰ নিৰ্মাণ, মেৰামতি কৰা। ক্ৰীড়াৰ আন্তঃগাঁথনি নিৰ্মাণ কৰা।

৩৬.৯ প্ৰতিখন নগৰত শিশু, বৃদ্ধ আৰু অন্যান্য নাগৰিকৰ বাবে পাৰ্ক নিৰ্মাণ কৰা। বৃদ্ধাশ্ৰম নিৰ্মাণ আৰু

আশ্ৰয়হীন তথা বিপদগ্ৰস্ত শিশু-যুৱকৰ বাবে আশ্ৰয়গৃহ নিৰ্মাণ কৰা। প্ৰতিখন নগৰৰ প্ৰয়োজনীয় আন্তঃগাঁথনি নিৰ্মাণত গুৰুত্ব দিয়া।

৩৬.১০ মৎস্য উৎপাদনৰ আন্তঃগাঁথনি নিৰ্মাণ কৰা। মাছৰ পোণা উৎপাদনৰ আন্তঃগাঁথনি নিৰ্মাণ কৰা।

৩৬.১১ ৰাজ্যখনত পৰ্যটনৰ আন্তঃগাঁথনি নিৰ্মাণ কৰা।

৩৬.১২ ৰাজ্যখনৰ সকলো ঠাইতে চাফ-চিকুণ বজাৰ গৃহ নিৰ্মাণ কৰা।

৩৬.১৩ গাখীৰৰ উৎপাদনৰ বাবে আৰু গাখীৰৰ বিভিন্ন সামগ্ৰী প্ৰস্তুতৰ বাবে প্ৰকল্প গ্ৰহণ কৰা।

৩৬.১৪ ব্ৰহ্মপুত্ৰ আৰু বৰাক নৈৰ ওপৰত অধিক দলং নিৰ্মাণৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত প্ৰস্তাৱ দাঙি ধৰা আৰু হেঁচা প্ৰয়োগ কৰা।

৩৬.১৫ অসমত অধিক ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ, সম্প্ৰসাৰণ আৰু এইবোৰৰ সময়মতে মেৰামতি নিশ্চিত কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক হেঁচা দিয়া।

৩৬.১৬ সমগ্ৰ ৰাজ্যজুৰি কৃষিভিত্তিক উদ্যোগৰ আন্তঃগাঁথনি নিৰ্মাণ কৰা।

৩৬.১৭ সৰ্বভাৰতীয় আৰু আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ প্ৰয়োজনীয় আন্তঃগাঁথনি নিৰ্মাণ কৰা।

## অধ্যায় ৩৭

# গুৱাহাটী মহানগৰ আৰু অন্যান্য নগৰ-চহৰৰ সমস্যাৰ সমাধান

## গুৱাহাটীৰ সমস্যাৰ সমাধান

৩৭.১ কৃত্ৰিম বানপানী সমস্যাৰ সমাধান কৰা। ইয়াৰ বাবে সময় নিৰ্দিষ্ট মেগা প্ৰজেক্ট গ্ৰহণ কৰা।

৩৭.২ ভৰলু, বাহিনী, বশিষ্ঠ আদি নদীক প্ৰাকৃতিকভাৱে বৈ যাবলৈ যথাযথভাৱে ব্যৱস্থা লোৱা। মেঘালয়ৰ পাহাৰৰ পৰা আৰু অন্য পাহাৰৰ পৰা নমা পানীৰ ঢলৰ সঠিক ব্যৱস্থাপনা কৰা।

৩৭.৩ সঠিক ড্ৰেইনেজ ব্যৱস্থা গঢ়ি তোলা। সময়মতে আৰু সঠিকমতে ড্ৰেইন চাফা কৰা।

৩৭.৪ গুৱাহাটীৰ পানী ওলাই যোৱা সকলো পথ সঠিকভাৱে গঢ়ি তোলা।

৩৭.৫ গুৱাহাটীৰ ক'তো পানী জমা হৈ নাগৰিক জীৱনক অসুবিধাত পেলাব নোৱাৰাকৈ সঠিক দীৰ্ঘম্যাদী আৰু হ্ৰস্বম্যাদী আঁচনি ৰূপায়ন কৰা।

৩৭.৬ বিশুদ্ধ খোৱাপানী আৰু দৈনিক ব্যৱহাৰ কৰা পানী এক নিৰ্দিষ্ট পৰিমাণলৈকে বিনামূলীয়াকৈ অথবা সুলভ মূল্যত যোগান ধৰা। পানী যোগানৰ আন্তঃগাঁথনি নিৰ্মাণ কৰা।

৩৭.৭ গুৱাহাটীৰ জাৱৰ নিষ্কাষণৰ সঠিক ব্যৱস্থা আৰু গুৱাহাটীক এখন চাফ-চিকুণ মহানগৰলৈ পৰিণত

কৰা। মহানগৰীখনত নিৰ্দিষ্ট দূৰত্বৰ অন্তৰে অন্তৰে Mechanised Urinal System তৈয়াৰ কৰা।

৩৭.৮ শিশুৰ ফুৰা-খেলা, শাৰীৰিক মানসিক বিকাশৰ কেন্দ্ৰ, শিশু উদ্যান আৰু শিশুৰ মনোৰঞ্জনৰ সঠিক কেন্দ্ৰ তৈয়াৰ কৰা। প্ৰতিটো পৰিয়ালৰ শিশু আৰু কিশোৰ-কিশোৰীৰ খেলা-ধূলা আৰু মনোৰঞ্জনৰ বাবে সঠিক আন্তঃগাঁথনি গঢ়ি তোলা।

৩৭.৯ কৰ্মৰত মহিলাৰ সন্তানৰ সঠিক চোৱা চিতাৰ বাবে ক্ৰেছ আৰু অন্যান্য ব্যৱস্থা গঢ়ি তোলা। প্ৰতিগৰাকী কৰ্মৰত মহিলাৰ ঘৰতে যাতে শিশুৱে সঠিকভাৱে পৰিচৰ্যা লাভ কৰে তাৰ বাবে প্ৰতিটো পৰিয়ালে নিৰাপদ আৰু চাফ-চিকুণ পৰিচাৰিকা লাভ কৰাৰ সঠিক ব্যৱস্থা কৰা।

৩৭.১০ গুৱাহাটীৰ বাবে "মাছ ৰেপিড টেন্সপ'ৰ্ট ছিষ্টেম" গঢ়ি তোলা।

৩৭.১১ গুৱাহাটীৰ ভূ-গৰ্ভৰ জলস্তৰ তললৈ নামি যোৱা সমস্যা বিজ্ঞানসন্মতভাৱে দূৰীকৰণ। যথাযথ বাধা-নিষেধ আৰোপ কৰা।

৩৭.১২ ২৪ ঘন্টাৰ বিদ্যুৎ যোগান আৰু সুলভ বিদ্যুৎ মূল্যৰ ব্যৱস্থা কৰা।

৩৭.১৩ ভেজাল খাদ্যৰ পৰা গুৱাহাটীবাসীক ৰক্ষা কৰা। গুৱাহাটীৰ প্ৰতিখন শাক-পাচলিৰ বজাৰ চাফ-চিকুণকৈ গঢ়ি তোলা। লেতেৰা পৰিৱেশৰ বজাৰসমূহ সম্পূৰ্ণ চাফ-চিকুণ আৰু বিজ্ঞানসন্মতভাৱে গঢ়ি তোলা।

৩৭.১৪ সুলভ মূল্যত শাক-পাচলি আৰু অন্যান্য অত্যাৱশ্যকীয় সামগ্ৰী লাভৰ বাবে বিশেষ ব্যৱস্থা। 'কৃষক বজাৰ' গঢ়ি তোলা।

৩৭.১৫ গুৱাহাটীৰ পাৰ্শ্বৱৰ্তী এলেকাৰ পৰা অহা জনজাতি আৰু অন্যান্য খিলঞ্জীয়া খেতিয়ক আৰু বেপাৰীসকলৰ বাবে বজাৰ ব্যৱস্থা গঢ়ি তোলা। পুৰণি জেলৰ মাটিত থলুৱা উদ্যোগী, ব্যৱসায়ীৰ বাবে এটা ব্যৱসায়িক কেন্দ্ৰ তৈয়াৰ কৰা।

৩৭.১৬ জৈৱিক শাক-পাচলি, কল আৰু অন্যান্য ফল-মূল গ্ৰাহকে পোৱাৰ সুলভ ব্যৱস্থা কৰা।

৩৭.১৭ গুৱাহাটীত অধিক পাৰ্কিং প্লেচ তৈয়াৰ কৰি কম মূল্যত পাৰ্কিঙৰ সুবিধাৰ সৃষ্টি কৰা।

৩৭.১৮ ষ্ট্ৰীট লাইটসমূহ সঠিকভাৱে মেৰামতি কৰা আৰু সঠিকভাৱে সজোৱা।

৩৭.১৯ গুৱাহাটীবাসীৰ বিনামূলীয়া চিকিৎসাৰ বাবে বিশেষ স্বাস্থ্য কেন্দ্ৰৰ ব্যৱস্থা কৰা।

৩৭.২০ গুৱাহাটীৰ স্থানীয় ছাত্ৰ-ছাত্ৰীসকলৰ বাবে উচ্চমান বিশিষ্ট পৰ্যাপ্ত চৰকাৰী বিদ্যালয় আৰু মহাবিদ্যালয়ৰ ব্যৱস্থা কৰা।

৩৭.২১ গুৱাহাটীৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে অত্যধিক মাচুলৰ পৰা ৰেহাই দিবলৈ ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানবোৰক নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰা।

৩৭.২২ নিচাযুক্ত ড্ৰাগচ্ আৰু অন্যান্য কু-ব্যাধিবোৰৰ পৰা মুক্ত মহানগৰ ৰূপে গঢ়ি তোলাৰ বাবে যত্ন লোৱা।

৩৭.২৩ সকলো ধৰণৰ প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে সচেষ্ট হোৱা।

৩৭.২৪ সকলো যোগ্য বাসিন্দাক ভূমিপট্টা প্ৰদানৰ বাবে পৰ্যায়ক্ৰমে পদক্ষেপ গ্ৰহণ কৰা।

৩৭.২৫ পাহাৰৰ মাটি খনন সম্পূৰ্ণৰূপে বন্ধ কৰা। পাহাৰবোৰ সেউজীয়া কৰি তোলা।

৩৭.২৬ গুৱাহাটীৰ পাহাৰবাসীৰ আৰু জলাশয়ৰ পাৰত বাস কৰা নাগৰিকসকলৰ সমস্যাসমূহ দূৰ কৰা আৰু তেওঁলোকৰ বাবে এক বিশেষ নীতি তৈয়াৰ কৰা।

৩৭.২৭ গুৱাহাটীত ভেণ্ডৰসকলৰ বাবে বিশেষ বজাৰ গঢ়ি তোলা।

৩৭.২৮ গুৱাহাটীৰ বাহিৰৰ পৰা অহা নাগৰিকসকলৰ ব্যৱহাৰৰ বাবে কেইবা ঠাইতো এলানি পাব্লিক টয়লেট নিৰ্মাণ কৰা।

৩৭.২৯ গুৱাহাটীত দৈনিক মজুৰি কৰাসকলৰ মজুৰি নিৰ্ধাৰণ কৰা আৰু তেওঁলোকৰ কামক মৰ্যাদা প্ৰদান কৰা, একে সময়তে নাগৰিকসকলে সঠিক মূল্যত যাতে সঠিক শ্ৰম লাভ কৰিব পাৰে তাকো নিশ্চিত কৰা।

৩৭.৩০ ৰান্ধনী, বন কৰা মহিলা, দৈনিক মজুৰি কৰা শ্ৰমিকক চৰকাৰী পঞ্জীয়ন আৰু পৰিচয়পত্ৰ প্ৰদান কৰা আৰু প্ৰতিটো পৰিয়ালক প্ৰয়োজনীয়, বিশ্বাসী ঘৰুৱা সহায়কাৰীৰ যোগান নিশ্চিত কৰা।

৩৭.৩১ উপযুক্ত দৰমহাত ঘৰুৱা নাৰ্ছ যোগান নিশ্চিত কৰা।

৩৭.৩২ গুৱাহাটীত বাস কৰা থলুৱা অসমীয়াৰ ভূমি হস্তগত কৰা ভূমাফিয়াক কঠোৰভাৱে নিয়ন্ত্ৰণ কৰা।

৩৭.৩৩ অসমৰ বিভিন্ন দল-সংগঠনে প্ৰতিবাদ কৰাৰ বাবে সকলো দল-সংগঠনৰ লগত আলোচনা সাপেক্ষে এক গ্ৰহণযোগ্য প্ৰতিবাদস্থলী গঢ়ি তোলা।

## ৩৭.০ অন্যান্য নগৰ-চহৰৰ সমস্যাৰ সমাধান ঃ

৩৭.০.১ অসমৰ প্ৰতিখন নগৰ-চহৰৰ আন্তঃগাঁথনি উন্নত কৰা।

৩৭.০.২ প্ৰতিখন নগৰ-চহৰ পৰিষ্কাৰকৈ ৰখা।

৩৭.০.৩ প্ৰতিখন নগৰৰ কৃত্ৰিম বানপানী সমস্যাৰ সমাধান কৰা।

৩৭.০.৪ প্ৰতিখন নগৰ-চহৰৰ নলা-নৰ্দমা পকী কৰা আৰু সেইবোৰ চাফ-চিকুণকৈ ৰখা। ৰাজহুৱা প্ৰস্ৰাৱগাৰৰ ব্যৱস্থা কৰা।

৩৭.০.৫ গুৱাহাটী মহানগৰৰ দৰে একে আঁচনিৰে নগৰ-চহৰসমূহৰ উন্নয়ন কৰা।

## অধ্যায় ৩৮
# এপিএছ চিৰ সংস্কাৰ

৩৮.১ অসম লোকসেৱা আয়োগৰ অধ্যক্ষ আৰু সদস্যসকল সমাজৰ যোগ্য, সৎ, নিষ্ঠাবান, গণ্য-মান্য ব্যক্তি আৰু যাৰ সততা সন্দেহৰ ঊৰ্দ্ধত তেনে মানুহক নিয়োগ কৰা। অধ্যক্ষ আৰু সদস্য নিযুক্তিৰ বাবে বিচাৰক সমিতি গঠন কৰা। ৰাজ্যখনৰ ভৱিষ্যতৰ স্বাৰ্থত সকলো ধৰণৰ স্বজন-প্ৰীতি আৰু দলীয় সংকীৰ্ণতাৰ পৰা মুক্ত কৰি নিয়োগ কৰা। অসম লোকসেৱা আয়োগৰ গৌৰৱ পুনৰুদ্ধাৰ কৰা।

৩৮.২ ভাৰতীয় লোকসেৱা আয়োগ (UPSC) ৰ আৰ্হিত পৰীক্ষাৰ্থীৰ সুবিধাৰ্থে প্ৰপত্ৰ পূৰণৰ পৰা ফলাফল ঘোষণালৈ নিৰ্দিষ্ট সময়সূচী মতে পৰীক্ষা অনুষ্ঠিত কৰা। পৰীক্ষাসমূহ আসোঁৱাহমুক্ত আৰু কেলেংকাৰীমুক্ত কৰা।

৩৮.৩ প্ৰাৰম্ভিক পৰীক্ষাৰ আনচাৰ কী (Answer Key) আৰু পৰীক্ষাৰ্থীৰ উত্তৰ বহী অনলাইন কৰি দিয়া। মূল পৰীক্ষা সম্পূৰ্ণ স্বচ্ছভাৱে অনুষ্ঠিত কৰা। মূল পৰীক্ষাৰ উত্তৰ বহী তথ্য জনাৰ অধিকাৰ আইনৰ অধীনত সকলোকে দিয়াৰ ব্যৱস্থা কৰা।

৩৮.৪ সন্দেহৰ আৱৰ্তত থকা মৌখিক সাক্ষাৎকাৰৰ সম্পূৰ্ণ ভিডিঅ'গ্ৰাফী কৰা আৰু পৰীক্ষাৰ্থীসকলে নিজৰ প্ৰাপ্ত নম্বৰৰ তালিকা বিধি অনুসৰি লাভ কৰাৰ ব্যৱস্থা কৰা। মৌখিক সাক্ষ্যৎকাৰৰ ভিডিঅ'গ্ৰাফী RTI আইনৰ অধীন কৰা।

৩৮.৫ প্ৰতিটো পৰীক্ষাৰ সকলো পৰীক্ষাৰ্থীয়ে লাভ কৰা নম্বৰ ৱেব ছাইটত ৰাজহুৱা কৰা।

৩৮.৬ পৰীক্ষাৰ বহী এতিয়াৰ নিয়ম অনুসৰি ৬ মাহ সংৰক্ষণৰ পৰিৱৰ্তে অতি কমেও ২ বছৰ সংৰক্ষণৰ ব্যৱস্থা কৰা, যাতে কিবা আসোঁৱাহ ওলালে সঠিকভাৱে তদন্ত কৰিব পাৰি। আসোঁৱাহসমূহ দূৰ কৰিবৰ বাবে সকলো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা।

৩৮.৭ মুঠতে অসম লোকসেৱা আয়োগক স্বচ্ছ, নিকা আৰু বিশ্বাসযোগ্য অনুষ্ঠানৰূপে সুপ্ৰতিষ্ঠিত কৰা।

## অধ্যায় ৩৯
# জনসংখ্যা নীতি

৩৯.১ অসমৰ বাবে এখন জন্মনিয়ন্ত্ৰণ আইন প্ৰৱৰ্তন কৰা। বাধ্য-বাধকতাৰে নহয়, জনচেতনা, জাগৰণৰ দ্বাৰা আগবঢ়া।

৩৯.২ দুটা সন্তানেই যথেষ্ট — এই নীতি অসমৰ শেষৰটো পৰিয়াল পৰ্যন্ত লৈ যোৱা। প্ৰতিটো সন্তানৰ বাবে জীৱনৰ সুৰক্ষা নিশ্চিত কৰা।

৩৯.৩ জনসংখ্যা নিয়ন্ত্ৰণৰ বাবে ৰাজ্যখনত এক সামাজিক আন্দোলন গঢ়ি তোলা। বিশেষভাৱে যিবোৰ জনগোষ্ঠী বা ধৰ্মীয় সম্প্ৰদায়ৰ মাজত সন্তান জন্মৰ হাৰ বেছি তেওঁলোকৰ মাজত ব্যাপক সাংস্কৃতিক বিপ্লৱ গঢ়ি তোলা।

৩৯.৪ শিক্ষাৰ প্ৰসাৰ, ব্যাপক সামাজিক আন্দোলন আৰু অৰ্থনৈতিক কাম-কাজত জড়িত কৰাৰ মাজেদি প্ৰতিজন লোককে অধিক সন্তান জন্ম নিদিয়াৰ উপলব্ধিত উপনীত কৰোৱা।

## অধ্যায় ৪০

# বনজ সম্পদৰ সুব্যৱহাৰ আৰু পৰিৱেশ সুৰক্ষা

৪০.১ অসমৰ সকলো বনজ সম্পদ পৰিৱেশ অনুকূল ধৰণে সৰ্বোত্তম ব্যৱহাৰ কৰা।

৪০.২ সম্পদসমূহৰ সৰ্বোত্তম ব্যৱহাৰৰ বাবে সঠিকভাৱে আইন প্ৰস্তুত কৰা।

৪০.৩ শিল, বালি, পলস, মাটি, পানী আদি সম্পদৰ লুণ্ঠন বন্ধ কৰি, ছিণ্ডিকেটৰাজ উৎখাত কৰি মূল্যবৃদ্ধি নকৰাকৈ এইবোৰ সম্পদ বহনক্ষম ধৰণে ব্যৱহাৰ কৰি ৰাজ্যখনৰ বাবে সৰ্বোচ্চ ৰাজহ সংগ্ৰহ কৰিবলৈ সকলো ব্যৱস্থা গ্ৰহণ কৰা।

৪০.৪ বন বিভাগৰ দুৰ্নীতি-অনিয়ম সম্পূৰ্ণৰূপে নিৰ্মূল কৰা। বিভাগটোৰ আমূল সংস্কাৰ কৰা।

৪০.৫ সমগ্ৰ অসমৰ বনাঞ্চল আৰু অন্যান্য খালী ঠাইসমূহত গছ-গছনি ৰুই সেউজীকৰণ কৰা। সেউজীয়াকৰণক এক অভিযান হিচাপে গ্ৰহণ কৰা।

৪০.৬ গছে মানুহে জীয়াই থকাৰ এক পৰিৱেশ অনুকূল ব্যৱস্থা। ছাত্ৰ অৱস্থাৰ পৰাই নাগৰিকসকলক পৰিবেশ সচেতন কৰি গঢ়ি তোলা।

৪০.৭ সকলো টকলা পাহাৰ সেউজীয়া কৰা। অসমৰ অৰণ্য বৃদ্ধি কৰা।

৪০.৮ আমাৰ দলৰ প্ৰতিজন সদস্যই পৰিৱেশ সুৰক্ষাৰ প্ৰতি সচেতন হ'ব আৰু পৰিবেশ আন্দোলন চলাই থাকিব। অসমৰ প্ৰতিখন পঞ্চায়ত এলেকাত কমেও এখন গছপুলিৰ নাৰ্চাৰী গঢ়ি তোলাত উদ্যোগ লোৱা।

৪০.৯ পৰিৱেশ সুৰক্ষা আন্দোলনক উৎসাহিত কৰা।

৪০.১০ অসমৰ সকলো বন্যপ্ৰাণীক সুৰক্ষিত কৰিবলৈ আঁচনি গ্ৰহণ কৰা। ব্যাপক সজাগতামূলক অভিযান চলোৱা।

৪০.১১ জলাশয়সমূহৰ সংৰক্ষণ আৰু বিকাশৰ ব্যৱস্থা কৰা।

৪০.১২ অসমৰ ৰাষ্ট্ৰীয় উদ্যান, বন্যপ্ৰাণী অভয়াৰণ্য, সংৰক্ষিত বনাঞ্চল, প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চল

আৰু অন্যান্য হাবি-জংঘলসমূহ সংৰক্ষণ আৰু শ্ৰীবৃদ্ধিৰ বাবে যতপৰোনাস্তি যত্ন কৰা।

৪০.১৩ বন ধ্বংসৰ বিৰুদ্ধে শূন্য সহনশীল নীতি লোৱা।

৪০.১৪ কাঠৰ চোৰাং কাৰবাৰ, কয়লাকে ধৰি খনিজ সম্পদৰ অবৈধ খনন আৰু চোৰাং কাৰবাৰ, ছিণ্ডিকেট আদি কঠোৰ হাতেৰে নিৰ্মূল কৰা যাতে বনাঞ্চল, বন্যপ্ৰাণী আৰু পৰিৱেশৰ অধিক ক্ষতি নহয়।

৪০.১৫ বন্যপ্ৰাণীৰ চোৰাং চিকাৰৰ বিৰুদ্ধে শূন্য সহনশীল নীতি লোৱা। গঁড় হত্যা কঠোৰভাৱে বন্ধ কৰা।

৪০.১৬ অসমৰ সকলো জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ আৰু শ্ৰীবৃদ্ধিৰ বাবে পৰিকল্পিত কৰ্মসূচী গ্ৰহণ কৰা। অসম ৰাজ্যিক জৈৱ-বৈচিত্ৰ্য পৰিষদক শক্তিশালী আৰু অধিক কাৰ্যশীল কৰা।

৪০.১৭ অসমত একাধিক অৰ্কিড অভয়াৰণ্য ঘোষণা কৰা।

৪০.১৮ অধিক বনাঞ্চল বেদখল সম্পূৰ্ণ বন্ধ কৰা।

৪০.১৯ পৰ্যায়ক্ৰমে পলিথিনিৰ ব্যৱহাৰ নিষিদ্ধ কৰা।

৪০.২০ জল প্ৰদূষণ আৰু বায়ু প্ৰদূষণ ৰোধৰ ব্যৱস্থা কৰা।

৪০.২১ প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডক আচলতেই প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডৰূপে গঢ়ি তোলা।

৪০.২২ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যানক ভয়ংকৰ বান-খহনীয়া সমস্যাৰ পৰা ৰক্ষা কৰা।

৪০.২৩ অসমৰ বনাঞ্চল ধ্বংস কৰি, উদ্যোগ প্ৰতিষ্ঠাৰে পৰিৱেশৰ স্থায়ী ক্ষতি কৰিব পৰা আৰু বন্যপ্ৰাণীক অধিক সংকটলৈ ঠেলি দিয়াৰ সম্ভাৱনা থকা পৰিৱেশ প্ৰভাৱ মূল্যায়ন জাননী, ২০২০ (EIA Notification, 2020) বাতিলৰ বাবে যত্নপৰ হোৱা।

৪০.২৪ বৃহৎ নদীবান্ধ বন্ধ কৰাৰ বাবে বিধানসভাৰ মজিয়াত প্ৰস্তাৱ গ্ৰহণ আৰু লোকসভা তথা ৰাজ্যসভাত সক্ৰিয় ভূমিকা পালন কৰা। পৰিৱেশৰ ক্ষতিকৰ আৰু অসমৰ ওপৰত কুপ্ৰভাৱ পেলাব পৰা বৃহৎ নদীবান্ধ নিৰ্মাণত আইনগতভাৱে বাধা প্ৰদান কৰা। নিৰ্মীয়মান নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্প সন্দৰ্ভত অসমৰ বিশেষজ্ঞসকলৰ প্ৰতিবেদন অনুসৰি ব্যৱস্থা লোৱা অথবা বাতিলৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা।

৪০.২৫ হাতী-মানুহ, বান্দৰ-মানুহৰ সংঘাত দূৰীকৰণৰ বাবে হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী আঁচনি গ্ৰহণ কৰা।

৪০.২৬ অসমৰ সীমান্ত অঞ্চলবোৰৰ অৰণ্যত চুবুৰীয়া ৰাজ্যৰ বেদখল বন্ধ কৰা আৰু বেদখলী ভূমি উদ্ধাৰ কৰা।

## অধ্যায় ৪১
# খনিজ সম্পদৰ সুব্যৱহাৰ

৪১.১ এখন বিশেষজ্ঞ সমিতি আৰু এখন কাৰিকৰী সমিতিৰ দ্বাৰা অসমৰ চাৰিসীমাৰ ভিতৰত থকা খনিজ সম্পদসমূহৰ সঠিক মূল্যায়ন কৰা। নতুন নতুন সম্পদক্ষেত্ৰ চিহ্নিত কৰা।

৪১.২ এখন আইন প্ৰস্তুত কৰি সংবিধানে ৰাজ্য চৰকাৰৰ বাবে প্ৰদান কৰা খনিজ পদাৰ্থৰ সুব্যৱহাৰৰ ব্যৱস্থা কৰা।

৪১.৩ ষষ্ঠ অনুসূচীৰ এলেকাৰ খনিজ সম্পদৰ ক্ষেত্ৰত স্বায়ত্ত শাসিত পৰিষদৰ ক্ষমতা আৰু অধিকাৰ সুনিশ্চিত কৰা।

৪১.৪ সকলো ধৰণৰ অবৈধ খনন আৰু বিক্ৰী সম্পূৰ্ণ বন্ধ কৰা।

৪১.৫ খনিজ পদাৰ্থত থকা অবৈধ, অন্যায় আৰু অনৈতিক ব্যৱসায় আৰু ছিণ্ডিকেট কঠোৰভাৱে বন্ধ কৰা।

৪১.৬ ৰাজহ সংগ্ৰহ বৃদ্ধি কৰা।

৪১.৭ নতুন নতুন উদ্যোগৰ সম্ভাৱনা সৃষ্টি কৰা।

৪১.৮ ৰাজ্যখনৰ মাজেদি অন্য ৰাজ্যৰ পৰা চলা খনিজ সম্পদৰ অবৈধ পৰিবহন আৰু বাণিজ্য নিয়ন্ত্ৰণ কৰা।

## অধ্যায় ৪২
# কাৰাগাৰ সংস্কাৰ

৪২.১ অসমৰ সকলো থানাৰ লকআপসমূহ পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি নিৰ্মাণ কৰা।

৪২.২ উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনা অনুযায়ী এজন ব্যক্তিৰ গ্ৰেপ্তাৰবৰণ কৰা অৱস্থাৰ পৰা কাৰাবন্দী হৈ থকালৈকে সকলো ক্ষেত্ৰতে মানৱ অধিকাৰ ৰক্ষা কৰা।

৪২.৩ অসমৰ কাৰাগাৰসমূহৰ আন্তঃগাঁথনি সবল কৰি গঢ়ি তোলা আৰু পৰ্যাপ্ত বহল-আহল কৰি কাৰাগাৰসমূহ পুনৰ নিৰ্মাণ কৰা। প্ৰতিজন কাৰাবন্দীক শুবলৈ অন্ততঃ ৩৬ বৰ্গফুট ঠাই দিয়া।

৪২.৪ কাৰাগাৰৰ প্ৰস্ৰাৱগৃহ, পায়খানা গৃহ সুন্দৰকৈ নিৰ্মাণ কৰা।

৪২.৫ কাৰাবন্দীসকলকো নাগৰিক হিচাপে গণ্য কৰি পুৱাৰ পৰা গধুলিলৈকে, পুৱাৰ চাহ কাপৰ পৰা আবেলিৰ ভাত সাজলৈকে, সকলোবোৰ উপযুক্ত কেলৰিযুক্ত আৰু পৰিষ্কাৰ পৰিচ্ছন্ন পৰিৱেশত খাদ্য খুওৱা।

৪২.৬ কাৰাবন্দীসকলৰ কাৰাগাৰৰ ভিতৰৰ সকলোবোৰ সমস্যা ক্ষিপ্ৰতাৰে দূৰ কৰাৰ ব্যৱস্থা।

৪২.৭ কাৰাবন্দীসকলৰ বাবে আইনী সাহায্যৰ সঠিক ব্যৱস্থা কৰা।

৪২.৮ খেল-ধেমালি, পঢ়া-শুনা, ব্যায়াম, কোঠাই কোঠাই বাতৰি-কাকত, টিভি আৰু অন্যান্য সেৱাৰ সুব্যৱস্থা কৰা।

৪২.৯ উৎপাদন কেন্দ্ৰসমূহ সঠিককৈ তৈয়াৰ কৰা। পুথিভঁৰালৰ ব্যৱস্থা কৰা।

৪২.১০ থলুৱা শস্যৰ বীজৰ ভাণ্ডাৰ সঠিকৰূপত ৰাখিবলৈ থলুৱা শস্যৰ খেতি কৰোৱা আৰু বীজৰ সংৰক্ষণ কৰা। থলুৱা বীজৰ বিকাশ কেন্দ্ৰ গঢ়ি তোলা।

৪২.১১ অসমৰ কাৰাগাৰসমূহ শাস্তি কেন্দ্ৰ নহৈ সংস্কাৰ কেন্দ্ৰ ৰূপে গঢ়ি তোলা।

৪২.১২ ৰাজনৈতিক বন্দীসকলক সঠিক মৰ্যাদা প্ৰদানৰ ব্যৱস্থা কৰা।

## অধ্যায় ৪৩
# ক্ৰীড়া

৪৩.১ অসমৰ প্ৰতিখন নগৰ, গাঁও, চাহ বাগান এলেকা, বস্তি, চৰ-চাপৰি, পাহাৰীয়া ঠাইত ক্ৰীড়াৰ এক পৰিৱেশ গঢ়ি তোলা আৰু এইবোৰৰ পৰা ক্ৰীড়া প্ৰতিভা চিনাক্ত কৰা।

৪৩.২ ক্ৰীড়াক অসমীয়া জাতিৰ এটা জাতীয় কৰ্মযজ্ঞ ৰূপে গঢ়ি তোলা।

৪৩.৩ বিদ্যালয়ত পঢ়ি থকাৰ অৱস্থাৰ পৰা আগ্ৰহী ছাত্ৰ-ছাত্ৰীসকলক বিশেষ বিশেষ ক্ৰীড়াৰ বাবে সাজু কৰি তোলা।

৪৩.৪ প্ৰতিখন বিদ্যালয়তে বিভিন্ন খেলৰ প্ৰশিক্ষক নিয়োগ কৰা। ক্ৰীড়াৰ আন্তঃগাঁথনি নিৰ্মাণ কৰা। প্ৰতিখন গাঁৱতে খেলপথাৰ নিৰ্মাণৰ প্ৰচেষ্টা কৰা।

৪৩.৫ সৰুৰে পৰা প্ৰতিভাবান খেলুৱৈসকলক ক্ৰীড়াৰ ক্ষেত্ৰত আগুৱাই নিবলৈ বিদ্যালয় গঢ়ি তোলা।

৪৩.৬ এখন ক্ৰীড়া বিশ্ববিদ্যালয় গঢ়ি তোলা।

৪৩.৭ উপযুক্ত বিদেশী ক্ৰীড়া প্ৰশিক্ষক নিয়োগ কৰি ৰাজ্যখনৰ পৰা ভাল খেলুৱৈ তৈয়াৰ কৰা।

৪৩.৮ আমাৰ পৰম্পৰাগত ক্ৰীড়াক অধিক জনপ্ৰিয় কৰি বিকশাই তোলা আৰু তেনে ক্ৰীড়াত বৃত্তিগত ৰূপ দিয়া।

৪২.৯ ক্ৰীড়া বোৰ্ডসমূহৰ পৰা অশুভ ৰাজনৈতিক হস্তক্ষেপ আঁতৰাই সকলো প্ৰকাৰৰ দুৰ্নীতি দূৰ কৰা।

৪৩.১০ ৰাজ্যখনত ক্ৰীড়াৰ সকলোবোৰ আন্তঃগাঁথনি গঢ়ি তোলা।

৪৩.১১ ক্ৰীড়াবিদসকলক চৰকাৰী চাকৰিত নিয়োগ কৰাৰ বাবে আঁচনি লোৱা। বিশিষ্ট ক্ৰীড়াবিদসকলৰ বাবে পেঞ্চনৰ ব্যৱস্থা কৰা।

৪৩.১২ এটা জাতীয় ক্ৰীড়া নীতি প্ৰণয়ন কৰা।

৪৩.১৩ অসমত ফুটবল খেলক তৃণমূল পৰ্যায়লৈ জনপ্ৰিয় কৰি অসমৰ পৰা এটা ৰাষ্ট্ৰীয় মানৰ ফুটবল দল গঠন কৰা। মুঠতে প্ৰতিভাবান খেলুৱৈ গঢ়ি তুলিবলৈ অসমত এক জাতীয় উদ্যোগ গঢ়ি তোলা।

## অধ্যায় ৪৪
# ভাষা-সংস্কৃতি-কলা

অসমৰ ভৌগোলিক চাৰিসীমাৰ ভিতৰত বসবাস কৰা সকলো জাতি-জনগোষ্ঠীৰে ভাষা বিজ্ঞানসন্মতভাৱে চৰ্চা, প্ৰচাৰ প্ৰসাৰৰ ব্যৱস্থা লোৱা। যিসমূহ জনগোষ্ঠীৰ ভাষা লিখিত ৰূপত নাই অৰ্থাৎ দোৱানৰ ৰূপত আছে, তেওঁলোকৰো ভাষা যাতে হেৰাই নাযায়, তাৰ বাবে যথোপযুক্ত সংৰক্ষণৰ বাবে যত্নবান হোৱা। ভাষা লিপি, ব্যাকৰণ, সাহিত্যৰ সংৰক্ষণ আৰু প্ৰচাৰৰ বাবে সংশ্লিষ্ট বিভাগৰ জৰিয়তে যত্ন কৰা। মহাবিদ্যালয়, বিশ্ববিদ্যালয়সমূহত জনজাতীয় ভাষা শীৰ্ষক বিভাগ মুকলি কৰি এইবোৰ ৰক্ষা আৰু প্ৰচলনৰ বাবে দায়বদ্ধ ব্যৱস্থা গ্ৰহণ কৰা। জনজাতীয় ভাষা শিক্ষকৰ চাকৰি প্ৰদান কৰা। ভাষাৰ দৰে বিভিন্ন জনগোষ্ঠীৰ লোকাচাৰ আৰু লোককৃষ্টিক সংৰক্ষণৰ ব্যৱস্থা কৰা।

৪৪.১ অসমীয়া ভাষা, বি টি এ ডি, পাহাৰীয়া এলেকা আৰু বৰাক উপত্যকাৰ স্থানীয় ভাষাক সাংবিধানিক সুৰক্ষা প্ৰদান আৰু ৰাজ্যিক ভাষাৰ ক্ষেত্ৰত স্থিতাৱস্থা বাহাল ৰখা। ভাৰতৰ সংবিধানৰ ৩৪৭ নং অনুচ্ছেদত এটি non-obstentee ধাৰা সংযোগ কৰি যাতে বৰ্তমানৰ দৰে অসমীয়া ভাষা সদায়ে ৰাজ্যভাষা ৰূপে অটুত থাকে আৰু অসমৰ ৰাজ্যভাষাৰ ক্ষেত্ৰত কোনো সালসলনিয়েই অসম বিধান সভাৰ পূৰ্ব অনুমোদন নোহোৱাকৈ সম্ভৱ নহয়, তাৰ ব্যৱস্থা কৰাৰ বাবে যত্নবান হোৱা। আন সকলো খিলঞ্জীয়া জনগোষ্ঠীৰ ভাষা সুৰক্ষিত আৰু বিকশিত কৰা।

৪৪.২ অসমত যিকোনো চাকৰিত নিযুক্তিৰ ক্ষেত্ৰত সামগ্ৰিকভাৱে অসমীয়া ভাষা; বি টি এ ডি, পাহাৰীয়া এলেকা আৰু বৰাক উপত্যকাত স্থানীয় ভাষাৰ এখন কাকত বাধ্যতামূলক কৰা।

৪৪.৩ সামগ্ৰিকভাৱে অসমৰ আৰু ইয়াৰ বিভিন্ন জনগোষ্ঠীৰ সাংস্কৃতিক ঐতিহ্য সংৰক্ষণৰ ব্যৱস্থা কৰা।

৪৪.৪ কেন্দ্ৰীয় চৰকাৰৰ সংগীত নাট একাডেমী, ললিত কলা একাডেমী, সাহিত্য একাডেমী, ৰাষ্ট্ৰীয় নাট্য বিদ্যালয় আৰু অন্যান্য কলা-সংস্কৃতিৰ কেন্দ্ৰীয় প্ৰতিষ্ঠানসমূহক অসমত এটা শাখা কাৰ্যালয় খুলি অসমৰ কলা, সাহিত্য, ভাষা, সংস্কৃতিৰ বিকাশৰ বাবে আগভাগ ল'বলৈ হেঁচা দিয়া।

৪৪.৫ গুৱাহাটীত এটা ৰাষ্ট্ৰীয় পৰ্যায়ৰ পুথিভঁৰাল নিৰ্মাণ আৰু ডিজিটেলাইজ কৰা।

৪৪.৬ প্ৰতিখন জিলাৰ পুথিভঁৰালসমূহ অত্যাধুনিক পাব্লিক লাইব্ৰেৰী ৰূপে গঢ়ি তোলা।

৪৪.৭ অসম ৰাজ্যিক অভিলেখাগাৰ(আৰ্কাইভ) আধুনিকীকৰণ আৰু সকলো জিলাৰ অভিলেখাগাৰবোৰ আধুনিকীকৰণ।

৪৪.৮ অসমীয়া ভাষাৰ প্ৰচাৰৰ বাবে, বিকাশৰ বাবে ব্যাপক কৰ্মসূচী গ্ৰহণ কৰা।

৪৪.৯ ভ্ৰাম্যমান নাট্য দলবোৰৰ কলা-কুশলীসকলৰ কল্যাণৰ ব্যৱস্থা কৰা।

৪৪.১০ অসমৰ কলা, স্থাপত্য, ভাস্কৰ্যৰ শিক্ষানুষ্ঠানসমূহক অধিক গতিশীল কৰা, বহিঃৰাজ্য বা বিদেশৰ পৰা উপযুক্ত শিক্ষক নিযুক্তি দিয়া আৰু আন্তঃগাঁথনি শক্তিশালী কৰা।

৪৪.১১ সংগীত বিদ্যালয়, মহাবিদ্যালয়সমূহক অধিক গতিশীল কৰা, যোগ্য শিক্ষক নিযুক্তি দিয়া আৰু আন্তঃগাঁথনি মজবুত কৰা।

৪৪.১২ অসমৰ পৰম্পৰাগত, থলুৱা কলা-কৃষ্টিক বিকশাই তোলাৰ বাবে আন্তঃগাঁথনি তৈয়াৰ কৰা।

৪৪.১৩ গীত, নৃত্য, বাদ্য, কলা, চিনেমা, থিয়েটাৰ, নাটক আদিক জীৱনৰ বৃত্তিৰূপে অধিক পৰিমাণে বিকশাই তুলিবলৈ যুৱক-যুৱতীসকলক অধিক উৎসাহিত কৰা আৰু তাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা লোৱা। এনে বৃত্তিৰ লোকসকল বা এনে কামেৰে জীৱনপাত কৰা লোকসকলৰ বাবে পেঞ্চনৰ ব্যৱস্থা কৰা।

৪৪.১৪ অসমীয়া চিনেমাৰ উদ্যোগক শক্তিশালী কৰা।

৪৪.১৫ শংকৰদেৱ কলা ক্ষেত্ৰ আৰু জ্যোতি চিত্ৰবনক আধুনিকীকৰণ কৰা।

৪৪.১৬ সত্ৰ, নামঘৰ আৰু অন্যান্য ঐতিহ্যমণ্ডিত ধৰ্মীয় প্ৰতিষ্ঠানসমূহৰ সংস্কৃতি সংৰক্ষণ আৰু বিকাশৰ বাবে যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা আৰু প্ৰয়োজনীয় আইনী সুৰক্ষা প্ৰদান কৰা।

৪৪.১৭ অসমৰ বাৰেবৰণীয়া কৃষ্টি-সংস্কৃতি প্ৰচাৰ, গৱেষণা আৰু বিকাশৰ বাবে এখন কেন্দ্ৰীয় সাংস্কৃতিক বিশ্ববিদ্যালয় স্থাপনৰ বাবে হেঁচা দিয়া।

৪৪.১৮ অসমৰ মধ্যযুগৰ সাহিত্যৰ পাণ্ডুলিপিসমূহ প্ৰকাশ কৰা।

৪৪.১৯ অসমীয়া আৰু অন্যান্য থলুৱা ভাষাৰ বিকাশৰ বাবে শেহতীয়া প্ৰযুক্তি ব্যৱহাৰ কৰা।

৪৪.২০ অসমৰ সাংবাদিকসকলৰ বাবে পেঞ্চনৰ ব্যৱস্থা কৰা।

## অধ্যায় ৪৫

# নিযুক্তি

৪৫.১ নিযুক্তি সম্পূৰ্ণ নিকা, স্বচ্ছ, দুৰ্নীতিমুক্ত কৰা।

৪৫.২ মেধা, যোগ্যতা আৰু নিৰ্দিষ্ট সংৰক্ষণৰ ভিত্তিত নিযুক্তি দিয়া।

৪৫.৩ নিযুক্তিৰ ক্ষেত্ৰত মহিলাৰ অন্ততঃ ৩০ শতাংশ পদৰ প্ৰাপ্তি ব্যৱস্থা কৰা।

৪৫.৪ অন্যভাৱে সক্ষম ব্যক্তিসকলৰ বাবে সংৰক্ষণ মানি চলা।

৪৫.৫ অসমৰ প্ৰতিটো পৰিয়ালৰ অন্ততঃ এজনকৈ লোকক পৰ্যায়ক্ৰমে নিয়মীয়া কৰ্মসংস্থাপন দিয়াৰ যত্ন কৰা।

## অধ্যায় ৪৬

# জনস্বাস্থ্য কাৰিকৰী বিভাগ

৪৬.১ কেন্দ্ৰীয় চৰকাৰৰ সৈতে লগলাগি পৰ্যায়ক্ৰমে প্ৰতিটো পৰিয়ালক বিশুদ্ধ খোৱাপানী যোগানৰ আঁচনি গ্ৰহণ কৰা।

৪৬.২ আৰ্ছেনিক আৰু ফ্ল'ৰাইড মুক্ত পানীৰ ব্যৱস্থা কৰা।

৪৬.৩ মুকলি স্থানত পায়খানা কৰাৰ স্বভাৱ নাইকিয়া কৰিবলৈ এক সামাজিক-সাংস্কৃতিক সচেতনতা কাৰ্যসূচী গ্ৰহণ কৰা।

৪৬.৪ কেন্দ্ৰীয় চৰকাৰৰ সৈতে লগলাগি পৰ্যায়ক্ৰমে প্ৰতিটো পৰিয়ালৰ বাবে পকী শৌচাগাৰ নিৰ্মাণৰ আঁচনি লোৱা।

৪৬.৫ প্ৰতিখন গাঁও, বস্তি, নগৰ-চহৰ, চাহবাগিচাৰ লাইন, চৰ-চাপৰিত পৰিষ্কাৰ-পৰিচ্ছন্ন ব্যৱস্থা, সঠিক পানী নিষ্কাষণৰ ব্যৱস্থা কৰা।

৪৬.৬ নলা-নৰ্দমা সঠিকভাৱে পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰখাৰ দিহা কৰা।

## অধ্যায় ৪৭

# চাহ শ্ৰমিকসকলৰ আৰু চাহ উদ্যোগৰ সমস্যাৰ সমাধান

৪৭.১ চাহ শ্ৰমিকসকলৰ দৈনিক মজুৰি যথোপযুক্তভাৱে বৃদ্ধি কৰাৰ ব্যৱস্থা কৰা। মূল্যবৃদ্ধিৰ লগত সংগতি ৰাখি নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে চাহ শ্ৰমিকসকলৰ মজুৰি বৃদ্ধিৰ বাবে সুনিৰ্দিষ্ট পদক্ষেপ

গ্রহণ কৰা। 'দ্য প্লেন্টেচন লেবাৰ এক্ট, ১৯৫১' সম্পূর্ণ কার্যকৰী কৰিবলৈ ব্যৱস্থা কৰা।

৪৭.২ চাহ শ্রমিক আৰু প্রাক্তন চাহ শ্রমিকসকলৰ দীর্ঘদিন ধৰি ভোগদখলত থকা মাটিৰ পট্টা প্রদানৰ ব্যৱস্থা কৰা।

৪৭.৩ চাহ শ্রমিকে বাস কৰা লাইনৰ বস্তি মাটি আৰু বাসস্থান চাহ শ্রমিকসকলৰ নামত আবন্টনৰ বাবে যত্ন কৰা।

৪৭.৪ চাহ শ্রমিকসকলে খেতি কৰি থকা হোলা মাটিৰ পট্টা প্রদানৰ যত্ন কৰা।

৪৭.৫ চাহ শ্রমিকৰ লাইনৰ বিদ্যুৎ সমস্যাৰ স্থায়ী সমাধান কৰা। প্রতিটো পৰিয়ালতে ব্যক্তিগত বিদ্যুৎ মিটাৰ প্রদানৰ ব্যৱস্থা কৰা।

৪৭.৬ চাহ বাগানৰ চিকিৎসালয় আৰু বিদ্যালয় যথোপযুক্ত কৰি গঢ়ি তুলিবলৈ কোম্পানীসমূহক বাধ্য কৰোৱা আৰু চৰকাৰৰ কৰণীয় সকলো কাম কৰাৰ ব্যৱস্থা কৰা। ছাত্র-ছাত্রীৰ ড্রপ-আউট কমাবলৈ যত্নবান হোৱা। শিশু মৃত্যুৰ হাৰ আৰু প্রসূতি মৃত্যুৰ হাৰ হ্রাস কৰাৰ বাবে সকলো যত্ন লোৱা।

৪৭.৭ চাহ বাগিচাৰ বিদ্যালয়সমূহৰ শিক্ষাৰ মান উন্নীত কৰা।

৪৭.৮ যুৱক-যুৱতীসকলক উচ্চ শিক্ষাৰ বাবে নিয়মীয়া ছাত্র বৃত্তি প্রদান কৰা।

৪৭.৯ শিক্ষিত যুৱক-যুৱতীৰ সংস্থাপনৰ ব্যৱস্থা কৰা।

৪৭.১০ চাহ বাগিচাত খেলৰ পৰিৱেশ অধিক উন্নত কৰা।

৪৭.১১ বাগিচাসমূহৰ পথ, দলং আৰু যাতায়তৰ অন্যান্য ব্যৱস্থাসমূহৰ উন্নয়ন সাধন কৰা। চাহ শ্রমিকসকলৰ সমস্যা সমাধানৰ লগতে চাহ উদ্যোগৰো সমস্যা সমাধান কৰিব লাগিব।

৪৭.১২ চাহ বাগিচাসমূহৰ উৎপাদন বৃদ্ধিৰ বাবে সহযোগিতা কৰা।

৪৭.১৩ চাহ বাগিচাসমূহৰ চাহ বিক্রীৰ বাবে বজাৰৰ ক্ষেত্রত সহযোগিতা কৰা। 'অসম চাহ'ক জনপ্রিয় কৰা।

৪৭.১৪ চাহ বাগিচাৰ উৎপাদিত চাহৰ পৰা মূল্য সংযোজন (value add) ৰ বাবে বিশেষ উৎসাহিত কৰা।

৪৭.১৫ গ্রীণ টি, অৰ্গেনিক টি, ব্লু টি আদি নানা তৰহৰ চাহ তৈয়াৰ কৰি চাহ উদ্যোগৰ গুৰুত্ব বৃদ্ধি কৰাত উৎসাহিত কৰা।

৪৭.১৬ চাহ উদ্যোগক ৰাজসাহায্য প্রদানৰ ক্ষেত্রত কেন্দ্রীয় চৰকাৰক সৈমান কৰোৱা। বিশেষকৈ পুৰণিকলীয়া ফেক্টৰীসমূহ অত্যাধুনিক ফেক্টৰীৰে বদলোৱাৰ ক্ষেত্রত সহযোগ কৰা। চাহ উদ্যোগৰ

সমস্যাসমূহ সহানুভূতি সহকাৰে সমাধান কৰা।

৪৭.১৭ টোকলাই চাহ গৱেষণা কেন্দ্ৰক আধুনিকীকৰণ কৰা। কৰ্মচাৰীসকলৰ সমস্যাৰ সমাধানৰ চেষ্টা কৰা। গৱেষণাৰ বাবে পুঁজি যোগান ধৰা।

৪৭.১৮ ক্ষুদ্ৰ চাহ খেতিয়কসকলক "সমবায় বটলিফ ফেক্টৰী" নিৰ্মাণত সহযোগিতা কৰা আৰু নিৰ্মাণৰ সকলো অফিচিয়েল বাধা আঁতৰ কৰা।

৪৭.১৯ ক্ষুদ্ৰ চাহ খেতিয়কসকলক কৰৰ বোজাৰ পৰা ৰেহাই দিয়া। ক্ষুদ্ৰ চাহ খেতিয়কক মাটিৰ পট্টা দিয়া।

৪৭.২০ ক্ষুদ্ৰ চাহ খেতিয়কৰ কেঁচা পাতৰ উচিত মূল্য প্ৰাপ্তি নিশ্চিত কৰা।

## অধ্যায় ৪৮

# সংখ্যালঘুসকলৰ সমস্যাৰ সমাধান

৪৮.১ ধৰ্মীয় আৰু ভাষিক সংখ্যালঘুসকলৰ বাবে ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক সকলো দিশতে ন্যায় প্ৰদান কৰা।

৪৮.২ গৰিয়া-মৰিয়া, দেশী, জোলা আদি সম্প্ৰদায়ৰ লোকসকলক এক বিশেষ জনগোষ্ঠীৰূপে মৰ্যাদা প্ৰদান কৰি উন্নয়ন বোৰ্ড গঠন কৰা আৰু উন্নয়নৰ বিশেষ ব্যৱস্থা গ্ৰহণ কৰা।

৪৮.৩ সংখ্যালঘু ছাত্ৰবৃত্তি নিয়মীয়াকৰণ কৰা।

৪৮.৪ জলপৰিবহনৰ সঠিক ব্যৱস্থা কৰা। জলপৰিবহন আধুনিকীকৰণ আৰু লেচীৰ শোষণ নিৰ্মূল কৰা।

৪৮.৫ শিক্ষাখণ্ডত গুৰুত্ব আৰোপ কৰা।

৪৮.৬ সংখ্যালঘু এলেকাৰ ৰাস্তা-পদূলি আৰু দলং নিৰ্মাণ কৰা।

৪৮.৭ জন্ম নিয়ন্ত্ৰণৰ বাবে জন সজাগতা গঢ়ি তোলা।

৪৮.৮ সংখ্যালঘু এলেকাত বিজুলী যোগানৰ ব্যৱস্থা লোৱা।

৪৮.৯ সংখ্যালঘু শ্ৰমিকসকলৰ কৰ্মস্থলীত নিৰাপদে কাম কৰাৰ ব্যৱস্থা লোৱা।

৪৮.১০ ১৮ বছৰৰ তলৰ নাৰীৰ বিয়া নিদিয়াটো নিশ্চিত কৰিবলৈ কাম কৰা। বাল্য বিবাহ বন্ধ কৰা। নাৰীৰ শিক্ষাৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা।

৪৮.১১ পশু চিকিৎসা কেন্দ্ৰ স্থাপন কৰা।

৪৮.১২ কৃষি উৎপাদন বৃদ্ধি কৰিবলৈ সকলো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা।

৪৮.১৩ কৃষিজাত সামগ্ৰীৰ সঠিক দাম প্ৰদানৰ ব্যৱস্থা আৰু চৰকাৰী ক্ৰয় ব্যৱস্থা প্ৰৱৰ্তন, মধ্যভোগীৰ অৱসান ঘটোৱা।

৪৮.১৪ বানপানী আৰু গৰা খহনীয়াপীড়িতক সংস্থাপনৰ ব্যৱস্থা কৰা। গৰাখহনীয়া সমস্যাৰ স্থায়ী সমাধানৰ উদ্যোগ লোৱা।

৪৮.১৫ মৎস্য উৎপাদনত সহযোগিতা কৰা।

৪৮.১৬ মৰাপাট জেচিআই- এ ক্ৰয় কৰাৰ ব্যৱস্থা কৰা।

৪৮.১৭ শাক-পাচলি উৎপাদনত অধিক ৰাসায়নিক সাৰ প্ৰয়োগ নকৰাৰ বাবে প্ৰশিক্ষণপ্ৰাপ্ত কৰা। শাক-পাচলিৰ ন্যূনতম সমৰ্থন মূল্যৰ ব্যৱস্থা কৰা।

৪৮.১৮ সংখ্যালঘু এলেকাত উপযুক্ত চিকিৎসালয়ৰ ব্যৱস্থা কৰা।

৪৮.১৯ চৰ এলেকাত অন্ধবিশ্বাস নিৰ্মূলকৰণৰ অভিযান চলোৱা।

৪৮.২০ ভাষিক সংখ্যালঘুকে ধৰি সংখ্যালঘু এলেকাৰ ‘ডি ভোটাৰ’ৰ সমস্যাটো সমাধান কৰা।

৪৮.২১ ভাষিক সংখ্যালঘু এলেকাৰ মাছমৰীয়াসকলৰ সমস্যাবোৰ সমাধান কৰা।

৪৮.২২ বৌদ্ধ, শিখ, জৈন, খ্ৰীষ্টান আদি ধৰ্মৰ লোকসকলৰ ধৰ্মীয় স্থানসমূহ আৰু অন্যান্য সমূহীয়া সম্পত্তিসমূহ সুৰক্ষিত কৰা।

## অধ্যায় ৪৯
# গোৰ্খাসকলৰ সমস্যাৰ সমাধান

৪৯.১ গোৰ্খাসকলৰ ‘ডি’ ভোটাৰৰ সমস্যাটো সমাধান কৰা।

৪৯.২ গোৰ্খাসকলৰ উন্নয়ন পৰিষদক আইনী ক্ষমতা প্ৰদান কৰা আৰু যথেষ্ট পৰিমাণে পুঁজিৰ যোগান ধৰা।

৪৯.৩ অসমত এক ব্যাপক দুগ্ধ বিপ্লৱ গঢ়ি তোলা, যাতে গোৰ্খাসকলৰে গাখীৰৰ লগত জড়িত প্ৰতিটো পৰিয়ালৰ অৰ্থনৈতিক অৱস্থাৰ উন্নতি হয়।

৪৯.৪ গোৰ্খা লোকসকলে বসবাস কৰা অঞ্চলৰ ক্ষিপ্ৰ উন্নয়ন কৰা।

৪৯.৫ গোৰ্খাসকলৰ ভোগ দখলী মাটিৰ পট্টা প্ৰদান কৰা।

৪৯.৬ গৰু বা ম’হৰ খুটিৰ গৰখীয়াসকলৰ জীৱনৰ মান উন্নত কৰা।

৪৯.৭ অসমৰ সমাজ জীৱনৰ লগত গোৰ্খাসকলৰ সমন্বয় দ্ৰুত কৰিবলৈ সকলো ব্যৱস্থা লোৱা।

## অধ্যায় ৫০

# বৰাক উপত্যকাৰ জনগণৰ সমস্যা সমাধানৰ বিশেষ উদ্যোগ

৫০.১ বৰাক উপত্যকাক ব্ৰহ্মপুত্ৰ উপত্যকাৰ দৰে সমান গুৰুত্ব প্ৰদান কৰা।

৫০.২ বৰাক উপত্যকাৰ ৰাস্তা-ঘাট আৰু জল পৰিবহনত বিশেষ গুৰুত্ব আৰোপ কৰা। গ্ৰাম্য এলেকা পৰ্যন্ত উপত্যকাটোৰ সকলো ৰাস্তা-ঘাট পৰ্যায়ক্ৰমে পকীকৰণ কৰা।

৫০.৩ বৰাক আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ দূৰত্ব দূৰ কৰা। পূব-পশ্চিম কৰিড'ৰৰ চাৰিলেনযুক্ত পথ তৎকালীনভাৱে সম্পূৰ্ণ কৰাৰ ব্যৱস্থা কৰা। শিলচৰ বিমান বন্দৰক আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰূপে উন্নত কৰা। বৰাক উপত্যকালৈ যোৱা ৰেল সেৱা অধিক উন্নত কৰা।

৫০.৪ বৰাক নদীৰ বান আৰু গৰাখহনীয়া সমস্যাৰ স্থায়ী সমাধানৰ যত্ন কৰা।

৫০.৫ বৰাক নদীৰ সকলো সম্ভাৱনা সম্পদলৈ ৰূপান্তৰ কৰা। বৰাক উপত্যকাৰ প্ৰতিখন পথাৰত জলসিঞ্চনৰ ব্যৱস্থা কৰা। বৰাক নদীৰ ওপৰত অধিক দলং নিৰ্মাণ কৰা।

৫০.৬ বৰাক উপত্যকাৰ চাহ শ্ৰমিকসকলৰ মজুৰি আৰু অন্যান্য সুবিধা বৃদ্ধি কৰা।

৫০.৭ বৰাক উপত্যকাৰ সৰু-বৰ সকলো জাতি-জনগোষ্ঠীৰ উন্নয়ন আৰু বিকাশ কৰা।

৫০.৮ পৰ্যাপ্ত শিক্ষানুষ্ঠান স্থাপন কৰা। বৰাক উপত্যকাৰ শিক্ষা ব্যৱস্থাক আধুনিকীকৰণ কৰা।

৫০.৯ স্বাস্থ্যখণ্ডত স্বনিৰ্ভৰশীল কৰি গঢ়ি তোলা। বৰাক উপত্যকাত এখন এইম্‌ছ প্ৰতিষ্ঠাৰ বাবে যত্ন কৰা। বৰাক উপত্যকাৰ প্ৰতিখন জিলা চিকিৎসালয়ক ক্ৰমান্বয়ে চিকিৎসা মহাবিদ্যালয়লৈ উন্নীত কৰা।

৫০.১০ ৰাজ্যখনৰ অ-সম উন্নয়নক প্ৰত্যাহ্বান জনাই সম উন্নয়নৰ প্ৰচেষ্টা কৰা।

৫০.১১ বৰাকত বাঙালি ভাষাৰ বিকাশৰ কাৰ্যসূচী গ্ৰহণ কৰা।

৫০.১২ বৰাকৰ বাঙালিসকলকে ধৰি সকলো জাতি, জনগোষ্ঠীৰ কলা-সংস্কৃতিৰ বিকাশৰ বাবে কৰ্মসূচী লোৱা।

৫০.১৩ ব্ৰহ্মপুত্ৰ উপত্যকাৰ দৰে প্ৰতিটো চৰকাৰী উন্নয়ন আঁচনি বৰাক উপত্যকাতো সমান গুৰুত্বৰে গ্ৰহণ কৰা।

৫০.১৪ বিভাগীয় দুৰ্নীতি নিৰ্মূলৰ ব্যৱস্থা কৰা।

৫০.১৫ বৰাক উপত্যকাত কেন্দ্ৰীয় প্ৰতিষ্ঠানসমূহ প্ৰতিষ্ঠাৰ বাবে কেন্দ্ৰীয় চৰকাৰক হেঁচা দিয়া।

৫০.১৬ বৰাক উপত্যকাত যথোপযুক্ত ধৰণে উদ্যোগীকৰণ কৰা।

৫০.১৭ বৰাক উপত্যকা স্বনিৰ্ভৰশীল হোৱাকৈ বিদ্যুৎ উৎপাদন কৰা।

৫০.১৮ বৰাক উপত্যকাত পৰ্যাপ্ত পৰ্যটন কেন্দ্ৰ গঢ়ি তোলা।

৫০.১৯ বৰাক উপত্যকাক আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ কেন্দ্ৰত পৰিণত কৰা।

৫০.২০ বৰাক উপত্যকাৰ প্ৰতিটো পৰিয়ালক বিশুদ্ধ খোৱাপানী যোগান ধৰা।

### অধ্যায় ৫১

## বিশেষভাৱে সক্ষম নাগৰিকৰ সমস্যাসমূহ সমাধান

৫১.১ অসমত সকলো বিশেষভাৱে সক্ষম ব্যক্তিৰ পঞ্জীয়ন কৰি 'ডাটা বেচ' তৈয়াৰ কৰা।

৫১.২ সেই তথ্যৰ ভিত্তিত একাদিক্ৰমে সকলোকে কৰ্মসংস্থান প্ৰদান কৰা।

৫১.৩ কৰ্মসংস্থান দিব নোৱাৰাসকলক মাহেকীয়া ভাট্টা প্ৰদান কৰাৰ বাবে পৰ্যায়ক্ৰমে ব্যৱস্থা লোৱা।

৫১.৪ বিশেষভাৱে সক্ষমসকলৰ আশ্ৰয় গৃহসমূহ বিজ্ঞানসন্মত কৰি সঠিকভাৱে ৰখাৰ ব্যৱস্থা কৰা।

৫১.৫ বিশেষভাৱে সক্ষমসকলৰ বাবে চাকৰিৰ সংৰক্ষণ নীতি মানি চলা।

৫১.৬ বিশেষভাৱে সক্ষমসকলৰ প্ৰতিভা বিকাশৰ বাবে উদ্যোগ গ্ৰহণ কৰা।

৫১.৭ বিশেষভাৱে সক্ষমসকলৰ শিক্ষাৰ বাবে বিশেষ যতন লোৱা।

### অধ্যায় ৫২

## নাৰীৰ প্ৰতি ন্যায়

৫২.১ অসমখন সকলো শ্ৰেণীৰ মহিলাৰ বাবে আদৰ্শ সুৰক্ষিত স্থান ৰূপে গঢ়ি তোলা। অসমৰ প্ৰতিটো কোণত মহিলাই যাতে সুৰক্ষিত আৰু নিৰাপদ অনুভৱ কৰাৰ পৰিৱেশ ৰচিত হয় তাৰ বাবে কাম কৰা। নাৰী-পুৰুষৰ সম-মৰ্যাদাৰ বাবে কাম কৰা।

৫২.২ নাৰী শ্ৰমিকৰ দৈনিক মজুৰি পুৰুষৰ সমানে কৰাৰ বাবে পৰ্যায়ক্ৰমে ব্যৱস্থা গ্ৰহণ কৰা।

৫২.৩ সম্পত্তিত নাৰীৰ নাম পুৰুষৰ সমানে অন্তৰ্ভুক্ত কৰা।

৫২.৪ নতুনকৈ মাটিৰ পট্টা প্ৰদানত পৰিয়ালৰ পুৰুষ-নাৰী দুয়োজনৰে নাম অন্তৰ্ভুক্ত কৰা।

৫২.৫ পঞ্চায়ত আৰু নগৰ পালিকাত মহিলাৰ বাবে অধিক আসন সংৰক্ষণৰ ব্যৱস্থা কৰা।

৫২.৬ সকলো চৰকাৰী চাকৰিত মহিলাৰ বাবে পদ সংৰক্ষণ কৰা।

৫২.৭ পুলিচ বাহিনীত অধিক মহিলাৰ নিযুক্তি আৰু প্ৰতিখন জিলা সদৰতে মহিলাৰ আৰক্ষী চকী স্থাপন অথবা মহিলা কোষ স্থাপনৰ ব্যৱস্থা কৰা।

৫২.৮ সকলো ধৰণৰ নাৰী নিৰ্যাতনৰ বিৰুদ্ধে কঠোৰতম ব্যৱস্থা গ্ৰহণ কৰা।

৫২.৯ শিশু, কিশোৰী আৰু নাৰী সৰবৰাহৰ বিৰুদ্ধে কঠোৰতম ব্যৱস্থা লোৱা।

৫২.১০ ডাইনী হত্যাৰ বিৰুদ্ধে কঠোৰতম ব্যৱস্থা লোৱা।

৫২.১১ অসম মহিলা আয়োগক অধিক সক্ৰিয়কৰণ আৰু নাৰীৰ বিৰুদ্ধে হোৱা যিকোনো অপৰাধ যথাসম্ভৱ সোনকালে মীমাংসাৰ ব্যৱস্থা কৰা।

৫২.১২ মহিলা আত্মসহায়ক গোটসমূহক যথাৰ্থতে উৎপাদনক্ষম কৰি গঢ়ি তোলা।

৫২.১৩ পুৰুষ-মহিলাৰ সমমৰ্যাদা থকা সমাজ গঢ়ি তোলা।

৫২.১৪ মহিলা-শিশুৰ কল্যাণমূলক আঁচনি গ্ৰহণ কৰা যাতে শিশুৰ মৃত্যুৰ হাৰ হ্ৰাস কৰিব পাৰি।

৫২.১৫ অবিবাহিত মহিলাৰ বাবে কৌশল বিকাশ যোজনা আৰু আৰ্থিক সাহায্য প্ৰদান কাৰ্যসূচী ৰূপায়ণ কৰা।

৫২.১৬ মহিলাসকলে যাতে অৰ্থনৈতিকভাৱে যথাৰ্থতে আত্মনিৰ্ভৰশীল হ'ব পাৰে তাৰ বাবে সকলো ধৰণৰ আঁচনি গ্ৰহণ কৰা।

## অধ্যায় ৫৩
# ব্যৱসায়ী, বৃত্তিজীৱী, গাড়ীচালক, ৰিক্সাৱালা, ঠেলাৱালা, মিস্ত্ৰি আদি শ্ৰমজীৱীসকলৰ কল্যাণ

৫৩.১ এলানি ড্ৰাইভিং স্কুল স্থাপন আৰু পেছাদাৰী চালক সৃষ্টি কৰা। প্ৰতিজন পেছাদাৰী চালকৰ পঞ্জীয়ন আৰু চালকসকলৰ কল্যাণৰ সুব্যৱস্থা কৰা। ৬০ বছৰৰ পাছত প্ৰতিজন চালকৰ বাবে পেঞ্চন (অংশীদাৰিত্বৰ ভিত্তিত) ৰ ব্যৱস্থা কৰা। কৰ্তব্যৰত অৱস্থাত তেওঁলোক যাতে কোনো নিচাজাতীয় দ্ৰব্যৰ কবলত নপৰে, তাৰ বাবে শাৰীৰিক আৰু মানসিক উৎকৰ্ষ সাধনৰ বিজ্ঞানসন্মত ব্যৱস্থা লোৱা।

৫৩.২ ইলেক্ট্ৰিচিয়ান সৃষ্টিৰ বাবে এলানি প্ৰশিক্ষণ কেন্দ্ৰ। পঞ্জীয়ন, কল্যাণৰ আঁচনি। ৬০ বছৰৰ পাছত পেঞ্চন।

৫৩.৩ ডিটিপি অপাৰেটৰ সৃষ্টিৰ বাবে এলানি প্ৰশিক্ষণ কেন্দ্ৰ। পঞ্জীয়ন, কল্যাণৰ আঁচনি। ৬০ বছৰৰ পাছত পেঞ্চন।

৫৩.৪ নাৰ্ছৰ প্ৰশিক্ষণৰ বাবে এলানি প্ৰশিক্ষণ কেন্দ্ৰ। পঞ্জীয়ন, কল্যাণৰ আঁচনি। ৬০ বছৰৰ পাছত পেঞ্চন।

৫৩.৫ ৰিক্সাৱালা, ঠেলাৱালাসকলৰ পঞ্জীয়ন, কল্যাণৰ আঁচনি। ৬০ বছৰৰ পাছত পেঞ্চন।

৫৩.৬ মিস্ত্ৰী, যোগালিৰ পঞ্জীয়ন আৰু কল্যাণৰ আঁচনি। ৬০ বছৰৰ পাছত পেঞ্চন।

৫৩.৭ ফুটপাথৰ ব্যৱসায়ী, হাট-বজাৰ কৰি ঘূৰি ফুৰা ব্যৱসায়ীৰ পঞ্জীয়ন, কল্যাণৰ আঁচনি। ৬০ বছৰৰ পাছত পেঞ্চন।

৫৩.৮ মানুহৰ ঘৰত কাম কৰা পুৰুষ, মহিলা, দিন হাজিৰা কৰা ব্যক্তি, ঘৰে ঘৰে বস্তু বিক্ৰী কৰি ফুৰা ব্যক্তি আৰু আন সকলো বৃত্তিজীৱী (প্ৰফেচনেলচ)ৰ পঞ্জীয়ন, নিৰাপত্তাৰ ব্যৱস্থা, কল্যাণৰ আঁচনি। ৬০ বছৰৰ পাছত পেঞ্চন।

৫৩.৯ অন্য কোনো উপাৰ্জন নথকা প্ৰতিজন অসমবাসীৰ বাবে ৬০ বছৰৰ পাছত সাৰ্বজনীন পেঞ্চন।

৫৩.১০ তেওঁলোকৰ স্বাস্থ্যসেৱা নিশ্চিত কৰা আৰু সন্তানৰ গুণগত শিক্ষাৰ ব্যৱস্থা গ্ৰহণ কৰা।

৫৩.১১ মুঠতে সকলো শ্ৰমজীৱী আৰু স্বনিয়োজিত ব্যক্তিৰ মৰ্যাদা বৃদ্ধি কৰা, সমমৰ্যাদা প্ৰাপ্তিৰ বাবে যুঁজ দিয়া আৰু তেওঁলোকৰ জীৱন আৰু জীৱিকাৰ নিৰাপত্তা সুনিশ্চিত কৰা।

## অধ্যায় ৫৪
# আন্তঃৰাজ্যিক সীমা সমস্যাৰ সমাধান

৫৪.১ অসম-নাগালেণ্ড, অসম-অৰুণাচল, অসম-মেঘালয়, অসম-মিজোৰামৰ সীমা সমস্যাৰ স্থায়ী সমাধানৰ বাবে সৰ্বতোপ্ৰকাৰে চেষ্টা কৰা।

৫৪.২ চুবুৰীয়া ৰাজ্যৰ দ্বাৰা অসমৰ দখলীকৃত ভূমি বেদখলমুক্ত কৰা।

৫৪.৩ সীমান্তৱৰ্তী অসমীয়াৰ জীৱন-সম্পত্তিৰ সুনিৰাপত্তা প্ৰদান কৰা।

৫৪.৪ অসমৰ বনাঞ্চলত চুবুৰীয়া ৰাজ্যৰ দ্বাৰা হোৱা বেদখল মুক্ত কৰা।

৫৪.৫ সীমান্ত অঞ্চলৰ উন্নয়ন ক্ষিপ্ৰতৰ কৰা।

৫৪.৬ সীমান্ত এলেকাৰ স্বাস্থ্য আৰু শিক্ষাখণ্ডত অগ্ৰাধিকাৰ প্ৰদান কৰা।

৫৪.৭ সীমান্ত অঞ্চলত অসমবাসীৰ ভোগ দখলী মাটিৰ পট্টা প্ৰদান কৰা।

## অধ্যায় ৫৫
# কেন্দ্ৰীয় চৰকাৰৰ বিভাগ/প্ৰতিষ্ঠান/কোম্পানী আৰু ব্যক্তিগতখণ্ডৰ দায়বদ্ধতা

৫৫.১ এফ চি আই ৰ দ্বাৰা ব্যাপক ৰূপত অসমৰ ধান ক্ৰয়ৰ ব্যৱস্থা নিশ্চিত কৰা।

৫৫.২ JCI ৰ দ্বাৰা অসমত উৎপাদিত মৰাপাট ক্ৰয়ৰ ব্যৱস্থা লোৱা।

৫৫.৩ সকলো বেংকৰ আমানতঃ ঋণ (C ঃ D)ৰ অনুপাত বৃদ্ধিৰ বাবে ব্যৱস্থা লোৱা।

৫৫.৪ সকলো ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান/কোম্পানী, ব্যক্তিগতখণ্ডৰ কোম্পানীৰ সামাজিক দায়বদ্ধতা পুঁজি সঠিকভাৱে জনস্বাৰ্থত খৰচৰ ব্যৱস্থা লোৱা।

৫৫.৫ সকলো কেন্দ্ৰীয় প্ৰতিষ্ঠান/কোম্পানী আৰু দেশী-বিদেশী কোম্পানীত থলুৱা নিযুক্তি নিশ্চিত কৰা।

৫৫.৬ ব্ৰহ্মপুত্ৰ ব'ৰ্ডকে ধৰি কেন্দ্ৰীয় প্ৰতিষ্ঠানসমূহৰ কৰ্ম তৎপৰতাৰ বাবে ব্যৱস্থা লোৱা।

৫৫.৭ সকলোবোৰ ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠান (MFI) ক কঠোৰভাৱে নিয়ন্ত্ৰণ কৰি ঋণী ব্যক্তিৰ ওপৰত সকলো অত্যাচাৰ বন্ধ কৰা।

## অধ্যায় ৫৬
# তথ্য প্ৰযুক্তি

৫৬.১ তথ্য প্ৰযুক্তি খণ্ডৰ দেশী-বিদেশী কোম্পানীসমূহক অসমৰ বিভিন্ন মহানগৰ, নগৰ, চহৰত ব্যৱসায়িক কেন্দ্ৰ বা কাৰ্যালয় স্থাপনৰ বাবে আমন্ত্ৰণ জনোৱা, যাতে থলুৱা নিবনুৱাই সংস্থাপন লাভ কৰে।

৫৬.২ ৰাজ্যখনত সংঘটিত, তথ্য প্ৰযুক্তি ব্যৱহৃত অপৰাধসমূহ বা চাইবাৰ অপৰাধসমূহ ৰোধ কৰাৰ বাবে বিশেষ ব্যৱস্থা লোৱা।

৫৬.৩ কাহিলীপাৰাৰ ফৰেনচিক লেবৰেটৰীক উচ্চ প্ৰযুক্তিৰে পৰীক্ষাগাৰ পৰিচালনাৰ বাবে ব্যৱস্থা লোৱা আৰু এই লেবৰেটৰীটো অত্যাধুনিক কৰি গঢ়ি তোলা।

৫৬.৪ তথ্য প্ৰযুক্তিৰ ক্ষেত্ৰত ৰাজ্যখনৰ শিক্ষিত শ্ৰেণীটোক আগবঢ়াই লৈ যোৱা।

## অধ্যায় ৫৭
# অন্ধবিশ্বাস নিৰ্মূল আৰু বিজ্ঞান মনষ্কতা গঢ়ি তোলা

৫৭.১ অন্ধবিশ্বাস, কুসংস্কাৰ, ডাইনী হত্যা আদিৰ বিৰুদ্ধে ব্যাপক সামাজিক সচেনতা গঢ়ি তোলাৰ প্ৰয়াস কৰা।

৫৭.২ অসমবাসীৰ মাজত বিজ্ঞান মনষ্ক দৃষ্টিভংগী গঢ়ি তোলাৰ বাবে এক বিশেষ অভিযান গঢ়ি তোলা।

৫৭.৩ বিজ্ঞান মনষ্কতা গঢ়ি তুলিবলৈ এক সামাজিক আন্দোলন গঢ়ি তোলা আৰু তাৰ বাবে বিভিন্ন সংস্থা, সংগঠন আদিৰ সৈতে সমিল-মিলিৰে কাম কৰা।

৫৭.৪ অন্ধবিশ্বাস, কুসংস্কাৰ, ডাইনী হত্যা আদিৰ বিৰুদ্ধে ব্যাপক প্ৰচাৰ কৰা, বিজ্ঞাপন প্ৰকাশ কৰা।

৫৭.৫ প্ৰতিখন জিলা আৰু ৰাজ্যিক ভিত্তিক কোষ তৈয়াৰ কৰি অন্ধবিশ্বাস, কুসংস্কাৰ, ডাইনী হত্যাৰ বিৰুদ্ধে জনজাগৰণ সৃষ্টিৰ প্ৰয়াস কৰা।

## অধ্যায় ৫৮
# * জাৱৰ নিষ্কাষণ

৫৮.১ প্লাষ্টিক সংকট বিদ্যালয়ৰ পাঠ্যক্ৰমত আৰু অনুশীলনৰ অংশ হিচাপে অন্তৰ্ভূক্তি কৰা।

৫৮.২ বৰ্তমানৰ প্লাষ্টিক সংকট আৰু ইয়াৰ অদূৰ ভৱিষ্যতে হ'ব লগা ফলাফল সন্দৰ্ভত প্ৰতিটো গাঁও পঞ্চায়তত অথবা ৰাজ্যৰ অন্যান্য আঁচনিৰ অধীনত গ্ৰামাঞ্চল আৰু নগৰাঞ্চলৰ বাসিন্দাক প্লাষ্টিকৰ সলনি বিকল্প নিষ্পত্তিযোগ্য মোনা ব্যৱহাৰৰ বাবে অনুপ্ৰাণিত কৰা।

৫৮.৩ ৰাজহুৱা অনুষ্ঠানত প্লাষ্টিকৰ থালি, গিলাচ, খৰাহী আদি ব্যৱহাৰত নিষেধাজ্ঞা আৰোপ কৰা। অন্যথা উচ্চহাৰত জৰিমনা।

৫৮.৪ প্লাষ্টিক যোগান ব্যৱস্থাৰ চেইনডাল চিঙি দিয়া। প্লাষ্টিক নিষিদ্ধ কৰি কঠোৰভাৱে বলবৎ কৰা।

৫৮.৫ জীৱাণু বিযোজ্য বিকল্পৰ উন্নতকৰণৰ আঁচনি। অন্যান্য ৰাজ্যসমূহক নেতৃত্ব দিয়া।

৫৮.৬ নিয়মীয়াকৈ উৎসৰ পৰা জাৱৰ উঠোৱাৰ বাবে জাৱৰ নিষ্কাষণৰ লগত জড়িত ব্যক্তিসকলক উপযুক্ত ভাট্টা প্ৰদান কৰা।

৫৮.৭ উৎসতেই ভিজা বৰ্জ্য আৰু শুষ্ক বৰ্জ্যক পৃথক কৰা। অভিলাষী কাৰ্যসূচী আৰম্ভ কৰা আৰু সকলো নগৰাঞ্চলত ব্যাপকৰূপ প্ৰদান কৰা। পৰিৱেশৰ সম্ভাৱনীয়তাৰ ওপৰত নিৰ্ভৰ কৰি পৌৰসভাৰ ৰাজহৰ উৎসৰ বৃদ্ধিৰ বাবে ক্ষুদ্ৰ বৰ্জ্যৰ দ্বাৰা শক্তি কেন্দ্ৰ স্থাপন কৰিব পৰা যাব।

*(* এই অংশ শ্ৰীমতী প্ৰেৰণা নন্দিতা বৈষ্ণৱৰ পৰামৰ্শৰ পৰা লোৱা হৈছে।)*

## অধ্যায় ৫৯
# নতুন নীতি আৰু আইন প্ৰণয়ন

৫৯.১ অসমৰ বাবে এখন নতুন গণতান্ত্ৰিক জাতীয় প্ৰগতিশীল ভূমি আইন প্ৰণয়ন কৰা।

৫৯.২ জনসংখ্যা নিয়ন্ত্ৰণৰ আইন প্ৰণয়ন কৰা।

৫৯.৩ চৰকাৰী বিষয়া কৰ্মচাৰীৰ দ্বাৰা সময়মতে আৰু স্বচ্ছ নিকাভাৱে সেৱা আগবঢ়োৱাৰ আইন প্ৰণয়ন কৰা।

৫৯.৪ এখন নতুন জাতীয় পৰিৱেশ আইন তৈয়াৰ কৰা।

৫৯.৫ চাদৰ-মেখেলা, গামোচা, আৰণাই আদিৰ দৰে অসমৰ সকলো জাতীয় জনগোষ্ঠীয় সাজপাৰ বাহিৰৰ পৰা অসমৰ বজাৰলৈ অনা নিষিদ্ধ কৰিবলৈ এখন আইন প্ৰণয়ন কৰা।

৫৯.৬ সাজপানী আৰু অন্যান্য জনজাতীয় পানীয়ৰ বাবে নীতি প্ৰণয়ন কৰা।

৫৯.৭ সকলোৰে নিয়োগ নিশ্চিতকৰণৰ এখন আইন প্ৰণয়ন কৰা।

৫৯.৮ ব্ৰয়লাৰ মুৰ্গীৰ বাবে এটা পলিচী তৈয়াৰ কৰা। কোম্পানীৰাজৰ অৱসান ঘটাই থলুৱা ব্ৰয়লাৰ পালকসকলৰ হাতলৈ উৎপাদন আৰু বজাৰ কাঢ়ি অনা।ব্ৰয়লাৰ মুৰ্গীৰ খাদ্য আৰু ঔষধৰ স্থানীয় উৎপাদনৰ ব্যৱস্থা কৰা।

৫৯.৯ এটা ক্ৰীড়া নীতি প্ৰণয়ন কৰা।

৫৯.১০ খাদ্য ভেজালকৰণৰ বিৰুদ্ধে নীতি বা আইন প্ৰস্তুত কৰা।

৫৯.১১ সকলোৰে বাবে উন্নত শিক্ষা আৰু স্বাস্থ্য প্ৰদানৰ নিশ্চয়তা প্ৰদানেৰে এখন আইন প্ৰণয়ন কৰা।

৫৯.১২ অসমৰ জাতি-জনগোষ্ঠীৰ ভাষা-সংস্কৃতি-ঐতিহ্য সংৰক্ষণ আৰু শ্ৰীবৃদ্ধিৰ বাবে এখন আইন প্ৰণয়ন কৰা।

৫৯.১৩ অসমত এখন "এন্টি মব লিন্‌চিং এক্ট" প্ৰণয়ন কৰা।

৫৯.১৪ বাংলাদেশৰ লগত বিদেশী প্ৰত্যপৰ্ণ চুক্তি (Repatriation Treaty) সাধনৰ বাবে কেন্দ্ৰক হেঁচা প্ৰদান কৰা।

## অধ্যায় ৬০

# আমি কৰিবলগীয়া কিছুমান বিশেষ কাম

৬০.১ অসমৰ সাংবিধানিক ৰক্ষাকৱচৰ বাবে বিধানসভাত প্ৰস্তাৱ গ্ৰহণ কৰা। সাংবিধানিক ৰক্ষাকৱচ প্ৰদানৰ বাবে কেন্দ্ৰক হেঁচা প্ৰয়োগ কৰা আৰু আৰু ইয়াক জাতীয় কৰ্মসূচীৰূপে গ্ৰহণ কৰা। ভাৰতৰ সংবিধানৰ ৩৭১B অনুচ্ছেদত ৩৭১A, ৩৭১G, ৩৭১F আৰু ৩৭১J অনুচ্ছেদৰ মূল বিষয়সমূহ অন্তৰ্ভুক্ত কৰি অসমৰ মাটি, সম্পদ,খিলঞ্জীয়াৰ বাবে বিধান সভা/লোকসভাৰ আসন সংৰক্ষণ, অসমবাসীৰ বাবে চাকৰি, শিক্ষানুষ্ঠানৰ আসন সংৰক্ষণ আদিৰ ব্যৱস্থাৰ বাবে সংগ্ৰাম গঢ়ি তোলা।

৬০.২ উচ্চতম ন্যায়ালয়ৰ প্ৰত্যক্ষ তত্বাৱধানত প্ৰস্তুত হোৱা অসমৰ নাগৰিকপঞ্জীৰ আসোঁৱাহ দূৰ কৰি অনতিবিলম্বে সম্পূৰ্ণ কৰা। অসম চুক্তি অনুসৰি বিদেশী সমস্যাৰ সময় নিৰ্দিষ্ট স্থায়ী সমাধান কৰা।

৬০.৩ বাংলাদেশৰ লগত ভাৰতৰ বিদেশী প্ৰত্যপৰ্ণ চুক্তি সাধনৰ বাবে হেঁচা দিয়া।

৬০.৪ নাগৰিকত্ব সংশোধনী আইন, ২০১৯-ৰ বিৰুদ্ধে বিধানসভাত প্ৰস্তাৱ গ্ৰহণ কৰা। এই আইনমতে বিদেশীক নাগৰিকত্ব প্ৰদানত বাধা দিয়া। 'কা' বাতিলৰ বাবে কেন্দ্ৰীয় চৰকাৰক হেঁচা দিয়া আৰু তাৰ বাবে ভাৰতৰ বেলেগ বেলেগ ৰাজ্যৰ লগত একেলগে কাম কৰা। উচ্চতম ন্যায়ালয়ত

হস্তক্ষেপ আৱেদন জনোৱা। কেন্দ্ৰই জোৰ কৰি ‘‘কা’’ জাপি দিলে ‘‘কা’’ৰ দ্বাৰা নাগৰিকত্ব লাভ কৰা নতুন মানুহখিনিক ৰাজ্য চৰকাৰৰ এক্তিয়াৰৰ সুযোগ-সুবিধাৰ পৰা বঞ্চিত কৰা।

৬০.৫ অসমত ইনাৰ লাইন পাৰ্মিট ব্যৱস্থা প্ৰৱৰ্তনৰ বাবে হেঁচা দিয়া।

৬০.৬ বৃহৎ নদীবান্ধ বন্ধ কৰাৰ বাবে বিধানসভাৰ মজিয়াত প্ৰস্তাৱ গ্ৰহণ আৰু লোকসভা তথা ৰাজ্যসভাত সক্ৰিয় ভূমিকা পালন কৰা। পৰিৱেশৰ ক্ষতিকৰ আৰু অসমৰ ওপৰত কুপ্ৰভাৱ পেলাব পৰা বৃহৎ নদীবান্ধ নিৰ্মাণত আইনগতভাৱে বাধা প্ৰদান কৰা। নিৰ্মীয়মান নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ ওপৰত অসমৰ বিশেষজ্ঞসকলে দিয়া প্ৰতিবেদন অনুসৰি ব্যৱস্থা গ্ৰহণ কৰা অথবা বাতিলৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা।

৬০.৭ পৰিৱেশ প্ৰভাৱ মূল্যায়ন জাননী, ২০২০ (EIA Notification, 2020) বাতিলৰ বাবে যত্নপৰ হোৱা।

৬০.৮ বনাঞ্চল, জলাহভূমি আদিকে ধৰি সকলো চৰকাৰী ভূমিত বসবাস কৰা নাগৰিকসকলক সম্ভৱ হ'লে যথাস্থানত ভূমিৰ অধিকাৰ প্ৰদান কৰা অথবা অন্যস্থানত যথাযোগ্যভাৱে সংস্থাপিত কৰা।

৬০.৯ Power Grid, AEGCL আদিকে ধৰি কোম্পানীসমূহে দখল কৰিব খোজা বা দখল কৰা কৃষিভূমিৰ ওপৰত এটা নীতি প্ৰস্তুত কৰা। ইতিমধ্যে দখলী ভূমিৰ যথাযথ ক্ষতিপূৰণ দিবলৈ ব্যৱস্থা কৰা।

৬০.১০ ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠান (MFI)ৰ ঋণ প্ৰদানৰ পৰা হোৱা সমস্যাৰ পৰা মহিলাসকলক মুক্ত কৰা। যিকোনো ঋণ গ্ৰহণ কৰোতাৰ ওপৰত MFI বোৰৰ উপদ্ৰৱ সম্পূৰ্ণ বন্ধ কৰাৰ বাবে আইন প্ৰণয়ন কৰা আৰু প্ৰয়োজন সাপেক্ষে ঋণ মাফৰ ব্যৱস্থা কৰা।

৬০.১১ মুঠতে আমি চৰকাৰ গঠন কৰিলে সেই চৰকাৰখনে অসমত সুশাসন প্ৰতিষ্ঠা কৰি উন্নয়নৰ ক্ষেত্ৰত ৰাজ্যখনৰ বৈপ্লৱিক ৰূপান্তৰ কৰি, নতুন অসম এখন গঢ়ি তোলাৰ লগতে সেই ৰাজ্য চৰকাৰ আৰু শাসক দলে প্ৰকৃত ফেডাৰেল ভাৰত এখন গঢ়াৰ সংগ্ৰামত নিজকে নিয়োজিত কৰিব আৰু অন্যান্য ৰাজ্যবোৰৰ লগতো ঐক্যবদ্ধভাৱে কাম কৰি প্ৰকৃত গণতান্ত্ৰিক ভাৰত এখন গঢ়ি তুলিব।

***************